# ASSAM
# LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

REFERENCE,
(NOT FOR ISSUE)

READING ONLY INSIDE LIBRARY.

## OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

*BUDGET SESSION*

## VOL. I
## NO. 24

**The 3rd May, 1989**

Price : 21·17

# CONTENTS

REFERENCE,
(NOT FOR ISSUE)

Budget Session

READING ONLY INSIDE LIBRARY.

Volume—I

No—24

Dated, the 3rd May, 1989

| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1 |
| 2. | Voting on Demands for Grants | 47 |
| 3. | Adjournment | 107 |
| 4. | Annexure I, II, III, IV, V, | 108 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Wednesday, May 3, 1989.

The House met at 9 A. M. in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED QUESTIONS & ANSWERS

(To which oral answers were given)

### ৰিষয় ঃ শলমৰা গুৱালগাওঁ পথ।

শ্ৰীভবেন্দ্ৰ নাথ ভৰালীয়ে সুধিছে ঃ

*৪৪১. মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৰহাট পশ্চিম উপ-সংমণ্ডলৰ শলমৰা গুৱালগাওঁ পথটো যোৱা বান-পানীত কেইবা ঠাইটো চিঙাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, চলিত বছৰতে মেৰামতিৰ ব্যৱস্থা লবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় জানে (প্ৰকৃততে ৰাস্তাটোৰ নাম বৰমেৰ গুৱালগাওঁ পথ)।

(খ) আৱশ্যকীয় পুঁজি সাপেক্ষে পাৰ্য্যমানে মেৰামতিৰ ব্যৱস্থা লোৱা হব।

শ্ৰীভবেন্দ্ৰ নাথ ভৰালী ঃ মাননীয় অধ্যক্ষ মহোদয়, আৱশ্যকীয় পুঁজি সাপেক্ষে পাৰ্য্যমানে মেৰামতিৰ ব্যৱস্থা লোৱা হব বুলি মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে, কিন্তু বানপানী আহিলে মটাউৰীৰে সেইটোৱেই একমাত্ৰ ৰাস্তা যিটো ৰাস্তাৰে সেই এলেকাৰ ২৫ খন গাঁৱৰ মানুহে অহা-যোৱা কৰিবলগীয়া হয়। তাৰোপৰি উক্ত এলেকাটো জনজাতীয় আৰু সাধাৰণ এলেকা। এতিয়া যিটো গতিত বৰষুণ আৰম্ভ হৈছে সেই ধৰণে চলি থাকিলে বানপানী আহিবলৈ আৰু কেইদিন ? সেয়ে এই মানুহখিনিক উদ্ধাৰ কৰিবৰ কাৰণে কি ব্যৱস্থা লব, এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অকল মাননীয় সদস্যজনৰ সমষ্টিতেই এই সমস্যা হোৱা নাই, অন্যান্য ঠাইতো এনেধৰণৰ সমস্যা হৈছে। আমাৰ বৰ্ত্তমান সীমিত পুঁজিৰ কাৰণে এই কামবিলাক সম্পূৰ্ণ কৰি তুলিব পৰা হোৱা নাই। এই ২ লাখ ৫০ হাজাৰ টকা বানপানী অহাৰ আগতেই প্ৰয়োজন আছিল। অৱশ্যে ৰাস্তাটো ষ্টেট হাইওৱে বা কেটেগৰি-এ হোৱা হলে বেলেগে

ব্যৱস্থা কৰিব পৰা গ'লহেঁতেন । ৰাস্তাটো এটা সাধাৰণ ৰাস্তা । গতিকে বিশেষ অসুবিধা নহব বুলি ভাবো ।

শ্রীভবেন্দ্র নাথ ভৰালী : যদি সীমিত পুঁজিৰ কাৰণে ৰাস্তাটো এতিয়া কৰিব পৰা নহয় তেতিয়াহলে সেই মানুহখিনিৰ অহা-যোৱা কৰিবৰ কাৰণে নাও দিয়াৰ ব্যৱস্থা কৰিব নেকি ? কিয়নো এতিয়া যিটো গতিত বৰষুণ হব ধৰিছে বানপানী আহিবলৈ বেছি দিন নাই বানপানী হলে অন্ততঃ সেই মানুহ খিনিক উদ্ধাৰ কৰিবৰ কাৰণে নাও দিব লাগে । গতিকে সেই ২৫ খন গাৱঁৰ মানুহক উদ্ধাৰ কৰাৰ কাৰণে গড়কাপ্তানী বিভাগৰ ফালৰ পৰা নাও দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

শ্রীঅতুল বৰা (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, অৱশ্যে নাও এখন দিয়াৰ ব্যৱস্থা কৰিব পৰা হব ।

**Ref : PASMAFAP Project.**

Shri Abdul Muqtadir Choudhury asked :

*142. Will the Minister, Agriculture be pleased to state :

The name of the PASMAFAP Project and amount spent against each project in 1987-88 and in 1988-89 within Karimganj District

Shri Deba Kumar Bora (Minister, Agriculture) replied :

Under Pasmafap three components of schems were implemented viz, (a) Land Development (b) Minor Irrigation and (c) Minikits. The details of the projects and amount spent is placed in the table of the Hause for information. (See Annexure I)

শ্রীআব্দুল মোক্তাদিৰ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, এই 'পাচমাফাপ' প্রজেক্টটো কৃষি বিভাগলৈ অহাৰ পিছত এই প্রজেক্টৰ কি কি কাম চলি আছে আৰু তাত টকা-পইচা খৰচ হৈ আছে নেকি ? ১৯৮৭/৮৮ চনত ২ লাখ ৪৬ হাজাৰ টকা ধৰা হৈছিল কিন্তু তাৰ ভিতৰত ৪০ হাজাৰ টকা খৰচ হোৱা নাই আৰু ১৯৮৮/৮৯ চনত ২ লাখ ১৬ হাজাৰ ১৬২ টকা ধৰা হৈছে কিন্তু তাৰ হিচাব নাই। গতিকে এই বিষয়টো অনুসন্ধান কৰাৰ কাৰণে কিবা ব্যৱস্থা লোৱা হৈছে নেকি ? মাননীয় মন্ত্রী মহোদয়ে অনুসন্ধান কৰিবনে ?

শ্ৰীদেব কুমাৰ বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো অনুসন্ধান কৰি চোৱা হব আৰু ভৱিষ্যতে এই সকলোবিলাক বি, এল, চি, চিলৈ অনুসন্ধানৰ কাৰণে আমি কাৰ্য্যসূচী ৰাখিম বুলি ভাবিছো ।

বিষয় : শিশু আৰু খৈৰা গছ ।

শ্ৰীপদ্ম নাথ কৈৰীয়ে সুধিছে :

*-৪৩। মাননীয় ভূমি সংৰক্ষণ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৱা ১৯৮২-৮৩ চনত বিশ্বনাথ মহকুমাৰ ভূমি সংৰক্ষণ বিভাগৰ অন্তৰ্গত মোনাবাৰি অঞ্চলত প্ৰায় চাৰিশমান শিশু আৰু খৈৰা গছ অবৈধভাৱে কটাটো সত্যনে ?

(খ) যদি সত্য এই গছবোৰ কটাৰ পিচত ক'ত লৈ যোৱা হ'ল আৰু ইয়াৰ অনুমানিত মূল্য কিমান ?

(গ) এই অবৈধ গছ কটাৰ বাবদ এটি উচ্চ পদস্থ তদন্তকাৰী দলে তদন্ত চলাইছিলনে আৰু যদি চলাইছিল বৰ্ত্তমান এই অনুসন্ধান কি অৱস্থাত আছে ?

(ঘ এই অবৈধ গছ কটাৰ বাবে দোষী ব্যক্তি কোন ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (ভূমি সংৰক্ষণ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক অবৈধভাৱে গছ কটাতো সত্য হয় নে নহয় বৰ্ত্তমান কব পৰা নাযায়। কাৰণ এই বিষয়ে তদন্ত চলি আছে ।

(খ) প্ৰশ্ন নুঠে ।

(গ) তদন্ত এতিয়াও চলি আছে ।

(ঘ বৰ্ত্তমান কব পৰা নাযায় ।

শ্ৰীপদ্ম নাথ কৈৰী : মাননীয় অধ্যক্ষ মহোদয়, বিশ্বনাথ মহকুমাৰ মনাবাৰী গৰৈমাৰী অঞ্চলত ভূমি সংৰক্ষন বিভাগৰ দ্বাৰা ৩৮৬ জোপা খৈৰা গছ আৰু শিশু গছ কটা হৈছিল আৰু এই বিষয়ে মন্ত্ৰী মহোদয়ে নাজানো বুলি কৈছে। ইতিমধ্যে ১৯৯২-৮৩ চনত এই কথাটো অনুসন্ধান কৰিবৰ কাৰণে এজন বিষয়াক নিয়োগ কৰিছিল আৰু তাৰ কাগজ পত্ৰবোৰ মোৰ হাতত আছে । গতিকে চৰকাৰে নাজানো বুলি কোৱা কথাটো ভাল লগা নাই। কিয়নো এই সম্পৰ্কীয় কাগজ-পত্ৰবোৰ মোৰ হাতত আছে ।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : মই নাজানো বুলি কোৱা নাই, অবৈধ

ভাৱে গছ কাটিছে নে বৈধ ভাৱে কাটিছে তাৰ তদন্ত চলি আছে। যদি অবৈধ ভাৱে কাটিছে, যিয়ে অবৈধ ভাৱে কাটিছে তেওঁলোকৰ ওপৰত শাস্তি বিধান কৰা হবই ।

শ্ৰীপদ্ম নাথ কৈৰী : কথাটো স্বীকাৰ কৰিছে, সেই কটা গছবিলাক এতিয়া ক'ত ৰখা হৈছে নে বিক্ৰী কৰা হৈছে ?

মাননীয় অধ্যক্ষ : তদন্ত কৰা হৈ আছে বুলি জনাইছেই ।

বিষয় : বৰপেটা মাষ্টাৰ প্লেন ।

কুমাৰ দীপক দাসে সুধিছে :

*২৪৪. মাননীয় নগৰ আৰু গাওঁ পৰিকল্পনা মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰপেটা নগৰৰ 'মাষ্টাৰ প্লেন' (Master Plan) খন প্ৰস্তুত হ'ল নেকি ?

(খ) যদি হোৱা নাই ইয়াৰ পলম হোৱাৰ কাৰণ কি ?

(গ) এই মাষ্টাৰ প্লেনখন কেতিয়া সম্পূৰ্ণৰূপে প্ৰস্তুত হৈ উঠিব ?

(ঘ) হাউলী নগৰৰ মাষ্টাৰ প্লেনখন প্ৰস্তুত কৰাৰ প্ৰয়োজনীয় ব্যৱস্থা চৰকাৰে লবনে ?

শ্ৰীঅতুল বৰা (নগৰ আৰু পৰিকল্পনা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হোৱা নাই ।

(খ ইমানদিনে বৰপেটাত নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ কাৰ্য্যালয় নথকাত গুৱাহাটী জিলা কাৰ্য্যালয়ৰ পৰা কাম চলাবলগীয়া হয়। ইয়াৰ বাবে প্ৰয়োজনীয় ক্ষিপ্ৰ গতিত কাম আগবঢ়াব পৰা নাই ।

(গ) এবছৰৰ ভিতৰত হোৱাৰ সম্ভাৱনা আছে ।

(ঘ) এতিয়ালৈকে লোৱাৰ কথা চৰকাৰে ভবা নাই।

কুমাৰ দীপক দাস : মাননীয় অধ্যক্ষ মহোদয় বৰপেটা নগৰখন অতি পুৰণি নগৰ আৰু ইয়াৰ পিছত যিবিলাক নগৰ হিচাবে ঘোষণা কৰা হৈছিল তাৰ বহুকেইখন নগৰত নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ কাৰ্য্যালয় আছে। কিন্তু বৰপেটাত নগৰ আৰু গাওঁ পৰিকল্পনাৰ কাৰ্য্যালয়টো নথকাৰ বাবে যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে । গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা দুটা কথা জানিব বিচাৰিছো যে এই অফিচটো বৰপেটাত স্থাপন কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু বৰপেটাৰ মাষ্টাৰ প্লেন এক বছৰৰ ভিতৰত সম্পূৰ্ণ কৰি উলিয়াব লাগে ।

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ শতকৰা ৫০ ভাগ কাম হৈছে কিন্তু নক্সাৰ কাম সম্পূৰ্ণ হোৱা নাই কাৰণে ৰিপৰ্টটো সম্পূৰ্ণ কৰিব পৰা নাই। এই বছৰৰ ভিতৰত সম্পূৰ্ণ কৰিব পৰা যাব। তাত নগৰ আৰু গাওঁ পৰিকল্পনাৰ অফিচটো নহলেও এক বছৰৰ ভিতৰত কৰিব পৰা হব। ইতিমধ্যে এজন বিষয়াক নিযুক্তি দিয়া হৈছে আৰু তেওঁ বৰপেটাত ঘৰ বিচাৰি আছে, ঘৰ পালেই অফিচ আৰম্ভ কৰিব পৰা হব আৰু তেতিয়া কামবিলাক ক্ষিপ্ৰতাৰে আগবঢ়াই নিব পৰা হব।

## বিষয় : নাৰিকলৰ পুলি বিতৰণ।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে :

* ৪৩৫ : মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৭-৮৮ চনৰ বিত্তীয় বছৰত নগাওঁ জিলাৰ কৃষি বিভাগে কৃষক বাইজ আৰু বিভিন্ন অনুষ্ঠানক নাৰিকলৰ পুলি বিতৰণ কৰিছিলনেকি ?

(খ) যদি কৰিছিল কিমান সংখ্যক নাৰিকলৰ পুলি বিতৰণ কৰিছিল ?

(গ) উক্ত পৰিমাণৰ নাৰিকলৰ পুলি ক'ৰ পৰা অথবা কেনেকৈ ক্ৰয় কৰা হৈছিল ?

(ঘ) ক্ৰয় কৰা প্ৰতিষ্ঠান সমূহৰ নাম কি কি ?

শ্ৰীদেৱ কুমাৰ বৰা (কৃষি মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, কৰিছিল।

(খ) ৪৩,৩৬৩ টা পুলি বিতৰণ কৰা হৈছিল।

(গ) দৈনিক কাকতত নিবিদা আহ্বান কৰি ৫ জনীয়া কমিটিৰ অনুমোদন ক্ৰমে নিবিদা নিৰ্ব্বাচন কৰি নাৰিকলৰ পুলিসমূহ বিভিন্ন প্ৰতিষ্ঠানৰ পৰা ক্ৰয় কৰা হৈছিল।

(ঘ) ক্ৰয় কৰা প্ৰতিষ্ঠান আৰু ব্যক্তিসকলৰ নামৰ তালিকা সদনৰ মেজত ৰখা হ'ল। ( See Annexure II )

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৭-৮৮ চনত নগাওঁ জিলাত নাৰিকল গছৰ পুলি ক্ৰয় কৰি এটা সাংঘাটিক দুৰ্নীতিয়ে প্ৰশ্ৰয় লৈছে। প্ৰায় ১৭ লাখ টকা মূল্যৰ নাৰিকল গছৰ পুলি ক্ৰয় কৰাৰ কাৰণে যিসমূহ প্ৰতিষ্ঠানৰ পৰা নিবিদা পোৱা হৈছিল তাৰ ভিতৰত অসম চিড্চ-কৰ্পোৰেচনে যিটো মূল্য দিছিল সেই মূল্য অনুযায়ী গোটেই দায়িত্ব

অসম চিডচ্ কর্পোৰেচনক দিব লাগিছিল। কিন্তু অসম চিডচ্ কর্পোৰেচনক নিদি, ডি. পি. এণ্টাৰপ্ৰাইজ নামৰ এটা ব্যক্তিগত অনুষ্ঠানক দিলে য'ত নেকি নগাওঁ জিলাৰ এজন কৃষি বিষয়া আৰু নগাওঁ জিলাৰ এজন উচ্চ পদস্থ বিষয়াৰ পুতেকো জড়িত আছে। মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়ে জানেনে আৰু এই বিষয়ে কিবা তদন্ত লোৱা হৈছে নেকি?

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, কৃষি বিভাগত এইটো গোচৰ দৃষ্টিগোচৰ হোৱাৰ পাচত আমি জোৰ তদন্ত ইতিমধ্যে চলাইছো আৰু তদন্তৰ প্ৰাইমাৰী ৰিপোৰ্ট ইতিমধ্যে পোৱাৰ পাচত উক্ত বিষয়াজনক সেই স্থানৰ পৰা আতৰাই দিয়া হৈছে যাতে ভৱিষ্যতে তদন্ত নিৰপেক্ষভাবে চলাব পাৰে।

শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱা: মই এইটো কথা মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা পুনৰ জানিবলৈ বিচাৰিছো যি সমূহ ব্যক্তিগত তথা অন্যান্য অনুষ্ঠান প্ৰতিস্থানে নিবিদা দিছিল সেই সমূহ অনুষ্ঠান প্ৰতিস্থানৰ ভিতৰত অসম চিডচ্-কৰ্পোৰেচনে অগ্ৰাধিকাৰ প ব লাগিছিল নে নাই? যদি লাগিছিল কিয় পোৱা নাই? তদন্ত কিমান দিনৰ ভিতৰত শেষ কৰা হব সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, তদন্ত আমি কিমান দিনৰ ভিতৰত শেষ কৰিম সেইটো কব পৰা নাই তথাপি খুব কম দিনৰ ভিতৰত কৰাৰ কাৰণে খৰটকীয়া ভাবে কৰা হৈছে। প্ৰেলিমিনাৰী ৰিপোৰ্টটো ইতিমধ্যে পাইছো আৰু যথাবিহিত ভাবে কঠোৰ ব্যৱস্থা লবৰ কাৰণে আগবাঢ়ি গৈছো। গতিকে তদন্ত যাতে সুচাৰুৰূপে চলে তাৰ কাৰণে সেই বিষয়াজনক তাৰপৰা আতৰোৱা হৈছে। নিৰপেক্ষভাবে তদন্ত চলাই তাৰ চূড়ান্ত ব্যৱস্থা লবৰ কাৰণে কৃষি বিভাগ আগবাঢ় গৈছে।

শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱা: মোৰ কথাটো হৈছে কেবাটাও অনুষ্ঠান প্ৰতিস্থানে নিবিদা দিছিল। কিন্তু সেই অনুষ্ঠান-প্ৰতিস্থান বিলাকৰ ভিতৰত অসম চিডচ্ কৰ্পোৰেচনে পাব লাগিছিল যদিও তেওঁলোকে নেপালে। কিন্তু পালে ডি, পি নামৰ এটা এণ্টাৰপ্ৰাইজে য'ত নেকি নগাওঁ জিলাৰ এজন কৃষি বিষয়াৰ পুতেক আৰু নগাওঁ জিলাৰ এজন উচ্চ পদস্থ বিষয়াৰ পুতেক জড়িত আছে। এই এণ্টাৰপ্ৰাইজটোৱে লগে লগে ৰেজিষ্টাৰ কৰি তাৰ ২৪ ঘণ্টা পিচত নিবিদা

দিছিল। তেওঁলোকক ১২ লাখ টকাৰ নাৰিকল গছৰ পুলি যোগান ধৰিবলৈ দিয়া হৈছিল। সেই ১১ লাখ টকাৰ ভিতৰত তেওঁলোকে ৪৩ হাজাৰ ৩৬১ টা নাৰিকলৰ পুলি যোগান দিলে। কিন্তু সেই নাৰিকল গছৰ পুলিৰ মূল্য বজাৰত ৭ টকাকৈ হলে তাৰ চাৰিগুণ কিনিব পৰা গলহেঁতেন। গতিকে এইটো এটা সাংঘাটিক দূর্নীতি হৈছে। কিয়নো ভি, পি, এণ্টাৰপ্ৰাইজে নাপাই আচলতে অসম বীজ নিগমে পাব লাগিছিল। কিন্তু অসম বীজ নিগমক এই ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া নহ'ল, কি কাৰণত অগ্ৰাধিকাৰ দিয়া নহল মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীদেব কুমাৰ বৰা (মন্ত্ৰী) : উক্ত বিষয়টো ১৯৮৭।৮৮ চনৰ বিত্তিয় বছৰেই এটা বিষয় আছিল আৰু বৰ্তমান এই বিষয়ে তদন্ত কৰি প্ৰিলিমিনাৰী সকলো ব্যৱস্থা লৈছো বুলি কৈছো। তাৰ লগতে বিভাগীয় নীতি অনুসৰি তেনে ধৰণৰ ব্যৱস্থা কিয় লোৱা হ'ল সেই সম্পৰ্কে আমাৰ কৃষি বিভাগৰ বিভাগীয় যিখিনি নীতি নিয়ম, সেইমতে তেওঁলোকৰ পৰা এক্সপ্লেনেশ্যন বিচাৰি তেওঁলোকৰ ওপৰত ভবিষ্যতে যি ব্যৱস্থা লব লাগে সেইখিনি লোৱাৰ কাৰণে ইয়াত আশ্বাস দিছো।

শ্ৰীআব্দুল মোকটাদিৰ চৌধুৰী : এই নাৰিকলৰ পুলি কোন আঁচনিৰ অধীনত বিতৰণ কৰা হৈছিল আৰু বিনামূলীয়াকৈ বিতৰণ কৰা হৈছিল নেকি ?

শ্ৰীদেব কুমাৰ বৰা (মন্ত্ৰী) : এইটো ডিচেন্ট্ৰেলাইজ প্লেনিঙৰ শিতানৰ অধীনত বিতৰণ কৰা হৈছে। নগাওঁ মৰিগাওঁ আৰু হোজাই পৰিকল্পনা ও উন্নয়ন পৰিষদৰ নিৰ্দ্দেশক্ৰমে বিকেন্দ্ৰীকৃত মহকুমাৰ বাজেটৰ পুঁজিৰে পৰিষদে লক্ষ্য বান্ধি দিয়া মতে স্থানীয় বিধায়ক সকলে বা তেখেতসকলৰ প্ৰতিনিধিয়ে অনুমোদন কৰা তালিকা মতে উন্নত জাতৰ নিৰ্ব্বাচিত নাৰিকলৰ পুলি নীতিগত ভাবে সংগ্ৰহ কৰি বিভিন্ন অনুষ্ঠান প্ৰতিস্থান ও ৰাইজৰ মাজত বিতৰণ কৰাৰ কাৰণে সিদ্ধান্ত কৰা হৈছিল।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : অনুসন্ধান কৰি চাব বুলি কৈছে, ইয়াৰ লগতে মই তেখেতৰ জ্ঞাতাৰ্থে এটা কথা জনাব বিচাৰিছো লংকাত যিমান পৰিমাণৰ নাৰিকলৰ পুলি যোগান ধৰা লক্ষ্য আছিল তাতকৈ বহু কম যোগান ধৰিছে। গতিকে এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে ইয়াৰ লগতে অনুসন্ধান কৰিবনেকি ?

শ্ৰীদেব কুমাৰ বৰা (মন্ত্ৰী) : মাননীয় সদস্য গৰাকীৰ পৰামৰ্শ আৰু-

তেখেতৰ বিষয়টো আমি অন্তৰ্ভূক্ত কৰি অনুসন্ধান কৰিব পাৰিম আৰু আমি আগতেও কৈছো দুৰ্নীতিক কোনো প্ৰকাৰে প্ৰশ্ৰয় দিয়াৰ ক্ষেত্ৰত ক্ষমা কৰা নহব ।

ডাঃ কমলা কলিতা : এইটো এটা গুৰুত্বপূৰ্ণ অভিযোগ, মাননীয় মন্ত্ৰী মহোদয়ে ১৯৮৭-৮৮ চনৰ এই দুৰ্নীতি সম্পৰ্কে তদন্ত চলি থকা বুলি কৈছে । মাননীয় মন্ত্ৰী ডাঙৰীয়াই আমাক এটা আশ্বাস দিব নেকি যে চলিত বিধান সভাৰ এই অধিবেশনতেই তদন্তৰ ৰিপৰ্টটো এই বিধান সভাৰ মজিয়াত জনাব ।

শ্ৰীদেব কুমাৰ বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনৰ কথাখিনি গ্ৰহণযোগ্য । বিভাগৰ ফালৰ পৰা যিখিনি ব্যৱস্থা লোৱা হৈছে সেইখিনিৰে আমি কিছু আগুৱাই যাব পাৰো । এই ব্যৱস্থাৰেই যাতে আমি কম সময়ৰ ভিতৰতে ৰিপৰ্টটো দিব পাৰো সেইটো আশ্বাস মই দিব পাৰো ।

Starred question No. 446 was not called for. However written replies deemed to have been laid on the table as follows :

## Re : Group Hospital

Shri Dinesh Prasad Gowala asked

* 446. Will the Minister, Labour & Employment be pleased to state :

(a) Is it a fact that Government proposed to establish a Grop Hospi al in Labac Tea Estate in the Dist. of Cachar.

(b) If so, what step has been taken by the Government to materialise the same.

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মেডিকেল এডভাইচৰী বোৰ্ডৰ বৈঠকত তেনে এখন গ্ৰুপ হস্পিতাল পতাৰ পৰামৰ্শ দিয়া হৈছিল ।

(খ) নিৰ্মাণ তথা স্থাপনৰ বিষয়টো বৰ্ত্তমানে এটা চাব কমিটিৰ পৰ্য্যালোচনাৰ বাবে দিয়া হৈছে ।

## বিষয় : F.D R. ৰ টকা মঞ্জুৰী ।

শ্ৰীমকবুল হুচেইনে সুধিছে :

* ৪৪৭। माननीয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক বঙ্গাইগাওঁ P. W. D. Divi ion ত ১৯৮৮-৮৯ চনত F.D. R. ৰ শিতানত মুঠকিমান টকা মঞ্জুৰী দিয়া হৈছে ?

(খ) উক্ত টকাৰ পৰা অভয়াপুৰী উত্তৰ সমষ্টিত কোন কোন ৰাস্তাৰ বাবদ কিমান টকা ধৰা হৈছে ?

শ্ৰীঅতুল বৰা গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক মুঠ ২৪ (চব্বিশ) লাখ টকা।

(খ) উক্ত টকা অভয়াপুৰী উত্তৰ সমষ্টিৰ ৰাস্তাৰ মেৰামতিৰ বাবে। অনুমোদিত ধন আৰু ৰাস্তাৰ তালিকা এখন ইয়াৰ লগত সংলগ্ন কৰি দিয়া হ'ল।

( See Annexure III)

শ্ৰীমকবুল হুছেইন : অধ্যক্ষ মহোদয়, অভয়াপুৰী উত্তৰ সমষ্টিত কিমান টকা দিয়া হৈছে মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, অভয়াপুৰী উত্তৰ সমষ্টিৰ কাৰণে ৩ ৬০,৮৩৮ টকা দিয়া হৈছে।

শ্ৰীমকবুল হুছেইন : অধ্যক্ষ মহোদয়, বঙ্গাইগাওঁ সংমণ্ডলৰ অধীনত ৩ টা বিধান সভাৰ সমষ্টি আছে আৰু তাৰ ভিতৰত অভয়াপুৰী উত্তৰ সমষ্টিটো মোৰ সমষ্টি যিটো বানপানীত বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। কিন্তু এই ক্ষেত্ৰত দেখা গৈছে যে এই সমষ্টিৰ বাবে মাত্ৰ ৩ লাখ ৬০ হাজাৰ টকাহে দিয়া হৈছে। এই সমষ্টিটো দীৰ্ঘ দিন ধৰি অৱহেলিত হৈ আহিছে আৰু তাৰ ৰাস্তাবিলাক একেবাৰে ভাঙি চিঙি যোৱা স্বত্বেও তাত এফ, ডি আৰ, ৰ টকা দিয়া হোৱা নাই। গতিকে মই গড়কাপ্তানী মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যাতে তেখেতে অনুগ্ৰহ কৰি মোৰ এই অৱহেলিত সমষ্টিটোৰ পুৰণি ৰাস্তা-ঘাটবোৰ মেৰামতি কৰাৰ কাৰণে ব্যৱস্থা কৰে।

শ্ৰীঅতুল বৰা (মন্ত্ৰী : অধ্যক্ষ মহোদয়, প্ৰকৃততে বঙাইগাওঁ সংমণ্ডলে আমাক যি ধৰণে আঁচনি দিছে সেই মতেহে এই টকা দিয়া হৈছে। ৰাইজে বা বিধায়কসকলে যি ধৰণে টকা পইচা বিচাৰে তাৰ ওপৰত ভিত্তি কৰি টকা দিয়া নহয়। তেখেতে যিটো কথা উল্লেখ কৰিছে যে—২৪ লাখ টকাৰ ভিতৰত তেখেতৰ সমষ্টিত মাত্ৰ ৩ লাখহে টকা দিয়া হল সেইটো তেনে ধৰণে চালে নহব। আমি সমষ্টি ভিত্তিত টকা নিদিও, ৰাস্তাৰ ভিত্তিতহে

টকা দিও। গতিকে মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেইটো পৰীক্ষা কৰি কেনে ধৰণৰ ব্যৱস্থা লব পৰা যায় তাৰ ব্যৱস্থা কৰিম।

**Re : P.W.D. road for Mankacha Jhowdanga area**

Shri Aminul Islam asked :

* 448. Will the Minister, P.W.D. be pleased to state :

(a) Whether the Government is aware of the fact that the patients of Mankachar and Jhowdanga gaon Panchayat areas having more than fifty thousand population who are fully dependent on Mankachar Primary Health Centre for their medical treatment are facing constant trouble for want of a connecting road from the first curve of the New Saharara road to the primary Health Centre Campus ?

(b) If so, whether the Government will be pleased to sanction fund to construct the said road before the ensuing monsoon ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে ;

(ক) সংযোগ পথ নথকা কথাটো সঁচা।

(খ) আৱশ্যকীয় পুঁজি পালে বিবেচনা কৰিব পৰা হব।

শ্ৰীআমিনুল ইছলাম : অধ্যক্ষ মহোদয়, মই যিটো সংযোগ পথৰ কথা কৈছো সেইটো সুস্থ মানুহৰ কাৰণে কোৱা নাই, সেইটো অসুস্থ মানুহৰ কাৰণেহে বিচৰা হৈছে। এই সংযোগ পথটো নোহোৱাৰ কাৰণে জোৱাদাঙ্গা অঞ্চলৰ বহুতো ৰোগী-মানকাছাৰ স্বাস্থ্য কেন্দ্ৰলৈ যোৱাত বৰ অসুবিধা ভোগ কৰিব লগা হৈছে। সেই কাৰণে মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি এই সংযোগ পথটো নিৰ্মাণ কৰাৰ ব্যৱস্থা হাতত লব নে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয় এই সংযোগ পথটো ইতিমধ্যে জৰিপ কৰা হৈছে আৰু তাত প্ৰায় ৩ লাখ মান টকা খৰচ হব। কিন্তু টকাৰ অভাৱৰ কাৰণে আমি সেই কাম হাতত লব পৰা নাই। যদি এইবাৰ পৰা যায় তেনেহলে নিশ্চয় এই পথটো কৰাৰ কাৰণে চেষ্টা কৰিম।

বিষয় : নলা আৰু পদপথ নিৰ্ম্মাণ ।

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে :

* ৪৪৯। মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বোকাখাত নগৰ অঞ্চলত পৰিস্কাৰ-পৰিচন্নতা আৰু পানী ওলাই যোৱাৰ বাবে ৩৭ নং ৰাষ্ট্ৰীয় পথৰ দুয়ো কাষে পকা নলা আঁচনি আৰু পদপথ নিৰ্ম্মাণৰ এখন আঁচনি বিভাগে প্ৰস্তুত কৰিছে নেকি ?

(খ) যদি কৰিছিল, আঁচনিখন কিমান টকাৰ আছিল ?

(গ) কেতিয়াৰ পৰা এই আঁচনিৰ কাম আৰম্ভ কৰিব আৰু সম্পূৰ্ণ কৰোঁতে কিমান দিন লাগিব ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) তেনেকুৱা আঁচনি প্ৰস্তুত কৰা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে ।

(গ) প্ৰশ্ন নুঠে ।

শ্ৰীবলোভদ্ৰ তামুলী : অধ্যক্ষ মহোদয় বোকাখাট নগৰত ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ দুয়োকাষে পানী ওলাই যোৱাৰ কাৰণে নলী আৰু পদ পথ নিৰ্ম্মাণৰ কোনো আঁচনি নাই বুলি মন্ত্ৰী মহোদয়ে তেখেতৰ উত্তৰত কৈছে। কিন্তু মই নিজে জানো যে ১৯৮৬-৮৭ চনতে তাৰ বাবে এখন আঁচনি প্ৰস্তুত কৰি চৰকাৰৰ ওচৰত দিয়া হৈছিল। গতিকে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে তেনে কোনো আঁচনি নাই বুলি কোৱা কথাবাৰ বুজিব নোৱাৰিলো। মন্ত্ৰী মহোদয়ে এই বিষয়ত অনুসন্ধান কৰি চাবনে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে তাৰ বাবে ১৯৮২ চনতে কিছু কাম কৰা হৈছিল। এতিয়া মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেইটো মই অনুসন্ধান কৰি চাম আৰু পাৰিলে অহা বিত্তীয় বছৰত কৰাৰ কাৰণে চেষ্টা কৰিম।

Starred questions No. 450, 451 and 452 was not called for. However, written replies deemed to have been laid on the table as follows :

বিষয় : জোনাই মহকুমাৰ বন গাওঁ।

শ্ৰীফনী ৰাম টায়েঙে সুধিছে :

*৪৫০। মাননীয় বন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোৱালপাৰা মহকুমাৰ অন্তৰ্গত কেইখন বন গাওঁ আছে ?

(খ) কোন কোন চনত উক্ত গাওঁসমূহ বন গাওঁ হিচাপে প্ৰতিষ্ঠা কৰা হৈছিল ?

(গ) বন গাওঁসমূহত বন বিভাগে বন গাওঁৰ লোকক কি কি সা-সুবিধা দিয়াৰ নিয়ম আছে আৰু উক্ত মহকুমাৰ বন গাওঁ সমূহে তেনে সুবিধা পাইছে নে ?

(ঘ) উক্ত মহকুমাৰ ৰাভা আৰু যাং নাং বনাঞ্চলত ১৯২৪ চনত কিমানটা জনজাতীয় পৰিয়াল বসতি কৰিবলৈ বন বিভাগে লিখিত অনুমতি দিছিল ?

(ঙ) যদি অনুমতি দিছিল উক্ত মাটিসমূহ ৰাজহ বিভাগলৈ হস্তান্তৰ কৰৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি : (বন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) দুখন।

(খ) দুয়োখন ১৯৫৪ চনতে স্থাপিত।

(গ) বনগাওঁ সমূহত বাস কৰা লোক সকলে বন বিভাগৰ পৰা ১৮৯১ চনৰ অসম বন আইনৰ (Assam Forest Regulation) অধীনৰ নিয়মাৱলী অনুসৰি সা-সুবিধা পায় সেই বিলাক হ'ল :

(১) মাত্ৰ পাঁচ দিনৰ বিনা মজুৰীৰ পৰিশ্ৰমৰ বিনিময়ত তেওঁলোকক নিজৰ ব্যৱহাৰৰ বাবে আৱশ্যকীয় ১০ খন গৰুগাড়ী পৰ্য্যন্ত খৰি-খেৰ আৰু নিজে থকাঘৰ বনোৱা আৰু মেৰামতিৰ বাবে প্ৰয়োজন হোৱা কাঠ, বাঁহ, খুঁটা আদি বিনামূল্যে জংঘলৰ পৰা সংগ্ৰহ কৰিব পাৰে।

২। সংৰক্ষিত বনাঞ্চলত প্ৰতিটো পৰিয়ালৰ বিনা খাজনাত ৫ বিঘাকৈ বস্তি মাটি আৰু বিঘাই প্ৰতি মাত্ৰ ৩৭ পইচাকৈ খাজনাত প্ৰতিজন কৰ্ম্মী লোকক ১০ বিঘাকৈ খেতিৰ মাটি দিয়া হয়। অৱশ্যে একোটা পৰিয়ালক সৰ্ব্বোচ্চ ৩৫ বিঘাৰ ওপৰত মাটি আবণ্টন দিয়া নহয়।

৩। প্ৰতিটো বন গাওঁ বাসী পৰিয়ালে তেওঁলোকৰ আৱশ্যকীয় হালৰ গৰু আৰু আন ১০টা গৰু কোনো গ্ৰেজিং ফিজ নিদিয়াকৈ সংৰক্ষিত বনাঞ্চলত চৰাব (গ্ৰেজিং কৰাব) পাৰে।

এই বিলাক সুবিধা তেখেত সকলে পাই আছে।

(ঘ) এই মহকুমাৰ অধিনত তেনে কোনো ৰাভা বা যাং নাং বনাঞ্চল নাই।

(ঙ) প্ৰশ্ন নুঠে।

বিষয় ঃ অসম টি এমপ্লয়িজ বেলফেয়াৰ ব'ৰ্ড ।

Shri Rameswar Dhanowar asked :

*৪৫১ । মাননীয় শ্ৰম মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

আসাম টি এমপ্লইজ বেলফেয়াৰ ব'ৰ্ডে ১৯৮৪ চনৰ পৰা ১৯৮৮ চনলৈকে কেইটা চকু চিকিৎসা শিবিৰ পাতিছিল ?

( বছৰৰ হিচাব ভাগ ভাগকৈ দিব )

প্ৰতিটো শিবিৰত কিমান ৰোগী চিকিৎসা কৰা হল ?

শ্ৰীবাৰ্কা প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৯৮৪ চনত—১ টা শিবিৰ ।
১৯৮৫ চনত—১৪ টা " ।
১৯৮৬ " — ১ টা " ।
১৯৮৭ " নাই ।
১৯৮৮ " — " ।

| | | | |
|---|---|---|---|
| শিলচৰ ৰেডক্ৰচ হস্পিতাল | | (৫.৫।৮৪) | ২৬১ জন । |
| ডুমডুমা বাগিচা হস্পিতাল | | ( ৪।১।৮৫ ) | —২৭৫ জন । |
| বৰহল্লি | " " | ( ১৮।১।৮৫ ) | — ১৮১ জন । |
| ডুমুৰদলং | " " | ( ২৭।১।৮৫ ) | —১৪০ জন । |
| মোনাবাৰী | " " | ( ১৫।১।৮৫ ) | -২৪৪ জন । |
| মাইজান | " " | ( ২৩।২।৮৫ ) | -১০৭ জন । |
| চাবুৱা | " " | ( ১১।৩।৮৫ ) | ১২৯ জন । |
| দেওহাল | " " | ( ২৭।৩।৮৫ ) | —১৫৩ জন । |
| লাহৱকটীয়া | " " | ( ৫।৪।৮৫ ) | — ৯৭ জন । |
| বাহিপুখুৰী | " " | ( ৪।৪।৮৫ ) | —১৪৮ জন । |
| শিলচৰ ৰেডক্ৰচ | " | (১৮।৪।৮৫ ) | — ৫১ জন । |
| চাল্‌না বাগিচা | " | ( ২।১০।৮৫ ) | —১৮৩ জন । |
| কাকজান | " " | ( ২।১১।৮৫ ) | —২০৯ জন । |
| চাংচোল্লা | " " | (২৩।১১।৮৫) | - ১২৪ জন । |
| বিহৰা | " " | (৩০।১১।৮৫) | —২০৫ জন । |
| চাইফ্ৰাই | " " | ( ২৩।২।৮৬) | — ৩১১ জন । |

মুঠ—২৮১৮ জন ।

ৰিষয় ঃ প্লাইউদ ফেক্টৰী ।

শ্ৰীনৰেন তাঁতীয়ে সুধিছে ঃ

* ৪৫২। মাননীয় শ্ৰম মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৰহাট জিলাৰ মৰিয়নিত থকা প্লাইউদ ফেক্টৰীটো তলা বন্ধ হৈ থকাটো চৰকাৰে জানেনে ?

(খ) যদি জানে উক্ত ফেক্টৰীটো খোলাৰ ব্যৱস্থা লৈছে নেকি ?

(গ) যদি লোৱা হোৱা নাই, কিয় লোৱা নাই ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, জানে ।

(খ) তলাবন্ধ লৈ হোৱা শ্ৰমিক-মালিক বিবাদটো ঔদ্যোগিক ট্ৰাইবুনেলত বিচাৰৰ বাবে প্ৰেৰণ কৰা হৈছে। আৰু সেই পৰিপ্ৰেক্ষিতত ঔদ্যোগীক বিবাদ আইনৰ (১৯৪৭) ধাৰা ১০ (৩) অনুসৰি তলাবন্ধ নিসিদ্ধ কৰি অধিসূচনা যোৱা ২৬।৪।৮৯ তাৰিখত দিয়া হৈছে আৰু সেইমতে প্লাইউদ ফেক্টৰীটো তলাবন্ধ হৈ থাকিব নালাগে ।

(গ) প্ৰশ্ন নুঠে ।

**Re : Maintenance of Government Quarter.**

Shri Ardhendu Kumar Dey asked :

* 53. Will the Minister, P. W. D. be pleased to state :

a) What is the total amount of money spent for the maintenance/renovation of Government quarter at which Shri S. D. Phene, I. A. S., is staying from June, 1983 to 31st March, 1988 ?

b) What is the total amount spent for the maintenence/renovation of the same Government quarter at which Shri Phene is staying from July, 1988 to 15th March, 1989 ?

c) Is it a fact that when Government was minimising/cutting all possible expenses due to financial

difficulties a huge amount of money had been spent for the renovation/beautification and maintenance of Government quarters at which Shri S. D. Phene is staying at present ?

d) Is it a fact that a large number of expensive iteams like refrigerators, carpets, electric fans, air-conditioners furniture had been removed from the official quarter of Chief Secretary at Kharghuli to the quarter of Shri S. D. Phene during the tenure of Shri Phene as Chief Secretary ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সৰ্বমুঠ ৫৫,৬৩২ টকা খৰচ কৰা হয়।

(খ) মুঠ ২০ ৬৪৭ টকা খৰচ হৈছিল।

(গ) ন্যূনতম চাহিদা অনুসৰিহে মেৰামতি ইত্যাদিৰ কাম কৰিবলগীয়া হৈছিল।

(ঘ) ১) খাৰঘুলীৰ মুখ্য সচিবৰ বাসস্থানৰ পৰা দুটা 'উইনদ টাইপ' শীত-তাপ নিয়ন্ত্ৰক যন্ত্ৰ (Air-Conditioner) উঠাই নি শ্ৰীএচ ডি, ফেনী মুখ্য সচিবৰ দিচপুৰৰ বাসভৱনত লগোৱা হয়।

(২) কিছুমান সামগ্ৰী যেনে, আচবাব, দলিচা, ফ্ৰীজ, পৰ্দা আদি খাৰঘুলীত থকা মুখ্য সচিবৰ বাসভৱনৰ পৰা শ্ৰীএচ, ডি, ফেনীৰ দিচপুৰৰ বাসভৱনলৈ স্থানান্তৰিত কৰা হয়।

Dr. Ardhendu Kumar Dey : Mr. Speaker Sir, Hon'ble Minister has admitted that about Rs. 55,632·00 was spent for maintenance of the residence of the Chief Seceretary at Kharguli. Then he also admitted that valuable articles like air conditioner, freeze, curtains and curpets were brought from the Chief Secretaric's residence to the present resident of Mr. Phene. Will the Minister also admit that this type of action by an I. A. S. Officer is a corrupted one and will he admit that this is an illegal action ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত যিটো টকা খৰচ

কৰা হৈছে সেই টকাটো ১৯৮৩ চনৰ জুন মাহৰ পৰা ১৯৮৮ চনৰ ৩১ মাৰ্চৰ ভিতৰত খৰচ কৰা হৈছে। এই প্ৰসংগত আৰু এটা কথা কব পাৰি যে মুখ্য সচিবৰ খাৰঘুলীত থকা বাসভৱনৰ পৰাহে এই বস্তুখিনি উক্ত মুখ্য সচিবৰ দিচপুৰত থকা বাসভৱনলৈ স্থানান্তৰ কৰা হৈছিল।

শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে : অধ্যক্ষ মহোদয়, এইটো এটা বৰ অনিয়মীয়া কথা হৈছে আৰু তাৰ কাৰণে বৰ্ত্তমানৰ মুখ্য সচিব খাৰঘুলীত থকা মুখ্য সচিবৰ বাস ভৱনত থাকিব নোৱাৰি অন্য ক'ৰবাত থাকিবলগীয়া হৈছে। এইটো এটা সাধাৰণ কথা নহয় – এঠাইৰ বস্তু আন এঠাইলৈ স্থানান্তৰ কৰা কথাটো কেতিয়াও নীতিগত হব নোৱাৰে। সেই কাৰণে মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি এটা অনুসন্ধান কৰিবনে যে কিয় এই বস্তুবোৰ এঠাইৰ পৰা আন ঠাইলৈ অনা হ'ল ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী : অধ্যক্ষ মহোদয়, শ্ৰীফেনী যেতিয়াৰ পৰা পাৰ্বত্য অঞ্চলৰ আয়ুক্ত হিচাবে আছিল তেতিয়াৰ পৰাই এই বাসগৃহটো ব্যৱহাৰ কৰিছিল আৰু মুখ্য সচিব হোৱা কালতো তেখেতে সেইটো ব্যৱহাৰ কৰিছিল। তেখেত যেতিয়া মুখ্য সচিব হয় তেতিয়া সেই বাসগৃহটোকেই কিছু উন্নত কৰি দিয়া হৈছিল। আমাৰ বিধায়কসকলৰ তেনে কৰা হয়—তেওঁলোক যেতিয়া মন্ত্ৰী হয় তেতিয়া সেই বাসগৃহটোকে কিছু মেৰামতি আৰু আচবাবপত্ৰ দি উন্নত কৰি দিয়া হয়। ঠিক সেইদৰেই শ্ৰীফেনীৰ ক্ষেত্ৰতো এই বাসগৃহটোকে কিছু উন্নত কৰি দিয়া হৈছিল। এনেকৈ আচবাব পত্ৰ যোগান ধৰাটোত কোনো অনিয়ম হৈছে বুলি নাভাবো।

**Re : Boarder Road Construction Division & Sub division**

Shri Monilal Gowala asked :

*454. Will the Minister, P. W. D. be pleased to state :

(a) Whether one Boarder Road Construction Division and Two Sub-divisions have been opened at Patherkandi under Karimganj District ?

(b If so, whether interview has been taken for Grade IV posts ?

(c) If so, would the Government consider the candidature of Tea and Ex-Tea Garden community on priority basis ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) হয়।

(গ) প্ৰচলিত নিয়ম অনুসৰি ব্যৱস্থা লোৱা হব।

Shri Monilal Gowala : Mr. Speaker, Sir, May I know from the Hon'ble Minister whether appointments for Grade IV have already been made ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, লিষ্টখন সম্পূৰ্ণ হৈছে, লিষ্টখনত এক্স টি গাৰ্ডেনৰ দুজন আৰু টি গাৰ্ডেনৰ দুজনৰ নাম আছে। ৰিজাৰ্ভেছনৰ যি বিধি আছে সেই বিধিমতে, যাতে কাম কৰা হয় তাৰ ব্যৱস্থা কৰা হৈছে। চাহ বাগিছাৰ প্ৰাৰ্থী বঞ্চিত নহব।

Shri Monilal Gowala : So far as I know, appointments have already been made. So, whether Hon'ble Minister would look into it ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : এখন লিষ্ট অনুমোদন কৰা হৈছে। এতিয়া তেখেতে কৈছে যে নিযুক্তি দিয়া হৈছে। তেনেহলে ৰেগুলাৰ নিযুক্তিৰ সময়ত বিবেচনা কৰিব লাগিব। মই জনাত নিযুক্তি হোৱা নাই, তেখেতে তথ্য ক'ত পালে নাজানো, কথাটো সঁচা নহয় যেন লাগে।

## বিষয় : নগৰবেৰা- টিপলাই বাস্তাত দলং।

শ্ৰীগোপীনাথ দাসে সুধিছে :

* ৪৫৫ মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কামৰূপ জিলাৰ বকো সমষ্টি আৰু গোৱালপাৰা জিলাৰ দুধনৈ সমষ্টিৰ অন্তৰ্গত "নগৰবেৰা টিপলাই ৰাস্তাত টিপলাই-সাপ্তাহিক বজাৰৰ ওচৰত এখন দলঙৰ প্ৰয়োজনীয়তাৰ কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে চৰকাৰে ১৯০৯-৯০ চনৰ বিত্তীয় বছৰত দলংখন নিৰ্মাণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীঅতুল বৰা গড়কাপ্তানী মন্ত্ৰী য়ে উত্তৰ দিছে :

(ক) হয়, জানে।

(খ) আৱশ্যকীয় পুঁজি পালে বিবেচনা কৰিব পৰা যাব।

শ্ৰীগোপীনাথ দাস : অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো মই ১৯৮৬ চনতো কৰিছিলো। মন্ত্ৰী মহোদয়ে ঠিক আজিৰ নিচিনাই উত্তৰ দিছিল। এই ৰাস্তাটো এটা গুৰুত্বপূৰ্ণ ৰাস্তা, কাৰণ দুখন জিলাক সংযোগ কৰিছে। কিন্তু আচল সমস্যাটো হৈছে দলংখন। এই দলংখন এতিয়া গুৱাহাটী ডিভিজনে

কয় যে আমাৰ এৰিয়াৰ ভিতৰত নপৰে আৰু গোৱালপাৰা ডিভিজনে কয় যে আমাৰ এৰিয়াৰ নহয়। গতিকে এই দলংখনৰ কাৰণে মন্ত্ৰী মহোদয়ে স্পেচিয়েল মঞ্জুৰী দি হলেও দুয়োখন জিলাৰ মাজত যান-বাহনৰ সংযোগৰ ব্যৱস্থা কৰি দিবনে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয় এই দলংখন সামান্য টকাৰে নহয় । দলংখনৰ প্ৰাক্কলনমতে ৭ লাখ ৩৫ হাজাৰ টকা লাগে । কিন্তু ইমান টকা আমি খৰচ কৰিব নোৱাৰো । আমি সোনকালে কৰিব পাৰিলে ভাল আছিল । কাৰণ বছৰে বছৰে প্ৰাইচ এস্কালেচন হৈ আছে । আমি সোনকালে কৰাৰ ব্যৱস্থা কৰি আছো । কিন্তু টকাৰ অভাৱত কৰিব পৰা নাই । আচলতে গড়কাপ্তানী বিভাগক যিমান টকা দিব লাগে সিমান টকা নিদিয়ে, আমি মেণ্টেনেঞ্চ গ্ৰাণ্টৰ কাৰণেই ৩ কোটি টকা নাপালো প্লেনটো মাত্ৰ ২০ কোটি দিছে । গতিকে টকাৰ অভাৱ থাকিবই ।

শ্ৰীগোপী নাথ দাস : অধ্যক্ষ মহোদয়, টকাৰ সমস্যা আজিৰ নহয়, বহু দিনীয়া সমস্যা । এই দলঙখনৰ কথাটো সহানুভূতিৰে বিবেচনা কৰিলে ভাল হয়, ৰাইজৰ বৰ উপকাৰ হয় ।

শ্ৰীঅতুল বৰা (মন্ত্ৰী : মই কাহানিও সহানুভূতিৰে বিবেচনা নকৰো বুলি কোৱা নাই । বিবেচনা কৰাৰ প্ৰয়োজন আছে । সেই কাৰণে চেষ্টা কৰিম বুলি কৈছো ।

শ্ৰীচিলভিয়াছ কন্দপান : অধ্যক্ষ মহোদয়, আজি তিনি বছৰে গড়কাপ্তানী মন্ত্ৰী মহোদয়ে কোনো এটা প্ৰশ্নৰ উত্তৰতে পুঁজি আছে বুলি কোৱা নাই । প্ৰতিটো চেচনতে প্ৰতিটো প্ৰশ্নৰ উত্তৰতে পুঁজি নাই বুলি কৈ আছে । যদি সঁচাকৈ পুঁজি নাই এইটো বৰ ডাঙৰ কথা । কোনোদিনে কোৱা নাই যে টকা দিম, কিছু কাম কৰিম । সদায় পুঁজি নাই । It is a very serious thing.

শ্ৰীঅতুল বৰা (মন্ত্ৰী : অধ্যক্ষ মহোদয়, এগৰাকী মাননীয় সদস্যই যেতিয়া প্ৰশ্ন কৰে তেতিয়া তেখেতৰ সমষ্টিৰ যিখিনি কাম কৰা হৈছে বা কৰি থকা হৈছে সেই খিনিৰ বিষয়ে প্ৰশ্ন নকৰে, প্ৰশ্ন কৰে যিখিনি কাম হোৱা নাই বা বছৰি বছৰি চেষ্টা কৰি থকা হৈছে, চৰকাৰে দিব পৰা নাই । সেইখিনিৰ কাৰণে প্ৰশ্ন কৰে । গতিকে তেনে ক্ষেত্ৰত উত্তৰটো পুঁজি নোহোৱা বা নাই বুলিয়ে কোৱাটো স্বাভাৱিক ।

## বিষয় ঃ গোলাঘাট সমষ্টিৰ ৰাষ্টা পকীকৰণ ।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে ঃ

*৪৫৬। মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৬ ৮৭, ১৯৮৭ ৮৮ আৰু ১৯৮৮-৮৯ চনৰ বাৰ্ষিক পৰিকল্পনাত গোলাঘাট সমষ্টিৰ পৌৰ এলেকাকে ধৰি অন্যান্য এলেকাৰ কোন কেইটা গড়কাপ্তানী পথ ৰাজ্য চৰকাৰে পকীকৰণ কৰিলে ? (সৰ্বমুঠ কিমান কিলোমিটাৰ পথ পকীকৰণ কৰা হ'ল তাৰ পৰিমাণ দাখিল কৰিব ।

(খ) ১৯৮৮-৮৯ চনৰ বাৰ্ষিক পৰিকল্পনাত গোলাঘাট সমষ্টিৰ কোন কোন পথ বিশেষভাৱে পকীকৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে ?

শ্ৰীঅতুল বৰা গড়কাপ্তানী মন্ত্ৰী য়ে উত্তৰ দিছে ঃ

(ক) (১) ১৯৮৬ ৮৭ চনত গোলাঘাট সমষ্টিত পৌৰ এলেকাকে ধৰি মুঠ ৩.২৩ কিলোমিটাৰ পথ পকী কৰা হয় । (২) ১৯৮৭-৮৮ চনত ১.৪৫ কিঃ মিঃ পথ কৰা হয় আৰু ০ ৮৩৫ কিঃ মিটাৰৰ কাম চলি আছে । (৩) ১৯৮৮ ৮৯ চনত ২.৬৬ কিঃ মিঃ পথৰ কাম আৰম্ভ কৰা হৈছে । (সৰ্ব্বমুঠ ৪ ৬৮ কিঃ মিঃ পথৰ পকীকৰণ সম্পূৰ্ণ কৰা হ'ল আৰু ৩.৪৯৪ কিঃ মিঃ পথৰ কাম চলি আছে)

(খ) ১) ঘিলাধাৰী আলিৰ ০.৫০ কিঃ মিঃ (২) গোলাঘাট-ডিমাপুৰ পথৰ ০ ৫৫ কিঃ মিটাৰ, (৩) ৰমাকান্ত বৰুৱা পথৰ ০.৪০ কিঃ মিঃ, (৪) শালিকীপট্টী পথৰ ০.৬০ কিঃ মিটাৰ (৫) আঠখেলীয়া নামঘৰ পথৰ ০ ৫০ কিঃ মিটাৰ, ৬) শ্বহিদ তপনজ্যোতি কলিতা পথৰ ০.৩০ কিঃ মিটাৰ পথ ।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী ঃ অধ্যক্ষ মহোদয়, গোলাঘাটত যিমান পকা ৰাস্তা কৰা হৈছে সেই তুলনাত বিৰোধী দলৰ সদস্যসকলৰ সমষ্টিত অন্য ৰাস্তা কৰাও নাই এই কথা সঁচানে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ গোলাঘাট জিলাখন সীমান্ত জিলা হিচাবে কিছু অগ্ৰাধিকাৰ পাইছে ।

## বিষয় ঃ চাহ বাগিছাৰ সংখ্যা ।

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) য়ে সুধিছে ঃ

*৪৫৭। মাননীয় শ্রম মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান অসমত কিমানখন মালিকনা আৰু কোম্পানীৰ অধীনত চাহ বাগিছা আছে।

(খ) বৰ্ত্তমানলৈকে কিমানখন চাহ বাগিছাত Labour Welfare Officer (শ্ৰম কল্যাণ বিষয়া) নিযুক্তি দিয়া হৈছে ?

(গ) এতিয়ালৈকে যিবোৰ চাহ বাগিছাত Welfare Officer নিযুক্তি দিয়া হোৱা নাই, সেই বাগিছাবিলাকত এনে বিষয়া নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(ঘ) অসমত থকুৱা লোকক বঞ্চিত কৰি কিছুমান বাগিছাই Head Office ৰ নামত কলিকতাত Welfare Officer নিযুক্তিৰ সাক্ষাৎকাৰ লৈ নিযুক্তি দিয়া কথাটো সঁচানে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম ও নিয়োগ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমান অসমত ৪৭৬ খন কোম্পানীৰ অধীনত আৰু ২৮৬ খন বাগিছা মালিকনাৰ অধীনত আছে।

(খ) বৰ্ত্তমানলৈকে ১৪০ খন চাহ বাগিছাত শ্ৰম কল্যাণ বিষয়াক নিযুক্ত দিছে।

(গ শ্ৰম কল্যাণ বিষয়া নিযুক্ত নোপোৱা বাগিছাসমূহত নিযুক্তিৰ প্ৰয়োজনীয় ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে।

(ঘ) এই বিষয়টো বৰ্ত্তমান এই বিভাগৰ দৃষ্টি গোচৰলৈ অহা নাই ।

শ্ৰীকুমুদ্বৰ টাইৰাই গগৈ ঃ অধ্যক্ষ মহোদয়, বিষয়টো অতি জৰুৰী। মন্ত্ৰী মহোদয়ে কৈছে যে কোম্পানীৰ অধীনত ৪৪৬ খন আৰু মালিকনাৰ অধীনত ২৮৬ খন বাগিছা আছে। এই বাগিছা সমূহৰ কাৰণে মাত্ৰ ১৭০ জন ৱেলফেয়াৰ অফিচাৰ নিযুক্তি হৈছে। গতিকে বাকীখিনিত এতিয়ালৈকে কিয় দিব পৰা হোৱা নাই ? মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো চাহ বাগিছাসমূহত ৱেলফেয়াৰ অফিচাৰ নিযুক্তিৰ সংক্ৰান্তত বিভাগে ব্যৱস্থা লৈছে বুলি কৈছে, কি ব্যৱস্থা লৈছে জনাবনে ?

শ্ৰীবাৰ্কি প্ৰসাদ তেলেংগা মন্ত্ৰী) ঃ মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত এটা কথা কব বিচাৰিছো চাহ বাগিছাসমূহ কোম্পানী আৰু মালিকনাৰ অধীনত। তেওঁলোকে বাছনি পৰীক্ষা পাতি সেইমতে ৱেলফেয়াৰ অফিচাৰ নিয়োগ কৰিব। চৰকাৰে মাত্ৰ চোৱাচিতা কৰিব লাগে। যদি কোনোবাই

আইন উলংঘা কৰিছে তেনেহলে সেইমতে চৰকাৰে ব্যৱস্থা লব। এনে ২২ খন বাগিছাৰ ওপৰত চৰকাৰে গোচৰ ৰজু কৰিছে। সেইবিলাক বাগিছাত ৱেলফেয়াৰ অফিচাৰ নিযুক্তিৰ সংক্ৰান্তত আমি বিষয়টো ষ্টেণ্ডিং কমিটিতো আলোচনা কৰিছো আৰু অন্যান্য আলোচনা আদিও কৰিছো, ত্ৰিপাক্ষিক আলোচনা পৰ্য্যন্ত হৈছে। এতিয়া আমাক মেনেজমেণ্টে আশ্বাস দিছে যে তেওঁলোকে কামত আগবাঢ়ি আছে।

শ্ৰীকুসুমৰ টাইৰাই গগৈ : ব্যৱস্থা লৈছো বুলি কৈছে, কি ব্যৱস্থা লৈছে? বাগিছা বিলাকৰ হেড অফিচ কলিকতা। সাক্ষাৎকাৰ কলিকতাত লব আৰু তাৰ পৰা নিযুক্তি হব। থলুৱালোকে সাক্ষাৎকাৰত সুবিধাই নাপায়। এই খেলি-মেলিবিলাক কিয় হ'ল অসম চৰকাৰে তাত হস্তক্ষেপ কৰিব পাৰে নে নোৱাৰে।

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সাক্ষাৎকাৰ কলিকতাত পতা এই ধৰণৰ কোনো অভিযোগ পোৱা নাই। অভিযোগ নাপালে আমি একো কৰিব নোৱাৰো কোনোবাই যদি ৱেলফেয়াৰ অফিচাৰ লোৱাত হেমাহী কৰিছে তেতিয়া ব্যৱস্থা লব পাৰি। ১৯৫১ চনৰ চাহ শ্ৰমিক আইনৰ ৩৬ নং ধাৰা অনুযায়ী আইন ভঙ্গকাৰী যিকোনো কৰ্ত্তৃপক্ষক তিনিমাহ জেল আৰু ৫০০ টকাৰ জৰিমনা কৰিব পাৰে। ১৯৭৭ চনৰ অসম বাগিছা বিধিখন ১৯৮৩ চনত ১৫ আগষ্ট তাৰিখৰ পৰা বলবৎ কৰা হৈছে। অধিসূচনা নং জি এল আৰ (আৰচি. ৪২ ৮৩/১২৯ তাং ৫।৮ ৮৩ চন।

শ্ৰীকুসুমৰ টাইৰাই গগৈ : ইতিমধ্যে ৪৪৬ খন চাহ বাগিছাৰ ভিতৰত ১৪০ খনৰ নিয়োগ কৰা হৈছে। আৰু ৩০৬ খন বাকী আছে। এই ৩০৬ খন বাগিছাত ৩০৬ জন অসমীয়া আৰু অসমতে সাক্ষাতকাৰ লোৱাৰ ব্যৱস্থা কৰিব নেকি? মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পৰবৰ্ত্তী ষ্টেণ্ডিং লেবাৰ কমিটিত এই বিষয়ে আলোচনা কৰিম।

শ্ৰীপদ্ম নাথ কৈৰী : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, আমাৰ অসমতে ইণ্টাৰভিউ হলেও প্ৰাৰ্থী কিন্তু অসমৰ নহয়, বাহিৰৰ পৰাহে আহে। তাৰোপৰি পশ্চিমবঙ্গত যদি সাক্ষাৎকাৰ হয় আমাৰ অসমৰ প্ৰাৰ্থীয়ে তাত সুযোগ নাপায়।

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী : মাননীয় অধ্যক্ষ মহোদয় এই বিষয়ে আমাৰ লিখিত ভাৱে দৃষ্টি গোচৰ হোৱা নাই। গতিকে এই পৰিপ্ৰেক্ষিতত শ্ৰম আয়ুক্তৰ অফিচত গোচৰ দিলে ব্যৱস্থা লব পৰা হব।

শ্ৰীবলভদ্ৰ তামুলী : অধ্যক্ষ মহোদয়, চাহ বাগান বিলাকত চৰকাৰে নিয়োগ ব্যৱস্থা নকৰা কাৰণে যিসকল লেবাৰ অফিচাৰ থাকে তেওঁলোক লেবাৰৰ কামত নখটুৱাই ফেক্টৰী বা পাত তুলাতহে কামত লগায়। যিহেতুকে তেওঁলোকে নিজৰবিয়াকৈ নিয়োগ কৰে তেওঁলোকক চাকৰিৰ পৰা বৰ্খাস্ত কৰা-টোতো সুবিধা হয়। গতিকে এনে বিলাক খেলিমেলি পৰিপ্ৰেক্ষিতত অসম চৰকাৰে নিয়োগৰ ব্যৱস্থা হাতত লোৱাৰ ব্যৱস্থা কৰিব নেকি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় কথাটো মই চাম।

শ্ৰীমণিলাল গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, কিছুমান চাহ বাগিচাত লেবাৰ অফিচাৰ নিয়োগ কৰিব পৰা নাই তেনে ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা লবনে?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত চাহ শ্ৰমিক কোৰপোৰেচন বিলাকে নিযুক্তি দিয়ে। গতিকে এই বিষয়ে তেওঁলোকক অবগত কৰিব লাগিব।

শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, অসমত ওৱেল-ফেয়াৰ অফিচাৰৰ সংখ্যা কিমান আছে? মাননীয় মন্ত্ৰী মহোদয়ে কলিকতাত সাক্ষাতকাৰ হোৱা দৃষ্টিগোচৰ নোহোৱাৰ কথা কৈছে। কিন্তু ১৯৭৭ চনত খোৱাং চাহ বাগিছাৰ অভিযোগৰ কথা কিয় মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ নহল? মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে যে প্ৰত্যেক চাহ বাগিছাতে লেবাৰ ওৱেলফেয়াৰ অফিচাৰ নিযুক্তি দব লাগে?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে এটা নীতি আছে। গতিকে বেলেগে প্ৰশ্ন দিলে জনাব পাৰিম।

শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো বিধিৰ কথা কৈছে সেই বিধিটো নজনাৰ ফলতেই ঠলুৱা লৰা ছোৱালীৰ নিয়োগৰ ক্ষেত্ৰত খেলিমেলি হৈছে। গতিকে মন্ত্ৰী মহোদয়ে আমাক বিধিটো

অবগত কৰিব লাগে।

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী। মাননীয় অধ্যক্ষ মহোদয়, মই গোটেই বিধিটো পঢ়ি দিব বিচাৰিছো।

মাননীয় অধ্যক্ষ : বিধিটো সদনৰ মেজত পেচ কৰিব। এতিয়া ইয়াৰ পাচৰ প্ৰশ্ন।

বিষয় : Agril S.D.O. Office.

শ্ৰীশ্বেখ ছামান আলীয়ে সুধিছে,

*৪৫৮। মাননীয় কৃষি মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কেৱল গোৱালপাৰা মহকুমাক সামৰি গোৱালপাৰা Agril. S.D.O. (M) অফিচখনক Agril Executive Engineer (Mech) office লৈ উন্নিত (Upgraded) কৰৰ চিন্তা চৰকাৰে কৰিছেনে?

(খ) যদি কৰিছে, কেতিয়া ইয়াক কাৰ্য্যকৰী কৰা হব?

শ্ৰীদেৱকুমাৰ বৰা কৃষি মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমানলৈ চৰকাৰে এই বিষয়ে কোনো পৰিকল্পনা লোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

শ্ৰীশ্বেখ ছামান আলী : অফিছটো গোৱালপাৰা জিলাৰ গোৱালপাৰালৈ অনাৰ চিন্তা কৰা নাই বুলি কৈছে। অবিভক্ত গোৱালপাৰা জিলা হৈ থাকোতে উক্ত অফিছটো কোকৰাঝাৰ জিলাত আছিল। যদি তাৰ এই অফিছটো গোৱালপাৰাত স্থাপন কৰিব নোৱাৰি তেন্তে কোকৰাঝাৰ জিলাৰ পৰা চিফ্ট কৰি আনি গোৱালপাৰাত স্থাপন কৰাৰ ব্যৱস্থা কৰিব নেকি?

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী : গোৱালপাৰা মহকুমাত এগ্ৰিল ইঞ্জিনিয়াৰিং একজিকিউটিভ অফিছ নোহোৱা বাবে কিবা অসুবিধা হৈছেনেকি তাক অনুসন্ধান কৰি কেনে ব্যৱস্থা লব পাৰি চাম।

Starred question No. 459 was not called for. However, written replies deemed to have been laid on the table as follows :

বিষয় : ভুৰাগাওঁ বৰালীয়াবী পথ।

শ্ৰীআবদুল জলিলে সুধিছে :

* ৪৫৯। মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ে অনুগ্ৰহকৰি জনাবনে :

ক) বান বিধস্ত ভুৰাগাওঁ বৰালীয়াৰী পথৰ ১৯৮৪-৮৫ আৰু ১৯৮৫-৮৬ চনত

কিমান টকাৰ প্ৰাক্কলন অনুমোদিত হৈছিল ?

(খ) উক্ত পথত কি কি কাম কৰা হ'ল আৰু কিমান টকা খৰচ কৰা হ'ল ?

(গ) উক্ত পথত কৰা কামৰ বিল সকলো ঠিকাদাৰকে আদায় দিয়া হৈছিল নে ?

(ঘ) উক্ত পথত যোগান ধৰিব লগা শিল, বল্ডাৰবোৰ পথত যোগান ধৰিব দিয়া স্বত্বেও কিয় ভূৰাগাওঁ ডাক বঙলাত যোগান লোৱা হ'ল ?

(ঙ) ভূৰাগাওঁ ডাক বঙলাত কিমান পৰিমানৰ শিল আৰু বল্ডাৰ যোগান লোৱা হৈছিল ?

(চ) উক্ত শিল, বল্ডাৰ উক্ত পথত কাম নকৰি কিয় আৰু কলৈ স্থানান্তৰিত কৰা হ'ল ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৮৪-৮৫ চনত ৩০০,০০০.০০ টকাৰ আৰু ১৯৮৫-৮৬ চনত ১,৩৫,০০০.০০ টকাৰ প্ৰাক্কলন আছিল।

(খ) উক্ত পথত মাটিৰ কাম, শিল সংগ্ৰহ, পেলেচাইদিং, পকাপুল আৰু দলং আদিৰ মেৰামতিৰ কাম কৰা হয় আৰু উক্ত কামত সৰ্ব্বমুঠ ৪ ৩৪,৪০২.০০ টকা খৰছ হয়।

(গ) টকাৰ নাটনি হেতু ৪,৪১,৭৫৫ টকা অনাদায় বিল আছে।

(ঘ) উক্ত পথ বানপানীত ক্ষতিগ্ৰস্ত হোৱা হেতুকে ঠিকাদাৰ সকলে সকলো ঠাইতে শিল, বল্ডাৰৰ গাড়ী চলাচল কৰিব নোৱাৰাত ভূৰাগাওঁ ডাক বঙলাতেই মজুত কৰিব লগা হৈছিল।

(ঙ) ভূৰাগাওঁ ডাক বঙলাৰ চৌহদত ১৫২.২৪ ঘনমিটাৰ শিল আৰু ১১৪.০৮ ঘনমিটাৰ বল্ডাৰ সংগ্ৰহ কৰা হৈছিল।

(চ) ১৯৮৭ চনত বানপানীত নগাওঁ ভূৰাগাওঁ পথত অবস্থিত ৪০।১ নং দলং খন বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। ফলত নগাওঁ টাউনৰ লগত পশ্চিম অঞ্চলৰ যাতায়ত ব্যাহত হয়। উক্ত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সেই দলংত বল্ডাৰবোৰ খৰছ কৰা হয় আৰু শিলবিলাক লাহৰিঘাট খণ্ডলৈ বদলি কৰণ কৰা হয়।

**Re : Mandia Denga P.W.D. Road.**

Shri Sheikh Abdul Hamid asked :

REFERENCE,
(NOT FOR ISSUE)



READING ... LIBRARY

*360. Will the Minister, PWD be pleased to state:

(a) Whether it is a fact that Mandia-Dongra P.W.D road is one of the main roads of No. 45 Baghbar Constituency?

(b) Is it also a fact that the above road has been damaged by the flood of 1957?

(c) Is it also a fact that F.D.R. grant was sanctioned for repairing and work allotted to contractors?

(d) If so, what was the amount sanctioned spent and the progress made thereof?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) হয়।

খ) হয়।

গ) হয়।

ঘ) স্থায়ী মেৰামতিৰ বাবে মুঠ ১৪১,৬৯২ টকা অনুমোদন দিয়া হৈছে আৰু মেৰামতিৰ কাম চলি আছে। এই অনুমোদনৰ বিপৰীতে এই বছৰ বান শিতানৰ পৰা যোৱা মাৰ্চ মাহলৈ কোনো খৰচ হোৱা নাই। কামৰ অগ্ৰগতি প্ৰতিয়ালৈ ৫৫ শতাংশ হৈছে।

শ্ৰীশ্বেখ আব্দুল হামিদ: বৰপেটাৰ লগত সংযোগৰ বাবে মাত্ৰ মন্দিয়া দংগ্ৰা আৰু মান্দিয়া বৌমাৰী পথটো আছে। ১৯৮৭ চনৰ বানপানীত ৰাস্তা বৰ বেয়া হৈছে। মাৰ্চ মাহলৈ কোনো কাম হোৱা নাই। উক্ত পথ দুটাৰ বিষয়ে বাৰে বাৰে কোৱা সত্বেও কাম হোৱা নাই। আইন মন্ত্ৰী আছে। চাব দিভিজনেল প্লেনিং বোৰ্ডও প্ৰস্তাৱো লোৱা হৈছে। গতিকে উক্ত পথ মেৰামতি কৰি যাতায়তৰ ব্যৱস্থা কৰিবনে?

শ্ৰীঅতুল বৰা (মন্ত্ৰী): কাম নকৰাকৈ সম্পূৰ্ণ বিল বিচৰাৰ টনা আজোৰাত কামটোত পলম হৈছে। এতিয়া সোনকালে কামটো কৰিব পৰা হব।

শ্ৰীমুক্তাৰ হুচেইন: এই পথটোৱে মন্দিয়াৰ পৰা বৰপেটা হৈ চেঙাক সংযোগ কৰিছে। স্বাধীনতাৰ পিছতো এই পথেৰে সংযোগৰ ব্যৱস্থা হোৱা নাই। এই বিষয়ত অন্য ঠাইৰ পৰা সাত লাখ টকা আনি দিয়াৰ বাবে

প্লেনিং বোৰ্ডত প্ৰস্তাৱ লোৱা হৈছে। কিন্তু অন্য ঠাইৰ পৰা টকা নাপালে এই যি ডেৰ লাখ টকা ধৰিছে ইয়াৰ দ্বাৰা কোনো কাম নহব। গতিকে পথটোৰ বাবে সম্পূৰ্ণ টকা দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীঅতুল বৰা (মন্ত্ৰী : পথটোৰ গুৰুত্বলৈ চাই আৰু মাননীয় সদস্যৰ অনুৰোধ মৰ্মে ব্যৱস্থা কৰা হব।

## Deferred Starred Questions.

## বিষয় : পাচমাফাপ আঁচনি

কুমাৰ দীপক দাসে সুধিছে :

* ৩৬৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) পাচমাফাপ আঁচনিৰ জৰিয়তে কৃষি বিভাগে ১৯৮৮-৮৯ বছৰত কিমান ধন ব্যয় কৰিলে ?

খ বৰপেটা জিলাৰ কোন কোন ব্লকত এই আঁচনিৰ কাম কৰা হৈছে ?

গ) এই আঁচনি সমূহ ফলপ্ৰসু হৈছেনে ?

ঘ) এই আঁচনিৰ দ্বাৰা বৰপেটা জিলাত কিমানজন কৃষক উপকৃত হৈছে ?

শ্ৰীদেৱ কুমাৰ বৰা (কৃষি মন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) অসমৰ বাবে ১৯৮৮-৮৯ চনত ১৬৪.৫০ লাখ টকা এই আঁচনিৰ বাবে ব্যয় কৰা হৈছে।

খ) বৰপেটা জিলাত নিম্ন লিখিত ব্লক সমূহত এই আঁচনিৰ কাম কৰা হৈছে।

১ ভবানীপুৰ ব্লক।
২ মন্দিয়া,
৩) ৰূপশ্ৰী,
৪) চেঙা,
৫) বজালী,
৬) জালাহ,
৭) বৰপেটা,
৮) গোবৰ্দ্ধনা,

গ) ফলপ্ৰসু হব বুলি আশা কৰা হৈছে।

ঘ) ৯৭৮ জন কৃষক উপকৃত হ'ব।

## UNSTARRED QUESTIONS AND ANSWERS

**Sub : Re : Bridge over river Amjur.**

Sri Abdul Rob Laskar asked :

768. Will the Minister, P.W.D, be pleased to state :

a) Whether the Govt. is aware that a sum of Rs. 5,95,400,00 was sanctioned vide Govt. letter No. DA 5R. 253/82/83 dated 16.3.83 for constructing a class XVIII wooden Sal timber bridge over river Amjur under Silchar road division of Cachar District ?

b) Is it a fact a sum of Rs. 1·50 lakhs had been spent for R. S. Joists which were procured accordingly ?

c) If so, the reasons for not constructing the bridge yet ?

d) Will the Govt. take immediate steps to start the construction of the bridge over river Amjur ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) চৰকাৰৰ চিঠি নং ডি এ ৫ আৰ ২৫৩।৮১।১৩ তাং ১৬-৩-৮৮ৰ জৰিয়তে দলংখন নিৰ্মানৰ বাবে ৫,৯৫,৪০০ টকাৰ অনুমোদন দিয়া হৈছিল।

খ) হয় ।

গ) দলংখনৰ দৈৰ্ঘ্য অনুমোদিত ৬০ মিটাৰৰ পৰিবৰ্ত্তে ৯০ মিটাৰ প্ৰয়োজন হোৱাৰ বাবে নতুনকৈ মঞ্জুৰীৰ প্ৰয়োজন হ'ব ।

ঘ) আৱশ্যকীয় পুঁজি পালে নতুনকৈ মঞ্জুৰী দি নিৰ্মানৰ কাম হাতত লোৱাৰ কথাটো বিবেচনা কৰিব পৰা যাব ।

**Re : Plain Tribes Welfare Board, Barpeta.**

Shri A. F. Golam Osmani asked :

769. Will the Minister, Welfare of Plain Tribes be pleased to state :

a) Total amount sanctioned and disbursed to Plain Tribals Welfare Board, Barpeta by way of grants either in cash or kind or both to the individuals or institutions in 1986-87 to 1988-89 ?

(Please furnish the names of beneficiaries blockwise with the sums involved respectively.)

Shri P. K. Mahanta (Chief Minister) replied :

The Sub-Divisional Development Board for the Welfare ST (P), Barpeta does not have any fund to sanction and disburse the same by way of grants, either in cash or kind or both to the individuals or institutions. Like every such Sub-Divisional Development Board for the Welfare of ST (P), it is an advisory body. The sanction is accorded by the concerned Administrative Deptt.

Therefore, furnishing the names of the beneficiaries of grants in cash or kind, sanctioned and disbursed by the Sub-Divisional Development Board for the Welfare of the ST(P), Barpeta during the period from 1986-87 to 1988-89 does not arise.

**Re : Seed Farms.**

Shri Maziruddin Ahmed asked :

7.0 Will the Minister, Agriculture be pleased to state

a) How many Seed Farms are in Assam ?

b) What is the total Expenditure in these Farms annually ?

c) What are the different items produced in these Farms ?

d) Whether the Farms are running at a profit or loss ?

Shri Deba Kumar Bora (Minister, Agriculture) replied :

a) There are 32 Seed Farms under Agriculture Deptt. in Assam.

b) The total Budgetory provision and Expenditure under the Scheme for Seed Farms for last three years are given below :—

| | Budgetory Provision | Expenditure |
|---|---|---|
| 1986-87 | 45·00 Lakhs | 44·24 Lakhs |

| | | | | |
|---|---|---|---|---|
| 1987-88 | 55·00 | „ | 47·95 | „ |
| 1988 89 | 60·00 | „ | 27·00 | „ |

c) Following varaities of seeds are produced in these Seed Farms.

1. H. Y. V. Paddy.
2. Mustard.
3. Jute
4. Pulses.

d) Out of the 52 Seed Farms, 20 Sesd Farms are showing marginal profit and the other 33 Farms are running at a loss.

বিষয় ঃ বন বিষয়াৰ ঘৰ।

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে ঃ

৭৭১। মাননীয় বন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডিব্ৰুগড় জিলাৰ মৰাণ সমষ্টিৰ অন্তৰ্গত মধুপুৰত বন বিভাগৰ দ্বাৰা কেইখনমান আগতে কেইটামান প্ৰকীবৰ নিৰ্মাণ কৰা কথাটো সত্যনে ?

(খ) যদি সত্য, কোন চনত উক্ত ঘৰকেইটা নিৰ্মাণ কৰা হৈছিল ?

(গ) উক্ত ঘৰকেইটা নিৰ্মাণ কৰোতে কিমান টকা খৰচ হৈছিল ?

(ঘ) ঘৰকেইটা কি আঁচনিৰ বাবে নিৰ্মাণ কৰা হৈছিল ?

(ঙ) আঁচনি অনুযায়ী ঘৰকেইটা কামত লগোৱা হৈছেনে ?

(চ) যদি লগাইছে, কি আঁচনিত লগাইছে ?

(ছ) যদি লগোৱা নাই কিয় লগোৱা নাই আৰু চৰকাৰে বৰ্ত্তমান উক্ত ঘৰবিলাকৰ কি ব্যৱস্থা গ্ৰহণ কৰিব ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি বন মন্ত্ৰীয়ে উত্তৰ দিছে ঃ

(ক) সত্য।

(খ) ১৯৮৪-৮৫ চনত।

(গ) মুঠ ২,৩০,০০০.০০ টকা।

(ঘ) বন গাওঁ উন্নয়ণ আঁচনিৰ অধীনত।

(ঙ) বৰ্ত্তমানলৈকে হোৱা নাই।

(চ) প্ৰশ্ন নুঠে ।

(ছ) শিক্ষক আদিৰ নিযুক্তি নোহোৱাৰ বাবে ঘৰকেইটা কামত লগোৱা হোৱা নাই । কিন্তু শিক্ষক আদি নিযুক্তিৰ বাবে শিক্ষা বিভাগৰ লগত যোগাযোগ চলি আছে । এই নিযুক্তি হলেই ঘৰকেইটা উপযুক্তভাৱে ব্যৱহৃত হব ।

**Re : Blacktopping of P. W. D. Ro3d.**

Shri Maulana Abdul Jalil Ragibi asked :

772. Will the Minister P. W. D. be pleased to state :

(a) Whether an amount has been sanctioned for Blacktopping of the P. W. D road fro:n Nilbagan to Murajhar and Murajhar to Devastan ?

(b) If so, what is the anount and when the works will be started ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ৷ মুঠ ৯'৫০ লাখ টকা । কাম আৰম্ভ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে ।

**Ref : Promotion of Scheduled Castes and Scheduled Tribes employees.**

Shri Digendra Purkayastha asked :

773. Will the Minister, P. W. D. be pleased to state :

(a) How many vacancies are still to be filled up in various cadre by promotion under the Scheduled Caste and Scheduled Tribes (Reservation of vacancies in Services and posts) Act. 1978, including back-logs ?

(b) Why the Officers eligible for promotion under the provisions of this Act have not been promoted ?

(c) Whether gradation list including the seniority of the officers from the cadre of Asstt. Executive Engineers

upwards indicating the norms of the officers belonging to Scheduled Castes and Scheduled Tribes are there in the Deptt ?

(d) If so, copies of gradation lists may please be placed on the table of the House ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৭৮ চনৰ অনুসূচীত জাতি আৰু জনজাতি (ভৈয়াম-পাৰ্বত্য) সংৰক্ষিত অধিনিয়ম মতে কোনো পদতে বৰ্ত্তমান বাচনি হোৱা নাই। গতিকে তেওঁলোকৰ প্ৰাপ্য খালী পদৰ এতিয়াই নিৰ্ণয় কৰিব পৰা নেযাব। যাহওঁক আগৰ পৰা বেকলগৰ হিচাব (ৰাজপত্ৰিত বিষয়াৰ ক্ষেত্ৰত) তলত উল্লেখ কৰা হ'ল।

| | অঃ জাতি | জনজাতি (ভৈ) | জনজাতি (পাহাৰ) |
|---|---|---|---|
| ১। মুখ্য অভিযন্তা | ২ | ২ | ১ |
| ২। অতিৰিক্ত মুখ্য অভিযন্তা | | | |
| (ক) অসামৰিক | ২ | ২ | ২ |
| (খ) যান্ত্ৰিক | ১ | ১ | ০ |
| ৩। অধীক্ষক অভিযন্তা | | | |
| ক) অসামৰিক | ৫ | ৩ | ২ |
| (খ) যান্ত্ৰিক | ১ | ১ | ০ |
| (গ) বৈদ্যুতিক | ০ | ১ | ০ |
| ৪। কাৰ্য্যবাহী অভিযন্তা | | | |
| (ক) অসামৰিক | ১৪ | ১০ | ৫ |
| (খ) যান্ত্ৰিক | ১ | ১ | ১ |
| (গ বৈদ্যুতিক | ১ | ১ | ০ |
| ৫। সহকাৰী কাৰ্য্যবাহী অভিযন্তা | | | |
| (ক) অসামৰিক | ৪ | ১০ | ৬ |
| (খ) যান্ত্ৰিক | ০ | ১ | ১ |
| (গ) বৈদ্যুতিক | ১ | ২ | ১ |
| ৬। সহকাৰী অভিযন্তা | | | |

| | | | |
|---|---|---|---|
| (ক) অসামৰিক | ১৭ | ১৫ | ৯ |
| (খ) যান্ত্রিক | ১ | • | ১ |
| (গ) বৈদ্যুতিক | ১ | ১ | ১ |
| ৭। জ্যেষ্ঠ স্থপতিবিদ | ০ | ১ | ০ |
| ৮। স্থপতিবিদ | • | ১ | ০ |
| মুঠ বেকলগ | ৫১ | ৫৩ | ৩০ |

(খ) বিষয়াসকলৰ পদোন্নতিৰ ক্ষেত্ৰত ১৯৭৮ চনৰ অধিনিয়ম মানি পদোন্নতি দিয়া হয় যদিও যোগ্য অযোগ্যতাৰ ক্ষেত্ৰত বিভাগীয় সেৱা বিধিও মানিব লগা হয়।

(গ) সংৰক্ষিত অনুসূচীত জাতি আৰু জনজাতি (ভৈয়াম, পাৰ্ব্বত্য) বিষয়া সকলৰ কাৰণে সুকীয়া গ্ৰেডেচন লিষ্টত উক্ত সম্প্ৰদায়ৰ বিষয়াসকলৰ নাম সন্নিবিষ্ট আছে। সেই কেইজনৰ নামৰ এখন তালিকা লগতে দিয়া হ'ল।

(See Annexure – IV)

(ঘ) ওপৰৰ 'গ'ৰ উত্তৰত দিয়া হ'ল।

Unstarred Question No. 774 was disallowed.

**Re : Gram Sevak under D. A. O. Karimganj.**

Shri Abdul Muqtadir Choudhury asked :

775. Will the Minister, Agriculture be pleased to state :

(a) The number of Gram Sevaks under D.A.O. Karimganj ?

(b) How many Gram Sevak quarter within Karimganj District are lying vacant ?

Shri Deba Kumar Bora (Minister, Agriculture replied :

(a) Number of Gram Sevaks under D. A. O. Karimganj are 103.

(b) 15 nos of Gram Savak quarters are lying vacant under Karimganj District.

**বিষয় : যোৰহাট নগৰৰ পথ**

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে :

মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বোকাখাত নগৰৰ অতি ব্যস্ত পথ 'এষ্টেনচন ৰি, ডি এম' পথটো যথেষ্ট ঠেক হোৱাৰ বাবেই সঘনে দুৰ্ঘটনা হৈ থকা বিষয়টো চৰকাৰে জানেনে?

(খ) অতি সোনকালে ৰাস্তাটো বহল কৰি দুয়ো দাঁতিত পদ পথ নিৰ্মান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) পথটো ঠেক হোৱাৰ বাবেই সঘনে দুৰ্ঘটনা হোৱা কথাটো গড়কাপ্তানী বিভাগৰ দৃষ্টিগোচৰ হোৱা নাই।

(খ) তেনে কোনো আঁচনি বৰ্ত্তমানলৈকে লোৱা হোৱা নাই। তথাপি বিষয়টো পৰীক্ষা কৰি চোৱা হ'ব।

**Re : Pailapool Joypur Road.**

Shri Dinesh Prasad Gowala asked :

777. Will the Minister, P. W. D. be pleased to state :

(a) Is it a fact that Pailapool Joypur P.W.D. road under Silchar P.W.D. (Road) Division has been taken up by the N.E.C. ?

(b If so, whether the said road has been handed over to N.E.C. by P.W.D. ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) নহয়।

(খ) প্ৰশ্ন নুঠে।

**Re : Appointments in Soil Conservation Deptt.**

Shri Dinesh Prasad Gowala asked :

778. Will the Minister, Soil Conservation be pleased to state :

a) Whether Government is aware that an interview for the post Grade III and IV in Soil Conservation Deptt in the District of Cachar was held a year back ?

b) If so, whether the appointments has been made ?

c) If not, the reason there of ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (ভূমি সংৰক্ষণ মন্ত্ৰী) যে উত্তৰ দিছে ঃ

ক) অসম ভূমি সংৰক্ষণ বিভাগত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নিযুক্তিৰ বাবে অসমৰ আটাইকেইখন জিলাৰ লগতে কাছাৰ জিলাতো ১৩।১২।৮৭ তাৰিখে এটা লিখিত পৰীক্ষা লোৱা হৈছিল।

খ) নিযুক্তি এতিয়াও দিয়া হোৱা নাই।

গ) পৰীক্ষাৰ্থীৰ সংখ্যা অতি বেছি হোৱা কাৰণে প্ৰশ্নোত্তৰ কাকত আদি পৰীক্ষা-নিৰিক্ষা কৰোতে যথেষ্ট সময় লাগে। তাৰ পিছতেই উপৰ্য্যোপৰি হোৱা বানপানী আৰু অন্যান্য কামত বিভাগীয় কৰ্মচাৰীসকল ব্যস্ত থাকিব লগা হোৱাত মৌখিক সাক্ষাৎকাৰ লোৱাৰ দিন নিৰ্দ্ধাৰণ কৰিব পৰা হোৱা নাছিল। ইয়াৰ পিছতেই চৰকাৰী বিত্তীয় সংকটৰ পৰিপ্ৰেক্ষিতত নিয়োগ সাময়িক ভাবে বন্ধ ৰাখিব লগা হয়।

**Re : Uremployed of Tea Garden Labour Community.**

Shri Dinesh Prased Gowala asked :

779. Will the Minister, Labour and Employment be pleased to state :

a) Total number of educated unemployed belonging to tea and ex-tea garden labour community in the District of Cachar and Karimganj ?

b) i) Total number unemployed H. S. L. C. Examination passed ?

ii) Total unemployed read upto class X ?

iii) Total unemployed H.S.S.L.C. Examination passed ?

iv) Total unemployed B.A. passed ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) যে উত্তৰ দিছে ঃ

ক) নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়নভুক্ত হোৱা কাছাৰ আৰু কৰিমগঞ্জ জিলাৰ চাহ বাগিছা আৰু প্ৰাক্তন চাহ বাগিছা বনুৱা সম্প্ৰদায়ৰ ইং ১৯৮৯ চনৰ মাৰ্চ মাহলৈ শিক্ষিত নিবনুৱা মুঠ সংখ্যা যথাক্ৰমে ৪৩৮ আৰু ২৪৪ জন।

খ ১) যথাক্রমে ৩৬৫ আৰু ২০৫ জন।

২) যথাক্রমে ৭৬০ আৰু ২৫২ জন॥

৩) যথাক্রমে ৫৮ আৰু ২৫ জন।

৪) যথাক্রমে ১৫ আৰু ১৪ জন।

Unstarrd question No. 780 was deferred.

**Re :Board for Welfare of Scheduled Caste, Barpeta.**

Shri A.F. Golam Osmani asked :

781. Will the Minister, W.P.T.& B.C. be pleased to state :

(a) Total amount disbursed by the Board for Welfare of Scheduled Caste, Barpeta by way of grants either in Cash or kind or both to the individuals or institutions in 1986-87 to 1988-89. (Please furnish the names of beneficiaries blockwise with the sanctioned sum respectively).

Shri P.K. Mahanta (Chief Minister,) replied :

The Sub Divisional Development Board for the Welfare of the S C. Barpeta, does not have any fund to saction or disburse the same by way of grants, either in cash or kind or both to the individuals or institutions. Like every such Sub-Divisional Development Board for the Welfare of the SC, it is an advisory body. The sanction is accorded by the concerned Administrative Deptt.

Therefore, furnishing the name of beneficiaries of grants in cash or kind, sanctioned and disbursed by the Sub-Divisional Development Board for the Welfare of SC, Barpeta during the period from 1986-87 to 1988-89 does not arise.

**Re : Schemes for Mandia Blocks.**

Shri A. F. Golam Osmani asked :

782. Will the Minister, Agriculture be pleased to state :

(a) What were the schemes taken up by the Government for the flood revaged agriculturists of Mandia Block of Barpeta District after the flood of 1988 ?

(Please quote schemewise expenditure vis-a-vis allocations made)

(b) What were the kinds of seeds supplied to the effected agriculturists of the above block and whether these were supplied free or subsidised ?

(please quote itemwise quantity distributed alongwith the list of the beneficiaries)

(c) If seeds were supplied at subsidised rate, the quantity of seeds so supplied ?

Shri Deba Kumar Bora (Minister, Agriculture) replied :

(a) Schemes taken up by the Government for the flood revaged Agriculturists are.

i) Free distribution of paddy and Rabi Crops seeds.

ii) Subsidy sale of paddy, wheat seeds and fertiliser.

| | Allocation | Expenditure |
|---|---|---|
| I) Free seeds distribution. | 8,11,550.00 | 8,11,550.00 |
| II) Subsidy sale of seeds. | 1,30,250.00 | 1,30,250.00 |

(b) Free distribution of paddy.

i) Culture-I seeds — 40 qtls.

ii) Wheat — 1,357.72 qtls.

| | |
|---|---|
| iii) Pea | 32.80 qtls. |
| iv) Lentil | 28.00 qtls. |
| | Subsidy sale. |
| i) Wheat seeds | 515 qtls |
| ii) Paddy | 125 qtls. |
| iii) Fertilizer | 37,850 kg |

The list of beneficiaries could not be submitted readily as this is huge task to copy out the list of several thousand beneficiaries and then to make out adequate number of copies within the appointed date.

[c] I] Wheat seeds 515 qtls.

II] Paddy 125 qtls.

Re. : Agricultural Materials.

Shri A. F. Golam Osmani asked :

783. Will the Minister, Agriculture be pleased to state :

(a) What are the materials by way of Agricultural inputs were supplied by the Barpeta District Agriculture Establishment to the beneficiaries of the Ruposi and Mandia Dev. Blocks either Departmentally or though A. S. C./AAIDC/STATFED/Other agencies in 1987-88 and 1988-89 ?

Shri Deba Kumar Bora (Minister, Agriculture) replied :

(a) The statement of Agricultural inputs supplied to the Farmers of Ruposi and Mandia Dev. Blocks in the Barpeta Dist. in 1987-88 and 1988-89 by the Deptt. of Agriculture through its various agencies are placed in the Table of the House. (See Annexure V).

**Re : Barpeta Baghbar and Mandia-Rowmari roads.**

Shri Sheikh Abdul Hamid asked :

784. Will the Minister, PWD be pleased to state :

(a) The amount spent for gravelling of 1) Barpeta Baghbar and 2) Mandia Rowmari PWD roads during 1986-87, 1987-88 and 1988-89 ?

(The amount may be shown yearwise).

(b) Is it a fact that blacktopped portion of Barpeta Baghbar PWD road falling within Municipal area of Barpeta Town has been taken up for repair and surfacing leaving the blacktopped portion of the same road outside municipal area without repair and surfacing ?

(b) If so, steps taken for repair and surfacing of the remaining portion ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

শিলগুটি দিয়াৰ বাবে খৰচৰ পৰিমাণ এনে ধৰণৰ :

বৰপেটা-বাঘবৰ পথ—১৯৮৬-৮৭ চনত ২৮৯১১'০০ টকা।

১৯৮৭-৮৮ " খৰচ কৰা হোৱা নাই ।

১৯৮৮-৮৯ " ৪৭৬২'০০ টকা ।

মণ্ডিয়া ৰৌমাৰী পথ —১৯৮৬-৮৭ ,, ৩০৩৩৬'০০ ,,

১৯৮৭-৮৮ ,, খৰচ কৰা হোৱা নাই ।

১৯৮৮-৮৯ ,, খৰচ কৰা হোৱা নাই ।

(খ) বৰপেটা চহৰৰ মিউনিচিপাল সীমাৰ ভিতৰত থকা ৰাষ্টাব আংশ বিশেষ ক'লাপৃষ্ঠ কৰা কথাটো সঁচা যদিও মিউনিচিপাল সীমাৰ বাহিৰত ২'৮০ কিঃ মিঃ অংশত পুনৰ ক'লাপৃষ্ঠ কৰাৰ আঁচনি থকা স্বত্বেও ৰোলাৰৰ অভাৱত কৰিব পৰা হোৱা নাই ।

(গ) মেৰামতি আৰু পৰিকল্পনাৰ শিতানত আৱশ্যকীয় পুঁজি হলে ব্যৱস্থা লব পৰা হব ।

**Re : Tea Employees Welfare Board.**

Shri Manilal Gowala asked :

785. Will the Minister, Labour and Employment be pleased to state :

(a) The number of appointments made in the Assam Tea-welfare Employees Department/Board in different grade since 1986 ? (Districtwise, Gradewise and Communitywise figure may be furnished).

(b) The percentage of appointments from Tea and Ex-Tea garden Labour Community ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) তলত উল্লেখ কৰা ধৰণে নিয়মিত দৰমহাৰ আৰু উপনিৰ্মিত তৃতীয় আৰু চতুৰ্থ শ্ৰেণী পদৰ বাবে নিযুক্তি দিয়া হয়।

তৃতীয় শ্ৰেণী — নিয়মিত : ৬ চতুৰ্থ শ্ৰেণী — নিয়মিত : ৬
উপনিৰ্মিত : ১২ উপনিৰ্মিত : ১২
মুঠ : ১৮ জন মুঠ : ১৮ জন

জিলা ভিত্তিক—৩য় শ্ৰেণী

ডিব্ৰুগড়—৩ জন, যোৰহাট—৫ জন, গোলাঘাট—১ জন, নগাওঁ—১ জন, দৰং—১ জন, শোনিতপুৰ — ৫ জন, শিলচৰ — ১জন, কৰিমগঞ্জ—১ জন।

জিলা ভিত্তিক ৪ৰ্থ শ্ৰেণী

ডিব্ৰুগড়—৪ জন, শিৱসাগৰ ২ জন, গোলাঘাট ২ জন, নগাওঁ—১ জন কামৰূপ—৪ জন, শোণিতপুৰ — ৪ জন, কৰিমগঞ্জ ১ জন।

সম্প্ৰদায় ভিত্তিক—৩য় শ্ৰেণী

সাধাৰণ—৪ জন, অনুসূচীত জাতি-জনজাতি—২ জন, চাহ নিবনুৱা ও প্ৰাক্তন চাহ নিবনুৱা ১২ জন।

সম্প্ৰদায় ভিত্তিক ৪ৰ্থ শ্ৰেণী

সাধাৰণ ৪ জন, মুছলমান ২ জন, মণিপুৰী—১ জন, নেপালী—১ জন, বিহাৰী—১ জন, চাহ ও প্ৰাক্তন চাহ —১০ জন।

(খ) চাহ ও প্ৰাক্তন চাহ বনুৱাৰ নিযুক্তিৰ শতকৰা হাৰ এনে ধৰণৰ :

৩য় শ্ৰেণী (নিয়মিয়া) ——৮৩.৩৩%
(উপনিৰ্মিত) ——৫৬%
৪ৰ্থ শ্ৰেণী (নিয়মিয়া —— ৬৬%
(উপনিৰ্মিত) ——৭৪%

**Re : Fitness of P.W.D. Road.**

Shri Abdul Muqtadir Choudhury asked :

786. Will the Minister, P.W.D. be pleased to state :

(a) Whether Nilambazar Kanakpur Kootkena P.W.D. Road and Patharkandi Kazirbazar Road are fit for vehicular traffic ?

(b) Amount spent for repair and for construction of Bridges for Patharkandi Kazirbazar road in 1986-87, 1987-88, 1988-89 ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নহয় ।

(খ) নতুন দলং নিৰ্মাণৰ বাবে আঁচনি নথকাৰ বাবে কোনো টকা খৰচ হোৱা নাই। দলং মেৰামতিৰ বাবে খৰছ কৰা ধনৰ পৰিমাণ এনে ধৰণৰ— — — —

১৯৮৬-৮৭ চনত টকা খৰছ কৰা নাই।

১৯৮৭-৮৮ চনত ৯৮,৩৮৭.০০ টকা খৰছ কৰা হৈছে।

১৯৮৮-৮৯ চনত টকা খৰছ কৰা নাই।

**বিষয় : বয়ন শিক্ষক নিযুক্তি।**

শ্ৰীপদ্ম নাথ কৈৰীয়ে সুধিছে :

৭৮৭। মাননীয় শ্ৰম মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

চাহ শ্ৰমিক কল্যাণ পৰিষদৰ দ্বাৰা অসমৰ বিভিন্ন জিলাত বয়ন উন্নয়ণ কেন্দ্ৰ সমূহত কিমান জন বয়ন শিক্ষক (Weaving Insturctor) নিযুক্তি দিয়া হৈছে ?

(খ) উক্ত শিক্ষকতাৰ বাবে যোগ্যতাৰ প্ৰমাণ পত্ৰ কোন অনুষ্ঠানৰ পৰা দিয়া হয় ?

(গ) বৰ্ত্তমান শিক্ষকতা কৰি থকা শিক্ষক সকলৰ কিমানৰ এনে প্ৰমান পত্ৰ আছে আৰু কিমানৰ নাই ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে :

৬ গৰাকী মহিলাক বয়ন শিক্ষয়িত্ৰী হিচাবে অস্থায়ী নিযুক্তি দিয়া হয়।

(খ) চৰকাৰী বয়ন বিভাগৰ দ্বাৰা পৰিচালিত প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা।

(গ) যি কেইগৰাকীয়ে বৰ্ত্তমান কাম কৰি আছে তেওঁলোকৰ প্ৰত্যেকৰে তেনে যোগ্যতা আছে।

**Re : Appointments of Forest Guards.**

Shri Dinesh Prasad Gowala asked:

788. Will the Minister, Forest be pleased to state:

(a) Is it a fact that the appointment of Forester-I and Forest Guard and other Grade III and IV Staff in the District of Cachar and Karimganj has been stopped since long ?

(b) If so, what is the reason ?

(c) What is the toal number of post of Forester-I, Forest Guard and Grade III, IV Staff are lying vacant in Cachar and Karimganj Forest Division and since when ?

(d) Will the Government take immediate step to fill up these vacancies ?

Shri Surendra Nath Medhi (Minister, Forest) replied:

(a) Yes.

(b) Due to complaints of irregularities in the Selection process the appointment were stopped.

(c) Division wise vacancies are as follows:

Silchar (earlier Cachar) Division.

1. Forester—I—4 No.
2. Forest Guard – 14 Nos.

Karimganj Division.

1. L.D.A.— 1 No.
2. Forester – 1—7 Nos.
3. Forest Guard—19 Nos.

4. Driver —1 No
5. Boatman —1 No.
6. O.B.M. Driver—1 No.

(d) Action will be taken to fill up these vacancies soon.

## বিষয় ঃ পুঁজি সংগ্ৰহ।

শ্ৰীনৰেন তাঁতীয়ে সুধিছে ঃ

৭৮৯। মাননীয় শ্ৰম মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চাহ শ্ৰমিক ওৱেল ফেয়াৰ বোৰ্ডৰ পুজি সংগ্ৰহৰ উপাদান কেইটা, আৰু কি কি?

(খ) কোনে কোনে কিমান ধৰণৰ যোগান ধৰে?

(গ) ১৯৮৮-৮৯ চনত উক্ত বোৰ্ডৰ পুঁজিত কোনে কিমান ধন যোগান ধৰিছিল?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) যে উত্তৰ দিছে ঃ

(ক) অসম চাহ বাগিছা শ্ৰমিক কল্যাণ পুঁজি আইন, ১৯৫৯ ৰ (সংশোধিত) ধাৰা ৩ (২) ৰ মতে এই পৰিষদৰ পুঁজি সংগ্ৰহৰ উপাদান সমূহ হৈছে

(ক) বাগিছাৰ পৰিচালনা সংক্ৰান্তত শ্ৰমিকৰ পৰা আদায় কৰা জৰিমনা টকা।

(খ) শ্ৰমিকৰ অনাদায় টকাসমূহ (Unpaid Accumulation)।

(গ ৰাজ্যচৰকাৰ বা কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা অনুদান বা চহ আইন, ১৯৫৩ মতে গঠিত টি বোৰ্ডৰ পৰা পোৱা অনুদান।

(ঘ) স্বেচ্ছাসেৱী অনুস্থান সমূহৰ পৰা পোৱা দান।

(ঙ) ধাৰা ৮ ৰ মতে ঋণ লোৱা টকা ।

(চ) কোনো দাবীদাৰ নথকা বা বাজেয়াপ্ত হোৱা শ্ৰমিকসকলৰ ভৱিষ্য-নিধিৰ টকা।

(ছ) ধাৰা ৩ (ক) মতে সংগ্ৰহ কৰা ৰৰঙণি।

(খ) (১) এই আইনৰ ধাৰা ৩ (২) মতে অসম চাহ শ্ৰমিক কল্যাণ পুঁজিলৈ ধন সংগ্ৰহ কৰা হয়। কিন্তু এই পৰিষদে ধাৰা ৩ (২) (ক), ৩ (২) (ঘ) আৰু ৩ (২) (ঙ) মতে আজিলৈকে কোনো ধন পোৱা নাই।

(২) ধাৰা ৩ (২) (খ) মতে পোৱা শ্ৰমিকৰ অনাদায় টকা ( Unpaid Accumulation ) কোনো নিৰ্দ্ধাৰিত পৰিমাণৰ নহয়। এই টকা সমূহ বাগিছাৰ শ্ৰমিক সকলে সংগ্ৰহ নকৰা দৰমহা টকা, বোনাচ আদি টকাৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰে।

(৩) ধাৰা ৩ (২) (গ মতে ৰাজ্য চৰকাৰৰ পৰা তলত উল্লেখ কৰা ধৰণে চৰকাৰী অনুদান পোৱা হয়।

চৰকাৰী অনুদান :—

(ক) শ্ৰমিক কল্যাণ কেন্দ্ৰৰ কৰ্ম্মচাৰীসকলৰ দৰমহা, ভাট্টা আদিৰ বাবদ : স্বাভাৱিক খিতানত (Non-Plan) : চৰকাৰৰ বাজেটত নিৰ্দ্ধাৰিত কৰামতে।
পৰিকল্পিত খিতানত ( Plan ) : ঐ ।

ধাৰা ৩ (২) (ছ) মতে এই পৰিষদে বাগিচাৰ প্ৰতি শ্ৰমিকৰ পৰা ৫০ পইচাকৈ, বাগিচা মালিকৰ পৰা প্ৰতি শ্ৰমিকৰ বাবদ ১/- টকাকৈ আৰু অসম চৰকাৰৰ পৰা বাগিচাৰ মালিকে দিয়া সমানে প্ৰতি ৬ মাহৰ মূৰে মূৰে বৰঙণি সংগ্ৰহ কৰা হয়।

ইয়াৰ উপৰিও বিভিন্ন বেংকত জমা ৰখা ধনৰ পৰিমাণ অনুযায়ী বেঙ্কৰ সুতও এই পৰিষদৰ পুঁজিত জমা হয়।

(গ) ১৯৮৮-৮৯ চনত এই পৰিষদে তলত উল্লেখ কৰা মতে ধন পায় :

(১) বৰঙণি :

| | | |
|---|---|---|
| শ্ৰমিকৰ পৰা | : | ৫,৭২ ৭৯৯·০০ টকা। |
| বাগিচাৰ মালিকৰ পৰা | : | ১১,৭৫,৪৯৮ ০০ " । |
| চৰকাৰৰ পৰা | : | ১১,০৫ ৬১৯ ৫০ " । |
| মুঠ— | | ২৮,২৩,৯১৬ ৫০ টকা। |

(২) শ্ৰমিকৰ অনাদায় টকা : ৬,০০,৫৮৩·০০ টকা।
(Unpaid Accumulation)

(৩) চৰকাৰী অনুদান :

(ক) চাহশ্ৰমিক সমূহীয়া কল্যাণ কেন্দ্ৰসমূহৰ কৰ্ম্মচাৰীসকলৰ দৰমহা, ভাট্টা আদিৰ বাবদ ( ৩০ শতাংশ কৰ্ত্তন কৰাৰ পিচত ) স্বাভাৱিক খিতানত ( Non-Plan ) : ১২,২০,১০০ ০০ টকা।

(খ) পৰিকল্পিত শিতানত : ৩,৫০,০০০.০০ টকা।
(Plan)

(৪) বেঙ্কৰ পৰা পোৱা সুত : ৫,০০,৩৫৯.২২ „ ।

সৰ্বমুঠ – ৫৪,৯১,৮৫৮.৭২ টকা ।

## বিষয় : অৱসৰপ্ৰাপ্ত শ্ৰমিকৰ ভৱিষ্যনিধি ।

শ্ৰীনৰেন তাঁতীয়ে সুধিছে :

৭৯০। মাননীয় শ্ৰম মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ বাগিছাসমূহৰ স্থায়ী শ্ৰমিকে বাগিচাৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিচতে পাবলগীয়া ভৱিষ্যনিধি (পি, এফ) গ্ৰেটুইটি আদি পোৱাৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(খ) যদি কৰিছে, কেনে ধৰণৰ ব্যৱস্থাৰে কৰিছে জনাবনে ?

(গ) অসমৰ বাগিছাসমূহৰ স্থায়ী শ্ৰমিকসকলৰ অৱসৰ গ্ৰহণ কৰাৰ বহু বছৰ পাৰ হৈ যোৱাৰ পিচতো তেওঁলোকে ভৱিষ্যনিধি (পি, এফ), গ্ৰেটুইটি আদি নোপোৱাটো চৰকাৰে জানেনে ?

(ঘ) যদি জানে, তাৰ কি ব্যৱস্থা লৈছে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নিয়ম মতেই পাই আছে ।

(খ) অসম চাহ বাগিছা ভৱিষ্যনিধি, বৃত্তিনিধি আৰু জমাভিত্তিক বীমা আঁচনি আইনত সন্নিবিষ্ট আছেই ।

(গ) তেনে কোনো অভিযোগ কোনো সভ্য বা শ্ৰমিক সংগঠনৰ পৰা পোৱা নাই ।

(ঘ) প্ৰশ্ন নুঠে ।

## বিষয় : ন-কাচাৰি-দৰকিয়াল পথ ।

শ্ৰীনৰেন তাঁতীয়ে সুধিছে :

৭৯১। মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ে জনাবনে :

(ক) যোৰহাট জিলাৰ ন-কাচাৰি-দৰকিয়াল পথৰ দুৰৱস্থাৰ কথা চৰকাৰ অৱগত নে ?

(খ) যদি অৱগত, এই পথৰ উন্নতিৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেনে ?

শ্ৰীঅতুল বৰা গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, তত্বগত ।

(খ পুঁজিৰ অভাৱত বৰ্ত্তমানে লোৱা হোৱা নাই ।

বিষয় : N. E. C. শিতানত মঞ্জুৰী ।

শ্ৰী.শ্বখ ছামান আলীয়ে সুধিছে :

৯২। মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক গোৱালপাৰা মহকুমাত N. E. C. শিতানত ১৯৮৭ ৮৮, ১৯৮৮ ৮৯ চনত কিমান টকা দিয়া হৈছে ?

(খ' এই টকা কোন কোন N. E. C. Roads ত ব্যয় কৰা হৈছে আৰু কি কি কামৰ বিপৰীতে এই টকা খৰচ কৰা হৈছে ?

(কামৰ তালিকাৰ বিপৰীতে টকাৰ পৰিমাণ সদনত দাখিল কৰিব ।)

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) উল্লেখিত দুবছৰত গোৱালপাৰা মহকুমাত N. E. C. শিতানত দিয়া টকাৰ পৰিমাণ এনেধৰণৰ —

১৯৮৭ ৮৮ - ৩.৭৯ লাখ টকা ।

১৯৮৮-৮৯ ১২.০০ ,, ,, ।

(খ) উপৰত উল্লেখিত এই দুই বছৰত খৰচ কৰা টকা, ৰাস্তাৰ নাম আৰু কামৰ তালিকা এনে ধৰণৰ :

| ৰাস্তাৰ নাম | খৰচ | কামৰ তালিকা |
|---|---|---|
| ১৯৮৭-৮৮ চন | | |
| ১। কৃষ্ণাই মেন্দিপথাৰ ৰাস্তা | ১,৯৬,০০০ | মাটিৰ অধিগ্ৰহণ |
| ২। বংচৈ বৰঝৰা বাজেন ডবা ৰাস্তা | ৯৮,৬৯৭ | Stock adjustment আৰু দৰমহা |
| ৩। লিংক ৰোড ডামৰা-মেন্দিপথাৰ ডাইনাডুবি ডামাচ ৰাস্তা | ১৬,৭৯১ | ঐ |
| ১৯৮৮-৮৯ | | |
| ১। বংচৈ বৰঝৰা বাজেন ডবা ৰাস্তা | ২১,১৭,০৪৫ | কাঠৰ দলং নিৰ্মাণ। |

**Re : Dubapara Bridge.**

Shri Maziruddin Ahmed asked :

793. Will the Minister, P. W. D. be pleased to state :

(a) Whether the Government is aware that both ends of the Dubapara Bridge over river Jinari ( in Goalpara ) are so low that in flood time very often the road becomes unguidable for vehicles ?

(b) If so, will the Government put hume pipes on both ends and raise the road ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ) কাৰিকৰী দিশৰ পিনে লক্ষ্য ৰাখি আৱশ্যকীয় পুঁজি পালে বিবেচনা কৰিব পৰা হব ।

**Re : Reservation of post for SC & ST.**

Shri Digendra Purkayastha asked :

794. Will the Minister, Welfare of Plains Tribes and Welfare of Scheduled Castes be pleased to state :

(a) Is the Government aware of the fact that most of the Departments are not following the provisions of the Assam Scheduled Castes and Scheduled Tribes (Reservation of vacancies in Services and Posts) Act, 19 8 ?

(b) If so, whether any steps have been taken by the Government for proper implementation of the said Act ?

Shri P. K. Mahanta (Chief Minister) replied :

(a) and (b) — The WPT & BC Department has issued instructions to all Deptts. of the state Government for the proper implementation of the provision of the Assam Scheduled Castes and Scheduled Tribes (Reservation of vacancies in Services and Posts) Act. 1978 and its Rules 1983. There is no information with the WPT & BC Deptt. that the provision of

the Act and Rules is not being followed by most of the Deptts. of the Government.

VOTING ON DEMANDS FOR GRANTS

Mr. Speaker : Now item No. 2, Voting on Demands for Grants. Grant No. 49, Irrigation, Hon'ble Irrigation Minister.

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজোঁ যে ১৯৯০ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত "জলসিঞ্চন" সম্পৰ্কীয় শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত বহন কৰিবলগীয়া ৮৪,০৪ ৫৪,০০০ পৰিমাণৰ টকা সম্পূৰ্ণ কৰাৰ অৰ্থে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৬৩,০৩ ৪১,০০০ টকা মঞ্জুৰ কৰা হওক ।

Mr Speaker : There are 8 cut motions on this Grant. I request the Hon'ble Members to move their cut motions one by one. Hon'ble Member, Shri Abdul Rob Laskar (absent). Shri Kul Bahadur Chetri will move.

শ্ৰীকুলবাহাদুৰ চেত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৯-৯০ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ ৯ম অংশৰ ১-৫৫ পৃষ্ঠাত থকা জলসিঞ্চন শিতানৰ ৪৯ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ সমগ্ৰ ৮৪,০৪,৫৪,০০০ টকাৰ পৰা ১০০ টকালৈ হ্ৰাস কৰা হওক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৮৪ ০৪.৫৪.০০০ টকা ১০০ টকাৰে হ্ৰাস কৰা হওক ।

Mr. Speaker : Now Hon'ble Shri Sahidul Islam.

শ্ৰীচহিদুল ইচলাম : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৯-৯০ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ ৯ম অংশৰ ১ ৫৫ পৃষ্ঠাত থকা জলসিঞ্চন শিতানৰ ৪৯ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ সমগ্ৰ ৮৪,০৪ ৫৪,০০০ টকাৰ পৰা ১০০ টকাৰে হ্ৰাস কৰা হওক, অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৮৪,০৪,৫৪,০০০ টকা ১০০ টকাৰে হ্ৰাস কৰা হওক ।

Mr. Speaker : Now Hon'ble Shri Santi Ranjan Dasgupta.

Shri Santi Ranjan Dasgupta : Mr. Speaker Sir, I beg to move that the total provision of Rs. 84,04,54,000 under

Grant No. 49 in respect of "Irrigation" at pages 1—55 of Volum II, Part IX of the Budget be reduced to Re. 1·00 i.e., the amount of the whole grant of Rs. 84,04,54,000 do stand reduced to Re. 1·00.

Mr. Sperker : Hon'ble Amrit Lal Basumatary (absent)
Shri Abdul Jalil (absent)
Hon'ble Shri Charan Nazary (absent)
Shri Jonendra Basumatary.

Shri Jonendra Basumatary : Mr. Speaker Sir, I beg to move that the total provision of Rs. 84,05,54,000, under Grant No: 49 in respect of "Irrigation", at pages 1-55 of Volume II, Part IX of the Budget be reduced by Rs. 100·00, i. e., amount of the whole grant of Rs. 84,04,54,000, do stand reduced by Rs. 100·00.

Mr. Speaker : Now Hon'ble Shri Ramendra Dey.

Shri Ramendra Dey : Mr. Ppeaker Sir, I beg to move that the total provision of Rs. 84,04,54,000, under Grant No 49 in respect of "Irrigation" at pages 1-55 of Volume II, Part IX of the Budget, be reduced by Rs. 100·00 i. e., the amount of the whole grant of Rs. 84,04,54'000, do stand reduced by Rs. 100·00.

Mr. Speaker : Hon'ble Shri Binai Khungur Basumatary.

Shri Binai Khungur Basumatari : Mr: Speaker Sir, I beg to move that the total provision of Rs. 84,04,54,000 under Grant No. 49 in respect of "Irrigation", at pages 1-55 of Volume II, Part IX of the Budget be reduced to Re. 1·00, i. e., the amount of the whole grant of Rs. 84,04,54,000, do stand reduced to Re. 1·00.

Mr. Speaker : Now Shri Aminul Islam.

Shri Aminul Islam : Mr. Speaker Sir, I beg to move that the total provision of Rs. 84,04,54,000, under Grant No. 49 in respect of "Irrigation", pages 1-55 of Volume II, Part IX of the Budget be reduced by Rs. 100·00 i. e., the whole grant of Rs. 84,04,54,000, do stand reduced by Re. 100·00.

Shri Ardhendu Kumar Dey : Mr. Speaker Sir, the concerned Minister is not in the House.

Mr. Speaker : He will come. Now Hon'ble Shri Kul Bahadur Chetri.

শ্ৰীকুলবাহাদুৰ চেত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিৰাগান্ধীয়ে কুৰি দফীয়া আঁচনি কৰিছিল। তাৰ ভিতৰত ১নং আঁচনিটোৱেই আছিল জলসিঞ্চন। জলসিঞ্চন কৰাৰ উদ্দেশ্য আছিল যে কম মাটিত বেচি উৎপাদন কৰিব পৰা। কিন্তু দেখা গৈছে যে আজি এই আঁচনিত কোটি কোটি টকা খৰচ হৈ আছে যদিও এই আঁচনিয়ে ৰাইজক যিমান পৰিমাণে উপকৃত কৰিব পাৰিব লাগিছিল সিমান পৰিমাণে উপকৃত কৰিব পৰা নাই। ইয়াৰ কাৰণ হৈছে যে এই আঁচনি বিলাক যি ধৰণেৰে লব লাগে আৰু যিবিলাক অঞ্চলত লব লাগে সেই ধৰণে সেই বিলাক অঞ্চলত লোৱা হোৱা নাই। এই আঁচনি বিলাক সাধাৰণতে যত পানী নাথাকে তেনেকুৱা বাম মাটিত লব লাগে। কিন্তু তাকে নকৰি এই আঁচনি বিলাক দ মাটিত লোৱা হৈছে। দ মাটিত লোৱাৰ কাৰণে প্ৰত্যেক বছৰে বানপানী আহি এই আঁচনি বিলাক ভাঙি লৈ যায়। দ মাটিত এই আঁচনি বিলাক নলৈ বাম মাটিত লোৱা হলে এই দৰে বছৰে বছৰে বানপানীয়ে ভাঙি নিব নোৱাৰিলেহেতেন। মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা আমি দেখিবলৈ পাইছো যে কিছুমান ডাঙৰ ডাঙৰ আঁচনি লোৱা হৈছে, যেনে ধনশ্ৰী জলসিঞ্চন আঁচনি, কপিলি জলসিঞ্চন আঁচনি; সেই দৰে ডিক্ৰোই জলসিঞ্চন আঁচনি আদি ডাঙৰ ডাঙৰ আঁচনি লোৱা হৈছে। কিন্তু আমি এই বিলাক ডাঙৰ ডাঙৰ আঁচনিৰ পৰা কেতিয়া পানী পাম? কিন্তু এই ধৰণৰ ডাঙৰ ডাঙৰ আঁচনি নলৈ যদি সৰু সৰু লোৱা হ'লহেঁতেন তেতিয়াহলে আমি হয়তো ফলৱতী হব পাৰিলো-

হৈছেন। ধান পকে মানে টুনিৰ মৰণ। যিটো উদ্দেশ্যত আঁচনি লোৱা হৈছে সেই উদ্দেশ্য ফলবৰ্ত্তী হোৱা নাই। দ মাটিত আঁচনি বিলাক হোৱাৰ কাৰণে প্ৰত্যেক বছৰে বানপানীয়ে ভাঙি লৈ যোৱাত প্ৰত্যেক বছৰে মেৰামতিৰ কাৰণে বহুত টকা খৰছ কৰিব লগীয়া হৈ আহিছে। বানপানীয়ে ভাঙি যোৱাৰ পিচত মেৰামতিৰ কাম শেষ হওঁ হওঁ হওঁতেই আকৌ বানপানী আহি পাইহি আৰু পুনৰ ভাঙি লৈ যায়। সেই দৰে পুনৰ মেৰামতি কৰি থাকোতেই পুনৰ বানপানী আহি আকৌ ভাঙি লৈ যায়হি। এই দৰেই এই আঁচনি বিলাক কামত নহাকৈ কেৱল টকা খৰচ হৈ আহিছে। য'ৰ ফলত আমাৰ যিটো উদ্দেশ্য সেই উদ্দেশ্য ফলবৰ্ত্তী হোৱা নাই। আঁচনি কৰাৰ আগতেই চাব লাগে যাতে য'ত আঁচনি লোৱা হব সেই ঠাই দ নহয় আৰু সহজে বানপানীয়ে পাব নোৱাৰে তেনেকুৱা ঠাইত আঁচনি কৰিব লাগে। য'ত প্ৰয়োজন নাই তেনেকুৱা ঠাইত আঁচনি লব নালাগে। আমি উত্তৰ লক্ষীমপুৰলৈ গলে দেখিবলৈ পাওঁ যে লাখ লাখ টকাৰ জলসিঞ্চন আঁচনি অসম্পূৰ্ণ হৈ পৰি আছে। অন্যান্য ৰাজ্যত দেখিবলৈ পাইছো যে জলসিঞ্চনৰ দ্বাৰা কৃষিৰ উন্নতি কৰিব পাৰিছে। কিন্তু আমাৰ ৰাজ্যত তেনে ধৰণে কৃষিত উন্নতি কৰিব পৰা নাই। ইয়াৰ কাৰণ হৈছে যে আমি আঁচনি বিলাক যেনে ভাবে লব লাগে ৰাজনৈতিক হেচাতেই হওক বা অন্যান্য কাৰণতেই হওক লব পৰা নাই। আৰু ডাঙৰ ডাঙৰ আঁচনি লোৱাৰ কাৰণে সেই বিলাকৰ পৰা কেতিয়া পানী পাম, কেতিয়া খেতিয়কে সেই পানী ব্যৱহাৰ কৰি খেতি কৰিব পাব একো ঠিক নাই। সেই কাৰণে মই পৰামৰ্শ দিব খুজিছো যে ডাঙৰ ডাঙৰ আঁচনিৰ ঠাইত সৰু সৰু আঁচনি লোৱাৰ ব্যৱস্থা কৰিব লাগে। আৰু এই বিলাক আঁচনি লোৱাৰ যিটো উদ্দেশ্য যাতে ফলৱতী হয় সেইটো চাব লাগে।

অধ্যক্ষ মহোদয়, আমি আচৰিত হৈছো যে, যিবিলাক ঠাইত বাম মাটি আছে তাত জলসিঞ্চনৰ আঁচনি লোৱা হোৱা নাই। চাৰ্ভে কৰি থকা হৈছে। আজি দেখা গৈছে কিছুমান ডাঙৰ ডাঙৰ আঁচনি লৈছে, সেইবিলাক কেতিয়ালৈ সম্পূৰ্ণ হব ? আমি তেতিয়ালৈ বুঢ়া হৈ যাম। বিষয়া সকলেও অৱসৰ পাব। তাৰ পিচত পানী হবনে নাই সন্দেহ। আজি দেখা গৈছে যে ব্ৰহ্মপুত্ৰ ভেলিত যিবিলাক ঠাইত আঁচনি লোৱা হৈছে, সেইবিলাকত পলস, বালি আদিয়ে

পুতি পেলাইছে যন্ত্রপাতিবিলাক। ধনশিৰি নদীৰ ফালে চালেও একে ঘটনাই হোৱা দেখিবলৈ পাওঁ। পাহাৰীয়া নদীবিলাকে বোৱাই অনা বালি আদিৰে অঞ্চল বিলাক পুতি পেলাইছে। গতিকে এই বিভাগৰ কামত আমি বহুতো আসোঁৱাহ দেখিবলৈ পাইছো। আমাৰ যিটো মূল উদ্দেশ্য সেইটো কুৰি দফিয়া আঁচনিৰ ১ নং ত আছে—যে জলসিঞ্চনৰ ব্যৱস্থা কৰি ৰাজ্যখনক কৃষি প্ৰধান কৰা। অসমৰ শতকৰা ৮০ ভাগ মানুহেই গাৱঁত থাকে আৰু কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু জনসংখ্যা অনুপাতে মাটিৰ পৰিমাণ কম হৈছে। মাটি বঢ়োৱাৰ কোনো উপায় নাই। গতিকে আমি যাতে কম মাটিতে অধিক শস্য উংপাদন কৰিব পাৰো অৰ্থাৎ এটা খেতিৰ ঠাইত ৩/৪ টা খেতি কৰিব পাৰো তাৰ বাবে জলসিঞ্চনৰ ব্যৱস্থা লাগে। গতিকে অধ্যক্ষ মহোদয়, আমি যি উদ্দেশ্যত টকা দিম তাত আমি লাভৱান হব লাগে। শতকৰা ১০০ ভাগ নহলেও আমি ৬০/৭০ ভাগ লাভবান হব লাগে। কিন্তু বাস্তৱ ক্ষেত্ৰত আজি সেইটো হোৱা নাই। গতিকে আমি আঁচনি লোৱাৰ আগতেই কোন ঠাইত কি আঁচনি ললে ফলপ্ৰসু হব সেই দিশটো আগতেই চিন্তা কৰিব লাগিব। যি বিলাক দ ঠাই আছে তাত এনেয়ে পানী জমা হৈ থাকে, তাৰ পৰা পানী উলিয়াই দিব লাগে। আজি দেখা গৈছে সেইবিলাক ঠাইতে আঁচনি লোৱা হৈছে। গতিকে ৰাইজে বিচৰা মতে পানী পোৱা নাই। গতিকে মোৰ পৰামৰ্শ হ'ল যে বিভাগীয় মন্ত্ৰী আৰু বিষয়া সকলে ডাঙৰ ডাঙৰ আঁচনিৰ পৰিবৰ্ত্তে সৰু সৰু আঁচনি লব লাগে আৰু তেতিয়াহে দুখীয়া ৰাইজে তথা খেতিয়ক ৰাইজক উপকৃত কৰা হব। তেতিয়াহে জলসিঞ্চনৰ যিটো মূল উদ্দেশ্য সেইটো সফল হব। নহলে বানপানী আহিব টকা দিম, পলসে পুতিব, টকা দিম, মেৰামতি হব এইদৰে চলি থাকিব। আমি কোনো ধৰণে লাভৱান হব নোৱাৰো। যদি প্ৰয়োজন হয় বিষয়াসকল গৈ আন আন ৰাজ্যত জলসিঞ্চনৰ ব্যৱস্থা চাই আহি সেই হিচাবে আমাৰ ৰাজ্যতো কৰিব লাগে যাৰ দ্বাৰা আমাৰ দুখীয়া খেতিয়ক ৰাইজ উপকৃত হব পাৰে। আজি মানুহৰ চাকৰি মুখী মনোভাৱ গঢ়ি উঠিছে। ধৰি লওক এজন মানুহৰ ১০ বিঘা মাটি আছে আৰু শেষত পৰিয়াল বাঢ়ি গৈ ১০টা পৰিয়াল হৈছে গৈ। তেনেস্থলত তেওঁ-লোক চাকৰি বিচৰাৰ বাবে বাধ্য হৈ পৰিব। কোনোবা হয়তো ৰাজহমন্ত্ৰী ডাঙৰীয়াৰ ওচৰলৈ যাব কোনোবা বন মন্ত্ৰীৰ ওচৰলৈ যাব, কিন্তু সকলোৱে

চাকৰি পাব জানো? সেইকাৰণে আমাৰ যি মাটি আছে তাতে যদি আমি ভালধৰণে জলসিঞ্চনৰ ব্যৱস্থা কৰি খেতিয়ক ৰাইজক সহায় কৰিব পাৰো তেনেহলে ভাল ফল পোৱা হব। তেতিয়া আমাৰ উৎপাদন বাঢ়িব আৰু হয়তো আমি বাহিৰৰ ৰাজ্যলৈও খাদ্যশস্য পঠিয়াব পাৰিম। কাৰণ, অলপ পৰিশ্ৰমতে আমাৰ মাটিত খেতি হয়। আজি ইউ, পি. বিহাৰ আদি নিচিনা ঠাইত মানুহে গোটেই দিনতো পথাৰত কাম কৰিব লাগে। কিন্তু পৰম পিতা পৰমেশ্বৰৰ কৃপাত আমাৰ মানুহে ইমান পৰিশ্ৰম কৰিব নালাগে। গতিকে অসমত যদি জলসিঞ্চন ব্যৱস্থা ভাল হলহেঁতেন, তেতিয়াহলে অসমৰ বাবে যিখিনি চাউলৰ প্ৰয়োজন হয় তাৰ অভাৱ কেতিয়াও নহল হয়। গতিকে সৰু সৰু আঁচনি লোৱাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। সেইকাৰণে আজি কুৰি দফীয়া আঁচনিৰ ১নং দফাটোৰ ওপৰত যি দাবী অনা হৈছে, সেই ক্ষেত্ৰত সৰু সৰু আঁচনি লব লাগে বুলি পৰামৰ্শ দি মই এইখিনিতে মোৰ বক্তব্য সামৰিলো।

*শ্ৰীচহিদুল ইচলাম : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে আজি জলসিঞ্চন বিভাগৰ যি মঞ্জুৰী আনিছে মই ভাবো যে, এই বিভাগটো এটা "বগা হাতী পোহা" বিভাগ বুলি ভাবিছো। কিয়নো ইয়াত টকা বিচৰা হৈছে, অফিচাৰৰ দৰমহা আদি দিয়াৰ বাবে। অসমত ৬ মাহ বানপানী হৈ থাকে। সদায়ে প্ৰাকৃতিক দুৰ্য্যোগ হৈ থাকে। কিন্তু অসমৰ মানচিত্ৰ চালে দেখা যায় যে, আমাৰ মাটি আছে। আৰু যি ঠাইত ৬ মাহ পানী থাকে তাতে কৰিছে জলসিঞ্চনৰ ব্যৱস্থা। আজি মেজৰ. মিডিয়াম আৰু মাইনৰ জলসিঞ্চনৰ ক্ষেত্ৰত কোটি কোটি টকা খৰচ কৰা হৈছে। কিন্তু টকাৰ সদ্-ব্যৱহাৰ হোৱা নাই। বিশেষকৈ পানী থকা ঠাইত খেতি নহয় আৰু যেতিয়া পানী শুকাই যায় তেতিয়াও শুক্লা প্ৰজেক্টৰ দ্বাৰা প্ৰয়োজন অনুসৰি পানী পোৱা নহয়। গতিকে মই এই বিভাগটো বগা হাতী পোহা বিভাগ বুলি অভিহিত কৰিছো। পৃথিবীৰ প্ৰথম জলসিঞ্চনৰ ব্যৱস্থা কৰিছিল মিচৰৰ নীল নদীৰ ওপৰত। অধিক শস্য উৎপাদৰ বাবে নদীৰ ওপৰতে জলসিঞ্চনৰ ব্যৱস্থা হৈছিল। আজি আমাৰ ব্ৰহ্মপুত্ৰ নদী অসমৰ মাজেদি হৈ গৈছে, কিন্তু জলসিঞ্চনৰ বাবে কোনো ধৰণৰ মাষ্টাৰ প্লেন নাই। কোনো ধৰণৰ মাষ্টাৰ প্লেন নোহোৱাকৈ

*Speech not corrected

অসমত মেজৰ, মিডিয়াম আৰু মাইনৰ ইৰিগেচন কৰি লাভবান হব নোৱাৰে। আজি ৪০ বছৰেও এই কাম কৰা নহ'ল। গতিকে আজি বিজ্ঞানসন্মত ভাবে পানী যোগান ধৰি অধিক শস্য উৎপাদন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আজি দেখা গৈছে যে, পাঞ্জাব, হাৰিয়ানা আদি ঠাইত জলসিঞ্চনৰ ক্ষেত্ৰত আগবাঢ়ি গৈছে। পঞ্চ-নদীৰ পৰা জলসিঞ্চনৰ ব্যৱস্থা কৰি পানী যোগান ধৰা হৈছে। সেয়েহে আজি পাঞ্জাব হাৰিয়ানা আদিয়ে সমগ্ৰ ভাৰতবৰ্ষতে খাদ্য শস্য যোগান ধৰিব পাৰিছে। আজি অসমত ইমান মাটি থকা স্বত্বেও আমাৰ জলসিঞ্চনৰ ব্যৱস্থাটোও অবৈজ্ঞানিক হোৱা বাবে অসমৰ মানুহ লাভবান হব পৰা নাই। আজি আমাৰ প্ৰতিজন বিষয়াই চিন্তা কৰে এটা মেজৰ আঁচনি ললে শতকৰা কিমান লাভবান হব, ঠিকাদাৰৰ লগত কিমান কিমান যোগাযোগ হব ইত্যাদি। আজি ধনশিৰি প্ৰজেক্টত কোটি কোটি টকা খৰচ কৰা হৈছে, কিন্তু কাৰ্য্যকৰী হোৱা নাই।

মাননীয় চেয়াৰমেন মহোদয়, দ্বিতীয়তে আৰু যিবিলাক যন্ত্ৰপাতি আছে, সেইবিলাক যিদৰে কিনিছে তাত মোৰ অব্জেকচন আছে। সেই যন্ত্ৰপাতিবিলাক সদায়েই বেয়া হৈ থাকে। ৰাইজে সেইবিলাক কাটিবৰ কাৰণে দা কুঠাৰ লৈ যাব খোজে। সেইবিলাক ভাঙি দিব খোজে। সেইকাৰণে এই বিভাগৰ ওপৰত মানুহে বেয়া ভাৱ পোষণ কৰা দেখা গৈছে। গতিকে এই বিভাগটো যাতে কাৰ্য্যক্ষম হয় মাননীয় মন্ত্ৰী মহোদয়ে এটা মাষ্টাৰপ্লেন তৈয়াৰ কৰি অসমৰ প্ৰতি চুকে-কোণে কি হিচাপে ব্যৱস্থা লব পৰা যায় তাৰ কাৰণে চেষ্টা কৰিব লাগে। আৰব কানট্ৰিটো জলসিঞ্চনৰ ব্যৱস্থা কৰি লাভবান হৈছে। সেইদৰে ইজৰাইলটো কৰিছে। আৰবৰ কিছুমান ঠাইত এনেকুৱা অৱস্থা সৃষ্টি কৰিছে তাত পানী নি, মাটি পেলাই মৰুভূমিৰ ঠাইতো লাভবান হৈছে এই জলসিঞ্চনৰ যোগেদি। তাত হাবি বননি, গছ-গছনি হৈছে। সেইবিলাক মৰুভূমিতেই যে এনে অৱস্থা কৰিব পাৰিছে আমাৰ ইয়াতো কেনেকৈ এই বিভাগৰ পৰা উন্নতি কৰিব পাৰি সেইটো চিন্তা কৰিব লাগে। কেৱল শালি খেতিয়েই নহয় অন্যান্য খেতিও যাতে কৰিব পাৰে তাৰ কাৰণে এই বিভাগে চিন্তা কৰিব লাগে। কিয়নো সেই আৰৱ কান্ট্ৰি বিলাকত মৰুভূমি ঠাইতো শস্য-শ্যামলা কৰি, সেউজ বননি কৰি ক্ৰিকেটখেলা খেলিব পৰা অৱস্থা সৃষ্টি কৰিছে।

*Speech not corrected.

মাননীয় চেয়াৰমেন মহোদয়, আজি দিল্লী মহানগৰীত ১০ বছৰ আগতে ইমান গৰম আছিল, ইমান মৰুভূমি আছিল, তাত ভৰি দিব নোৱাৰি কিন্তু আজি এই জলসিঞ্চনৰ যোগেদিয়েই ইয়াক পৰিবৰ্ত্তন কৰিব পাৰিছে। ই এনেকুৱা পৰিবৰ্ত্তন আনিব পাৰিছে যে মানুহৰ খাদ্য শস্য, মানুহৰ জীৱন ৰক্ষা কৰা ফলমূলৰ পৰা আৰম্ভ কৰি বিভিন্ন ব্যৱস্থা ক্লাইমেটে আৱহাৱাৰ সৃষ্টি কৰিছে। এই বিভাগটোৱে সঁচাকৈয়ে পৰিবৰ্ত্তন আনি দিব পাৰে। ই স্বয়ং সম্পূর্ণ কৰিব পাৰে। এই বিভাগটোৱে ইচ্ছা কৰিলে জীৱনৰ এটা নতুন আশাৰ ৰেঙণি তুলিব পাৰে। গতিকে এই বিভাগক কাৰ্য্যক্ষম কৰি তুলিবৰ কাৰণে আশা ৰাখি কৰ্ত্তন সমৰ্থন কৰি ইমানতে সামৰণি মাৰিলো।

(At 10·20 A. M. Hon'ble Speaker vacated the Chair and Shri Theneswar Boro took over as Chairman.)

**Mr. Chairman :** Next Shri Santi Ranjan Dasgupta.

**Shri Santi Ranjan Dasgupta :** Mr. Chairman Sir, about this Irrigation Department, its activities and the policies followed by this Department, I shall place certain points before this august House. Sir, the entire India in 1964, I had to opportunity to visit as a Committee Member of this august House. In certain parts of this country at that time specially the Andhra Pradesh was very much suffering from acute shortage of food and the condition of the people particularly the Agricultural people were very much poverty ridden and we were moved by their conditions. But Sir, that Andhra Pradesh, Haryana, Punjab, U. P. and even now a major portion of the West Bengal have been converted in such a way that their fields remain ever green. They used to grow now a days 3 crops. Just after harvesting of paddy, they grow whaet and thereafter Dhapat. There was not a single patch of field lying barren. But Sir, in our State what we are doing here. We have got Major Irrigation, Medium Irrigation,

Lift Irrigation, Small Irrigation and thereafter our State has also introduced a new scheme in some areas which is known as Command Division: What is this Command Division of the Irrigation Department, I do not understand properly. There is only one command division in Assam. About the allocation of funds to the different projects also I do not find any cosistency. In some irrigation projects where some money were spent before and there is no maintenance now, because of non-allocation of funds those Irrigation have dried out. In some Irrigation Projects there are very nominal expenditure. In some irrigation porjects the allocation jumped to crores of rupees. For example, I cite a few instance.

About Kolong Irrigation project in 1986-87 an amount to the tune of Rs. 19,47 thousands were spent but in 1987-88 the amount was jumped to Rs. 3 crores and in 1988-89 the amount has come down to Rs. 2 crores. In Jamuna Irrigation project also there are difference of allocation, another example is Sukla Irrigation projects. In 1986-87 there was no expendidure. 1987-88 a revised allocation of Rs. 2 lakhs was made. In 1988-89 an amount of Rs. 5 lakhs was provided.

Now coming to Champabati Irrigation project, here in the year 1986-87, sum spent for the project was Rs. 10,09.000/- ; in 1987-88 it jumped to Rs. 2.86 crores; in 1988-89 revised estimate Rs. 3 crores and in 1989-90 amount proposed to be spent is Rs. 2·79 crores. Upto 1986-87 this project, when it was at its initial stage the amount spent was only Rs. 10 lakhs & odd, but it jumped to nearly 3 crores in 1988-89, and with what result and how much area has been benefitted by speding so much amomnt are doubtful.

Sir; then reffering to the Jamuna Command Division, what is the position there? In 1986-87, sum spent for the Division including hill areas was Rs. 90 lakhs; in 1987-88 sum spent was Rs. 3·72 crores; in 1988-89, according to revised estimate, sum spent Rs. 5·10 crores; and in 1989-90, it is estimated to be Rs. 5·81 crores. Regarding the functioning of the Jamuna Command Division, a telegram has been sent by some persons to the Chief Minister, Assam, and to the Irrigation Minister, Assam and I am reading the content of this telegram :—"We the general people of Titabari in Hojai Sub-division like to inform you that the Executive Engineer, Jamuna Command Divn. Hojai is corrupt, with a team of contractors who are his own men is doing without any work"; Sir, the line is not clear here; then it says, "Said corrupt Executive Engineer has taken bribes from the said contractors. So we like to request you fervently to send Vigilance and Quality Control Officer for spot varification and findout such type of corruption. Enquiry requested as said Executive Engineer is misappropriating Government money like anything."

Sir, for the creation of this Jamuna Command Divn., the entire Nagaon district has become vulnerable to floods; due to this Division the flood water first affects the entire area of Hojai Sub-Division; then it flows down to the town of Roha and Roha circle and then goes right upto Morigaon Sub-Division and thus innundate the vast areas. All this happens because of the Jamuna Command Division.

(Interrupted by the quorum bell ringing at this stage)

Actually sir, the Jamuna Command Division is an old

irrigation project known as Jamuna irrigation project. This project has already been wiped out as a result of which vast areas of Nagaon district goes under flood waters, and what does the Command Division do every year ? It spends money in the name of repair for flood damages. In reply to a question put in this House it was said that in last year's flood also a sum of more than 8 lakhs was sanctioned for flood protection work. In reply to that question it was stated that there are 90 registered contractors under Jamuna Irrigation project but none of the contractors had any technical qualifications or any technical qualification or any technical knowhow. Yet, from the sum of Rs. 10 lakhs in 1986-87, the estimated expenditure for the Jamuna Command Division jumped up to Rs. 5·81 crores and odd in 1989-90, for what purpose Sir ? The general people of the area, may the people of Hojai Sub-Division do not want this project any more, because it is simply placing the bills in white paper and making payments. Sir, because of the pressure from the people, we toured the area to see the activities in the Jamuna Command Division and we gave something in writing to the Chief Minister after the area was submarged by flood water. If there is no protection against flood damage, what is the use of maintaining the Division at all. Therefore, Sir, my suggegtion is that the Jamuna Command Division is to be totally stopped. It is doing no good to the people of the State, to the people of Hojai Sub-Division in particular. Hojai was the granery of Assam and it is still the granary of the State, but the Jamuna

Command Division is affecting this granary of Assam, and if it has to continue as the granary of Assam, then the Division will have to be stopped. It is no use spending 5 crores 80 lakhs of rupees for the Division, but Jamuna Irrigation should be revitilised.

Sir, for these Shukla and Longai projects crores of rupees have been spent, but with what result? Has the Irrigation Department ever thought of understanding a survey to find out the benefit they have accrud for the people if any? What is about Dhansiri project? About 6 crores of rupees spent for the first year, and more than 10 crores are being spent for the Dhansiri project every year. I have heard some Hon'ble Members telling that no cultivator is being benefitted by this project. I have got a list of about 25 irrigation projects with detailed information as to how much areas are benefitted if at all, how much areas brought under Ravi crop, how much production is there and how many controctors are benefitted by these projects and so on.

চেয়াৰমেন : আপোনাৰ গ্ৰুপৰ আৰু কোনোবাই কব নেকি ?

শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত : নকয় চাৰ ।

চেয়াৰমেন : ঠিক আছে, তেন্তে আপুনি কৈ যাওক ।

Shri Santiranjan Das gupta : Sir, then there is Department of Life Irrigation and there is no office of the Lift Irrigation in Hojai Subdivision. The office is located only in Nowgong town itself. Every year money is spent for lift irrigation but we do not see any result accruing from the spending. During the year 1987-88 more than two crores of rupees had been spent. During, 88-89 according to

Budget estimate a sum of Rs. 8.50 crore was kept for the lift irrigation in the whole district of Nowgong. But, Sir, in the revised estimate subsequently it was brought down to rupees two crores. What is that ? In the Budget for a particular project a sum of rupees 8.50 crore was ear-marked but subsequently in the revised estimate it was brought down to rupees two crores. What is this, Sir ? Is there no irrigation project in the hands of the Government Had there been no project at the hands of the Government why then a sum of Rs. 8.50 crore was kept for the lift irrigation for the whole district of Nowgong during 1988-89 Budget ? I, therefore don't understand what is the policy of the Government in this regard. Of course there is no need for lift irrigation when there is flood in monsoon because of overflowing of rivers Jamuna and Kopili. But during winter for want of lift irrigation rabi crop could not be cultivated in vast areas of Hojai Subdivision. In Hojai subdivision there is only one lift irrigation project that is Niz Daboka project (Daboka-Jamunamukh areas) which cannot cater the need of the whole subdivision, and there is no other lift irrigation project in the area from which the cultivator can irrigate their field. Sir, there is ample scope for taking up lift irrigation project to cultivate the vast areas in entire Hojai subdivision. For this purpose water resources from rivers Jamuna and Kopili can be tapped through the lift irrigation system. Sir, in other States we have seen that Government is paying a small amount, say Rs. 100/, 200/ , 300/ for a well to small cultivators to irrigate their fields. We have gcte a small Irrigation Dep rtment

I don't know what is the function of the Department. Our Government's policy towards the small cultivators failed totally. Why we do not encourage the smail celtivators to set up tube-wells by themselves ? Shallow tube-wells were introduced but ultimately it failed. Cultivators can get good results from shallow tube wells, if they are once practised to it. They will make the field green. But if it remains in the hand of the Government the system will fail. If the money is given to the cultivators for shallow tube wells they will be successful in watering their fields. I do not know what is the policy underlined behind the small irrigation schemes. We have seen vast areas in West Bengal, Haryana, U.P., Panjab have been brought under cultivation through the small irrigation schemes. Those States could produce three crops in a year but our State cannot. There is Irrigation Department ; there is Agriculture Department in our State. But there is lack of co-ordination between them. There is want of confidence between these two Departments. They do not believe each other ; they do not help each other. This is the position in the matter of Irrigation in our State. I hope our Irrigation Minister, Shri Bora will see the condition prevailing in other States with regard to the irrigation and how they could be best adopted here in Assam for the benefit of our cultivators. Thank you, Sir.

শ্ৰীযোনেন্দ্ৰ বসুমতাৰী : মাননীয় সভাপতি মহাশয়, মই কিমান সময় পাম তাত সন্দেহ আছে।

সভাপতি মহোদয় : আপুনি ৭ মিনিট সময় পাব।

শ্ৰীযোনেন্দ্ৰ বসুমতাৰী : মাননীয় সভাপতি মহোদয়, বঙ্গাইগাওঁ 'চাব

'ডিভিজনত' যি বিলাক বিষয়া আছে সেইসকল দেৱতালৈ ভয় কৰা অফিচাৰ। এই বিষয়ে মই পিছত কম।

মাননীয় সভাপতি মহোদয়, 'কাট মোচনটো' সমৰ্থন কৰি মই কেইটামান কথা কব খুজিছো। প্ৰথম কথাটো হল, মাননীয় সভাপতি মহোদয়, অনুসূচীত জাতি, অনুসূচীত জনজাতিৰ মিটিঙত আপুনিও কৈ আছে যে, 'ট্ৰাইবেল চাব-প্লেনত' শতকৰা ১১ ভাগ 'টুটেল এল'কেশ্বন'ৰ পৰা পায়। এই 'চাব্ প্লেন'ৰ ভিতৰত 'আই. টি, ডি, পি এৰিয়া' ১৯ টা আছে। তাৰ শতকৰা ১১ ভাগ কৰিলে শতকৰা এভাগকৈও নপৰে। গতিকে ইয়াৰে 'আই টি, ডি, পি প্লেন'ত কি জলসিঞ্চন আঁচনিৰ কাম লব পাৰিব ? এই টকাৰে কোনো ডাঙৰ 'ইৰিগেশ্বন প্ৰজেক্ট লব নোৱাৰে। 'আই, টি, ডি, পি' এৰিয়াত থকা কোনো 'প্ৰজেক্টে'ই আজিলৈকে সম্পূৰ্ণ কৰিব নোৱাৰাৰ কাৰণ এইটোৱেই। অসম গণপৰিষদ চৰকাৰে যিবিলাক মহকুমা ভিত্তিক বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ আঁচনি ললে তাত 'চাব্ ডিভিজনেল প্লেনিং বৰ্ড'ত যি সকল মেম্বাৰ আছে সেই সকলৰ অধিকাংশই গণপৰিষদ দলৰ মেম্বাৰ। যিবিলাক আঁচনি কৰা হয় সেই আঁচনি বিলাক এই প্লেনিং বৰ্ডৰ মিটিঙত অনুমোদিত হব লাগে। সেই মিটিঙত ১৮ জনৰ পৰা ২২ জনলৈকে মেম্বাৰ থাকিব লাগে। কিন্তু তাত শতকৰা ১ ভাগ থকাৰ কাৰণে মেম্বাৰ সকলৰ মাজত খোৱা কামোৰাৰ সৃষ্টি হয় যাৰ ফলত কোনো এটা আই, টি, ডি, পিৰ জলসিঞ্চন আঁচনিয়েই সম্পূৰ্ণ হোৱা নাই আৰু কোনো কামো হোৱা নাই।

মাননীয় সভাপতি মহোদয়, তাৰ পিছত 'চাব্ ডিভিজনেল প্লেনিঙ'ৰ তলত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে যিবিলাক জলসিঞ্চনৰ আঁচনি পৰিছে সেই আঁচনি বিলাক কৃতকাৰ্য্য হোৱা নাই। এই বিলাক কৃতকাৰ্য্য নোহোৱাৰ কাৰণ হৈছে দুটা। 'ফ্ল (Flow) ইৰিগেচন' আৰু লিফট্ ইৰিগেচন। কোকৰাঝাৰ জিলাত বহুত বিলাক লিফট্. ইৰিগেশ্বনৰ কাম কৰা হৈছিল। কিন্তু তাৰ কাম হোৱা নাই। কিন্তু ফ্ল' ইৰিগেশ্বন'ৰ কাম বিলাক চলি আছে আৰু সেই বিলাকে কাম দি আছে 'ফ্ল ইৰিগেশ্বন' আঁচনি থকা ঠাইবিলাকত মানুহৰ বহুত উপকাৰ হৈছে। মাননীয় সভাপতি মহোদয়, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে 'চেল্ল' টিউব ওৱেল আৰু ডিপ্ টিউব ওৱেল' কৃতকাৰ্য্য নহয়। তাত বহুৱাব নোৱাৰি। উদাহৰণ স্বৰূপে মোৰ গাৱঁতে তিনিটা 'চেল্ল টিউব ওৱেল' বহুৱাইছিলো কিন্তু সেইকেইটাত ২২ ফুটো 'ড্ৰিলিং' কৰিব নোৱাৰিলে।

তিনিটা 'চেল্ল টিউব ওৱেল' বহুৱাই কেইমিনিটমানৰ ভিতৰতে পানী উলিয়াই দিলে। পাম্পৰ দ্বাৰা পানী উলিয়াই দিলে। কিন্তু তাৰ পিছত যেতিয়া মালিকে 'ষ্টাৰ্ট কৰিলে তেতিয়া তাত পানী নাই। এতিয়াও সেই সকলো বিলাক যন্ত্ৰ পাতি পথাৰতে পৰি আছে।

মাননীয় সভাপতি মহোদয়, এতিয়া দেখা গৈছে বঙাইগাৱঁত থকা অফিচাৰ সকলে দেৱতালৈ ভয় কৰে। মোৰ গাৱঁত এই ঘটনা ঘটিছে। তাত এটা ড্ৰিলিং মেচিন নতুনকৈ দিয়া হৈছিল। অশোক লিলেণ্ড কোম্পানীৰ মেচিন। একেবাৰে নতুন বস্তু দিছিল আৰু তাত থকা বিষয়া সকলেও নতুন উদ্যমৰে কৰিবলৈ লৈছিল। বিষয়া, ইঞ্জিনীয়াৰ আদি সকলোৱে অতি আগ্ৰহহেৰে কাম কৰিবলৈ লৈছিল, কাৰণ আবচুৰ বন্ধৰ সময়তো তেওঁলোকে কাম কৰিছিল। পিছে ঘটনাটো হল, ১৬ দিন দিনে ৰাতিয়ে কাম কৰাৰ পাচত মেচিনৰ পাৰ্টচ নষ্ট হৈ গল। পিচত এইবোৰ মেৰামতি কৰিবৰ কাৰণে বঙাইগাৱঁত কোনো মেকানিক নাই, সকলোবোৰ হেল্পিমেন। মই সুধিলো এইটো কি হৈছে বুলি। তেওঁলোকে কলে যে বেঙ্গলৰ পৰা এজন মেকানিক আনিছে, তেওঁ ধৰিব পাৰিলে পাৰিব নোৱাৰিলে আৰু ইয়াত কোনেও ভাল কৰিব নোৱাৰিব। তেওঁৰ ওপৰতে সম্পূৰ্ণ নিৰ্ভৰ, অকলে তেওঁ কিমান কৰিব? তাৰোপৰি জানুৱাৰীৰ ২ তাৰিখে তেতিয়াও কাম বন্ধ হৈ যোৱা নাই, চলি আছিল, যাৰ মাটিত ডিপ টিউব। ওৱেল বহুৱা হৈছিল সেই মাটিৰ মালিক, মই নিজে আৰু আমাৰ গাৱঁৰ মানুহো তাত বহি আছিল। ৰাতি ৯ বজালৈকে কাম চলি আছিল প্ৰায় ৪৫ মিটাৰ মান ড্ৰিলিং কৰা হৈছিল। কিন্তু ড্ৰিলিং বন্ধ কৰাৰ লগে আকৌ ভৰ্ত্তি হৈ যায় আৰু পাথৰ আছে। পাথৰ আঁতৰাব লগীয়া হয়। এইটো অতি আচৰিত কথা। তাৰো-পৰি তাতকৈ দুৰ্ভাগ্যৰ কথা যে সেই মাটিৰ মালিকজন বিনা বেমাৰে, কোনো ৰোগ নোহোৱাকৈ মৰি থাকিল। সেই দিনা ৰাতিয়েই ভাত খাই শুই থাকতে মৰি আছে। অকৌ সেই ঠাইৰ পৰা মেচিন আদি আঁতৰাই উঠাই অনাৰ সময়ত ট্ৰাকৰ পৰা ডাঙৰ পাইপ পৰি জামাল বুলি এজন বনুৱাৰ মৃত্যু হয়। এই ঘটনা বিলাকৰ পিচত এচ, ডি, অ, জনে কলে যে এই মেচিনৰ দ্বাৰা কাম নহব। ডিব্ৰুগড়ত ইয়াতকৈ শক্তিশালী মেচিন আছে সেইটো আনি কাম কৰিব পৰা হব। সেয়ে এই বান্ধৰ কাম হবগৈ নে নাই কব নোৱাৰো। তাৰ পিচত মই আৰু এটা কথা কব খুজিছো যে অৱশ্যে মন্ত্ৰী মহোদয়ৰ

লগত মই আলোচনাও এই বিষয়ে কৰিছিলো আৰু এইখন এখন ফটো লৈ আহিছো। এইটো ১০ বছৰৰ আগৰ কাম, কৃষি বিভাগে এইটো কৰিছিল। এইটো একেবাৰে অবৈজ্ঞানিক ভাবে কৰা হৈছিল। মই কাৰ্য্যবাহী অভিযন্তাকো কৈছিলো, প্ৰজেক্টটো নতুনকৈ লবলৈ। কিন্তু তেওঁ কৈছে যে এইটো কৰিব নোৱাৰি কাৰণ ৩ হাজাৰ বিঘা মাটিত বান্ধটো ভাঙি-চিঙি আছে। সেয়ে সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে এইবোৰ বিষয়ত অলপ তত্বাবধান লয়। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি বক্তৃতাৰ সামৰণি মাৰিলো।

শ্রীরামেন্দ্র দে : মাননীয় চেয়ারম্যান মহোদয়, যেহেতু সময় মাত্র ৫ মিনিট যেহেতু আমি খুব সংক্ষেপে ২/১ টি কথা বলব। এটা হলো এমন একটা বিভাগ যে আমরা এই বিভাগের জন্য যথেষ্ট পয়সা দিচ্ছি কিন্তু তাদের কার্য্যকলাপ যথেষ্ট উৎসাহজনক নয়। এটা অনুসন্ধান করে দেখা প্রয়োজন যে আমাদের এই বিভাগের ইঞ্জিনিয়ারিংএ যে সব কর্মচারী রয়েছেন তারা কি এই সাবজেক্ট বোঝেন না, না রাজ্য সরকারকে যারা পরিচালনা করছেন তারা এটা বোঝেন না অথবা— — — — ( কোরাম নাই। ) আমার এই ধারনা হওয়ার কারণ হলো যে এই সেচ বিভাগের ক্ষেত্রে রাজ্য সরকার দির্ঘদিন ধরে কোনও সুস্পষ্ট নীতি গ্রহণ করতে পারেন নি জার জন্য আজ এই অবস্থা হয়েছে। এই বিভাগে কেবল ট্রেন্সফার আর পোষ্টিং চলছে। ১৯৮০ ইংরাজীতে একটা প্রশ্নের উত্তরে বলা হয়েছিল যে আসাম রাজ্যে ৪ লক্ষ হেক্টার জমিতে জলসেচ করা হয়েছে। ১৯৮৮ ইংতে অতারাংকিত প্রশ্ন নং– ২১৯, এর উত্তরের একথা বলা হয়েছে। আবার ১৯৮৯ ইংর অতারাংকিত প্রশ্ন নং— ২১১, এর উত্তরে বলা হয়েছে যে বর্ত্তমানে সারা রাজ্যে ৪ লক্ষ হেক্টার জমিতে জলসেচ করা হয়েছে। তার অর্থ হচ্ছে যে এই ইরিগেশন বিভাগ একই যায়গায় বসে আছে।

চেয়ারম্যান মহোদয়, যেখানে সারা ভারতবর্ষে শতকরা ২৮ ভাগ জমিতে জলসেচ করা হয়েছে সেখানে আসামে হয়েছে শতকরা ১১ ভাগ জমিতে এবং কাছার ও করিমগঞ্জে জলসেচের ব্যবস্থা হয়েছে মাত্র শতকরা ১ ভাগ জমিতে আমি আমার বক্তব্য দীর্ঘ করব না। আমি শুধু বলব যে ১৯৮৪-৮৫, ১৯৮৫-১৯৮৬ এবং ১৯৮৭-৮৮ ইংতে এই তিন বছরে আমরা যে সমস্ত বাজেট পাশ

*Speech not corrected.

করেছি তারমধ্যে হিচাব করলে দেখা যায় বরাক ভেলীতে এই বিভাগের ৮৬ টি পরিকল্পনা কার্য্যকরী করার জন্য গ্রহন করা হয়েছে। এর মধ্যে করিমগঞ্জে ৩৫ টি, হাইলাকান্দিতে ২১ টি এবং শিলচরে ৩০ টি। তবে আমি মাত্র ৫ টি প্রজেক্টের কথা বলব। এরমধ্যে হাইলাকান্দি ব্লকের যে সেংশনড্ স্কীম আছে সেগুলির ব্যাপারে বলা হয়েছে যে এগুলি আণ্ডার একজিকিউশন। করিমগঞ্জে শনবিল, রাতাবিল, কালিগঞ্জ, উত্তর করিমগঞ্জ, ঘোড়ামাঃা এইসব যায়গায় ৩৫ টি প্রকল্প নেওয়া হয়েছে, কিন্তু এত বছরে এর একটা প্রকল্পেও কাজ হয়নি। কেবলমাত্র শ্রীগৌরীর স্কীমের কাজ চলছে। এছাড়া করিমগঞ্জ জেলায় কোনও কাজ হয়নি। আমি একজন কণ্টা কটরকে বলেছিলাম যে কাজ পেয়েও কাজ করছেন না কেন? তার উত্তরে সে বলল যে তাদের কাজ দেওয়া হয়েছে ১৯৭২ ইংর সিডিউলড্ রেটএ। সুতরাং এই রেটে কি করে কাজ করবে। একটা অদ্ভুত ব্যাপার চলছে এই বিভাগে। কাজের রেটর সিডিউল না বাড়লেও এই বিভাগেও টেন্সফার পোস্টিং'র রেট'র সিডিউল বেড়েছে ৫ হাজার থেকে ২০ হাজার টাকা পর্যন্ত।

মহোদয়, ১৯৮৫ ইং থেকে ১৯৮৮ ইং পর্যন্ত কতটা চাষ যোগ্য জমিতে জলসেচের ব্যবস্থা করা হয়েছে তার একটা হিসাব সরকার যেন শ্বেত পত্রের মাধ্যমে প্রকাশ করেন। বিশেষ করে করিমগঞ্জ, শিলচর ও হাইলাকান্দিতে এই বিভাগের কোনও কাজ হয় না। সমস্ত উচ্চ পদস্থ অফিসারদেরে তারা ইনফ্লুয়েন্স করে দুর্নীতি করছে। জনসাধারনের মধ্যে ধরনা হয়েছে যে মন্ত্রীও এরমধ্যে জড়িত। তাই সরকার যেন এই বিভাগের কাজ কর্মের বিবরণ দিয়ে একটা শ্বেতপত্র প্রকাশের মাধ্যমে জনসাধাজনের মন থেকে এসব ধারনা দূর করার ব্যবস্থা নেন। অথবা সারা আসামে এই জলসেচ বিভাগের যে দুরবস্থা হয়েছে এই ব্যাপারে একেবারে ১৯৭৬ ইং থেকে ১৯৮৯ ইং পর্যন্ত একটা তদন্তের ব্যবস্থা করেন এই অনুরোধ করে আমার কর্তন প্রস্তাবের সমর্থনে আমার বক্তব্য শেষ করলাম।

Shri Binai Khungur Basumatary : It is better not to speak at all when the concerned Minister is not here.

(Some Hon'ble members pointed out, the Minister is in the House)

Sir, the problem here is like this. You have rung the bell twice because there is no quorum. It appears the members are not interested in the proceedings. Now, if you look at the Treasury Bench, very few members are there in the House. Sir, the problem with the Irrigation is that the tribals have been deprived of the irrigation system inspite of the fact that there is a big project in the Darrang district, i.e. Dhansiri project. It was started more than 10 years back and the original estimate of the project was around 16 crores. It has gone up to 100 crores now. In this year's budget, we have seen 9 crores have been allotted for Dhansiri Project. Sir, I want to deal with this project only. In this project itself, 16 lakhs have been earmarked for salaries only. The Tribal Sub-plan allocation is to the tune of Rs. 11 crores 32 lakhs. Out of this amount, only 8 crores will be spent. We do not know whether the Tribal Sub-plan allocation is going to be spent for the Dhansiri project. For this, more than 1 thousand bighas of land have been acquired from the tribals, and they have not been given compensation till today. They have also not been given any alternative site to stay in. We are not sure whether water will come to the people from this Irrigation project at all. We are told that from this year, on experimental basis, some water will come to the command area. But today, we are not sure whether this water will come at all or not. The canals for distribution of water have been destroyed because of rain and flood. Now, most of the concrete walls these canals have been unconnected. As a result, there is a doubt whether

the cannal waters will reach the farmess or not. So, in this way, this project has completely failed to fulfill its purpose, Now, if we look at the parformance of the department, we will find only 17% of the works so far embarked upon by the department are successfull.

Then more than 83% of the works are not successful. We do not know that is the latest figure in this regard. So we hope the new Minister will enlighten us about the perfomance of this Department. Sir, there are maey projects in Champabati also ; that also falls within tribal areas-we have been told that the officials have been taken away from near the site to distant places. This has resulted in unhappiness among the local people. At page 33 also in Champabati Irrigation Project the major work allocation is only rupees two crores thirtyfour lakhs and out of this salary is thirtysix lakhs and we do not know then this Champabati Irrigation Project will be completed. While making allocation for various schemes the Government should take a scheme on priority basis. For example Dhansiri Project is the oldest. Government should stop allocation to the Champabati scheme and spent the money on Dhansiri so that the project is completed. It is no use spreading the money to all the projects. What the people want is one project to be completed at a time, So I want a review of the policy in regard to irrigation projects so that an old project like Dhansiri project should be completed first before taking up new projects. With these words I conclude.

*Shri Aminul Islam : Sir, in support of my cut motion I want to raise a discussion. As the time is very short naturally I will touch on some important points. Sir, the aim of irrigation system is to maximise agricultural production. Sir, though we are having first class fertile land but due to uncertain climatic condition we have not been successful in bringing about high yielding varities of production. Sir, our irrigation system is almost two decades old and since then Government have taken up a lot of major irrigation scheme, medium irrigation scheme, minor irrigation scheme. But the very fact is that schemes have been taken up, works of the schemes have been started, but most of the schemes even after expiry of many years could not be commissioned. Most of the schemes, even though they have been taken up 10 years, 15 years back, have not been completed Huge amount of money has been spent but due to the failure on the part of the Government, Government could not commission the schemes. The output out these schemes is almost nil. So my humble suggestion is that Government should have a clear conception or clear planning that while starting a project Government should ensure that the project will be commissioned within a stipulated time. Otherwise by spending crores of rupees, by going for newer and newer schemes, ultimately we will achieve nothing. So my suggestion is that the Government should take a bold decision to complete and commission the old schemes and after commissioning of the pending schemes the Government should star new schemes

*Speech not corrected.

Here I am very much specific regarding a particular scheme in my constituency that is the Hat Singimari Lift Irrigation Scheme. Crores of rupees have been spent there but practially the scheme has not been commissioned and each year lakhs of rupees are spent in the name of repair. Instead of taking ad-hoc measures if the Government had taken a pragmatic approach towards the scheme, I think the farmers of that area would have got huge benefit out of the scheme. Sir, another question is that there are certain schemes which are to be considered by the subdivisional planning board. But the financial crpacity of the board is quite limited and because of that schemes which are to be taken up by the decentralised board are not possible to be taken up. So, Sir, my point is that Government should have a clear policy about the schemes which are to be taken up by the State or which schemes to be undertaken by the decentralised board. Sir, another point is about the mechanical wing of the Irrigation Department. The Department of Irrigation is very much depending on the contractors, big contractors and most of the contractors are practically outsiders hailing from other States, Sir, instead of giving these mechanical works to the outsiders the Government can adopt a policy of strengthening the mechanical wing of the Irrigation Department by employing the educated unemployed engineers. Sir, we are giving huge amount of money as profit to the contractors. Instead of alloting works to the contractors if we strengthen the mechanical wing by employing the unemployed engineers I think

*Speech not corrected

two problems will be solved. One that the money which have been spent on such schemes will remain within Assam and second point is that we can solve a percentage of the total unemployment problem of Assam. Sir, with thes few words I conclude

*শ্ৰীদেবেশ্বৰ বৰা : মাননীয় সভাপতি মহোদয়, জলসিঞ্চনৰ শিতানত মাননীয় মন্ত্ৰী মহোদয়ে যিটো ৮৪,০৪,৫৪,০০০ টকাৰ মজুৰি বিচাৰিছে সেইটো মই পূৰ্ণ সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষই যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰিছো। সভাপতি মহোদয়, ১৯৮৬ আৰু ৮৭ চনত আমাৰ এটা ৰিপোৰ্টত দিছে, এই ৰিপোৰ্টৰ পৰা জানিব পাৰিছো সমগ্ৰ ভাৰতবৰ্ষৰ যিটো জলসিঞ্চনৰ ছবি আছে তাৰে শতকৰা ৬৪.৫৯ ভাগ ভাৰতবৰ্ষত এভাৰেজ হিচাবে ব্যৱহাৰ কৰিছে আৰু অসমৰ ক্ষেত্ৰত শতকৰা ৬০ ভাগ জলশক্তি ব্যৱহাৰ কৰা হৈছে। কিন্তু বৰ দুখৰ আৰু পৰিতাপৰ কথা যে সমগ্ৰ অসমতে ২৭ লাখ হেক্টৰ খেতিৰ মাটি আছে তাৰ ভিতৰত মাত্ৰ ৪ লাখ হেক্টৰ মাটিত এতিয়ালৈকে জলসিঞ্চন কৰিব পৰা হৈছে বুলি আমি গম পাইছো। গতিকে আমি দেখা পাইছো শতকৰা ১৪ ভাগ জলসিঞ্চন অসমত ব্যৱহাৰ হৈছে। স্বাধীনতাৰ যোৱা ৪১ টা বছৰেও জলসিঞ্চনৰ ক্ষেত্ৰত জলশক্তি চৰকাৰৰ ফালৰ পৰা ৰাইজক সুবিধা দিব পৰা নাই। মই আশা ৰাখিছো চৰকাৰে এই ক্ষেত্ৰত দ্ৰুত গতিৰে আগবাঢ়ি আহিব। এতিয়া যি খন বাজেট দাখিল কৰা হৈছে এই বাজেটত দেখা পাইছো ৬ষ্ঠ অনুচ্ছেদত যি দুখন জিলা আছে এই জিলা দুখনৰ বাবে বিশেষ ভাবে অগ্ৰাধিকাৰ দিয়া হৈছে, প্ৰায় ৬ কোটি ৩২ লাখ টকা আৰু সেইদৰে বাকী ১৬ খন জিলাত কোটি টকা খৰচ কৰাৰ সিদ্ধান্ত কৰিছে। তাৰ পাচত আমি দেখা পাইছো টি, এচ, পিৰ ক্ষেত্ৰত ১১ কোটি টকা ধৰিছে আৰু চিডিউলকাষ্ট কম্পোনেণ্টপ্লেনত ৪ কোটি ৪৮ লাখ ধৰিছে। তাৰোপৰি চৰ এৰিয়াৰ উন্নয়নৰ কাৰণে ১৫ লাখ টকা খৰচ কৰিবলৈ বাজেটত টকা ধৰা হৈছে। ইয়াৰ উপৰিও ইনভেষ্টিগেশ্যন আৰু চাৰভেৰ কাৰণে ১৭ খন জিলাৰ ক্ষেত্ৰত ১ কোটি ৮২ লাখ টকা ধৰা হৈছে আৰু বাকী ৫ লাখ টকা দুখন হিল্‌চ ডিষ্ট্ৰিক্টৰ কাৰণে ধৰা হৈছে। এতিয়া মই এটা কথা জনাবলৈ বিচাৰিছো সমগ্ৰ অসমত

*Speech not Corrected

যি কেইটা বৃহত জলসিঞ্চন আঁচনি আৰু মজলীয়া প্ৰকল্প আছে সেই কেইটা প্ৰকল্পৰ জৰীয়তে আমাৰ ৰাইজে যেনে ধৰণে উপকৃত হব লাগিছিল তেনে ধৰণে উপকৃত হোৱাৰ নাই। আমাৰ অসমত ১১ টা মজলীয়া আৰু দুটা বৃহত জলসিঞ্চন প্ৰকল্প আছে। তাৰ ভিতৰত দেখিবলৈ পাইছো ধনশিৰী প্ৰকল্পটোত যেনে ভাবে টকা খৰচ কৰা হৈছে তেনেভাবে ৰাইজ উপকৃত হব পৰা নাই। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই প্ৰকল্পটোত কিমান টকা ধাৰ্য্য কৰা হৈছে ? কিমান টকা খৰচ কৰা হৈছে ? আৰু প্ৰকল্পটো সম্পূৰ্ণ কৰিবলৈ আৰু কিমান টকাৰ প্ৰয়োজন হব ? এই সকলোবিলাক কথা বিতং ভাবে জনাব লাগে। লগতে চম্পাৱতী জলসিঞ্চন প্ৰকল্পটোত কিমান টকা ধাৰ্য্য কৰা হৈছিল, সেই আঁচনিটোৰ টকাবিলাক কেনে ভাবে খৰচ কৰা হ'ল ইত্যাদি কথা বিলাক জনাব লাগে। তাৰোপৰি অসমত যি ১১ টা মজলীয়া জলসিঞ্চন প্ৰকল্প আছে এই প্ৰকল্পৰ দ্বাৰা আমাৰ খেতিয়ক ৰাইজ উপকৃত হব পৰা নাই। এই কথাটো আমাৰ মাননীয় সদস্য সকলে দৃষ্টি আকৰ্ষণ কৰিছে। আমাৰ ভূগৰ্ভত যিখিনি পানী আছে সেই পানীখিনিৰ সত্‌ব্যৱহাৰ কৰা হোৱা নাই। আৰু সেই কাৰণে আমাৰ বিভাগে ভূগৰ্ভৰ ওপৰত আৰু তলত যিখিনি পানী আছে সেই পানীখিনিৰ সত্‌ব্যৱহাৰ কৰি আমাৰ খেতিয়ক ৰাইজৰ কাৰণে যাতে উলিয়াই দিব পাৰি সেইটো চাব লাগে। আমাৰ কৃষি আৰু জলসিঞ্চন বিভাগটো এজন মন্ত্ৰীৰ দায়িত্বত দিছে সেইটো ভালেই হৈছে। গতিকে প্ৰয়োজন অনুসৰি পানী যোগান ধৰাৰ কাৰণে আঁচান অনতি পলমে লব লাগে। আমাৰ ভূগৰ্ভৰ তলত আৰু ওপৰত আৱশ্যকীয় যিখিনি সম্পদ আছে সেই সম্পদখিনি উলিয়াই আমি ব্যৱহাৰৰ উপযোগী কৰি তুলিব লাগে। অল ইণ্ডিয়া চাৰভে মতে শতকৰা ৬০ ভাগ ব্যৱহাৰ হোৱা বুলি কৈছে কিন্তু বাস্তৱ ক্ষেত্ৰত কিমান হৈছে সেইটোহে আচল কথা। তাৰ পিছত মই আমাৰ যোৰহাট-গোলাঘাট আৰু শিৱসাগৰৰ কথা কব বিচাৰিছো। এই তিনিখন জিলাত আজিলৈকে এটা মজলীয়া প্ৰকল্প হোৱা নাই।

বুঢ়িদিহীং প্ৰকল্প এটা আছে যদিও তাৰ পৰা ৰাইজ বিশেষ ভাবে উপকৃত হব পৰা নাই। এই তিনিখন জিলাত শতকৰা ৮০ ভাগ খেতি হয়। গতিকে এই ক্ষেত্ৰত আমি ভাবিছো মজলীয়া জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰিলে বেচি ভাল

*Speech not corrected

হয়। এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে এন, ই, চিয়ে এটা থাৰমেল প্ৰোজেক্ট দৈয়াং নদীত কৰিছে। গতিকে এই নদীৰ পৰা আমিয়ো এটা মজলীয়া জলসিঞ্চন প্ৰকল্প তৈয়াৰ কৰিব পাৰো যাৰ দ্বাৰা শিৱসাগৰৰ আমগুৰি অঞ্চলৰ পৰা ধৰি এটা বৃহত অঞ্চলত পানী যোগানৰ সুবিধা হব পাৰে। এই ক্ষেত্ৰত যদি ইনভেষ্টিগেশ্যন কৰা হয় তেতিয়া হলে গোলাঘাট আৰু যোৰহাট জিলাত এনেকুৱা ধৰণৰ আঁচনিৰ জৰীয়তে ৰাইজক উপকৃত কৰিব পৰা যাব। গোলাঘাট সমষ্টিৰ যিবিলাক খেতিৰ উপযোগী মাটি আছে সেইবিলাক ঠাইতো পানী যোগান দিয়াৰ ব্যৱস্থা কৰিব লাগে। গতিকে মই আশা ৰাখিছো দৈয়াং জলসিঞ্চন আঁচনিটো চৰকাৰে গ্ৰহণ কৰিব লাগে। লগতে আমাৰ যিবিলাক নদ-নদী আছে সেই নদ-নদীবিলাকৰ দ্বাৰা আঁচনি গ্ৰহণ কৰি আমাৰ খেতিয়ক সকলক উপকৃত কৰাৰ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি যিবিলাক গভীৰ নলী নাদ আছে, এই ক্ষেত্ৰত যাতে চৰকাৰে বিষেশ অগ্ৰাধিকাৰ দিয়ে তাৰ কাৰণে মই অনুৰোধ জনাইছো। এই চৰকাৰে গঠন হোৱাৰ পিছত কিছুমান আঁচনি অনুমোদন কৰা হৈছিল আৰু ১৯৮৬-৮৭, ১৯৮৭-৮৮, ১৯৮৮-৮৯ চনত কিছুমান আঁচনি লোৱা হৈছিল। মোৰ সমষ্টিত ১৯৮৬-৮৭ চনত চেলচেলী নদীৰ পৰা এটা আঁচনি টি এচ পি এৰিয়াত লোৱাৰ কাৰণে প্ৰায় ৩২ লাখ টকা ধৰা হৈছিল কিন্তু এতিয়ালৈকে এই আঁচনিৰ কাম আৰম্ভ কৰা হোৱা নাই। জনজাতীয় লোকৰ নামত যিখিনি টকা দিয়া হৈছে, সেই টকাখিনিৰ যাতে সত্ ব্যৱহাৰ কৰা হয় আৰু জলসিঞ্চন আঁচনি যাতে অতি সোনকালে কাৰ্য্যকৰী কৰা হয় তাৰ ব্যৱস্থা কৰিব লাগে। তাৰ পাছত আৰু এটা মজলীয়া প্ৰকল্প আছে তাত ১৭ লাখ টকা ধৰা হৈছিল, তাৰে মাত্ৰ ১ লাখ টকাহে খৰচ কৰিছে আৰু বাকী খিনিৰ কামো হোৱা নাই। এই প্ৰকল্পটো ১৯৮৬ চনতে লোৱা হৈছিল কিন্তু এতিয়ালৈকে সম্পূৰ্ণ নহল। আমি দেখিবলৈ পাইছো যিবিলাক আঁচনি লোৱা হৈছে সেইবিলাকৰ বেচি ভাগতেই বাস্তৱৰূপ দিব পৰা নাই। অকল আঁচনি ললেই নহব তাৰ দ্বাৰা যাতে ৰাইজ উপকৃত হব পাৰে সেইটোৱে চাব লাগে। তাৰ পাছত দেখিছো যোৱাবাৰ বানপানীৰ ফলত যি কেইটা আঁচনি ক্ষতিগ্ৰস্ত হৈছিল সেই কেইটা বনোৱা হোৱা নাই। দৈয়াং নদীৰ ওপৰত এটা জলসিঞ্চন প্ৰকল্প আছিল, সেই প্ৰকল্পৰ জৰীয়তে যেনে ভাবে ৰাইজক

*Speech not corrected.

পানী যোগান দিব পাৰিব লাগিছিল সেইটো কৰিব পৰা হোৱা নাই। তাৰোপৰি দয়াং নদীৰ পৰা সৰুপথাৱৰ কেৰাটাও আঁচনি লোৱা হৈছে, কিন্তু সেই কেইটা আঁচনিৰ জৰীয়তে খেতিয়ক ৰাইজ উপকৃত হব পৰা নাই। আমাৰ গোলাঘাট জিলাত শতকৰা ৯৫ ভাগ মানুহ খেতিয়ক কিন্তু কৃষিৰ ক্ষেত্ৰত খেতিয়ক ৰাইজে পানী যোগানৰ সুবিধা যেনে ধৰণে পাব লাগিছিল সেইধৰণে পোৱা নাই। গতিকে এইবিলাক অঞ্চলত পানী যোগান আদিৰ কাৰণে নিশ্চয় অগ্ৰাধিকাৰ দিব। তাৰ পাচত মই চেলো টিউব ওৱেলৰ কথা কব বিচাৰিছো, এই চেলো টিউব ওৱেলৰ জৰীয়তে সম্পূৰ্ণ ভাবে যাতে পানী যোগান ধৰিব পাৰি তাৰ ব্যৱস্থা লব লাগে। আমাৰ অসমত পানী যোগান ধৰাৰ কাৰণে যিটো বিনামূলীয়া ব্যৱস্থা আছে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যত তেনে ব্যৱস্থা নাই। কিন্তু অন্যান্য ৰাজ্যত যেনে, পাঞ্জাব, হাৰিয়ানা ইত্যাদি ৰাজ্যত পানীৰ বাবদ খেতিয়ক ৰাইজে কিবা এটা কৰ বা তেনে ধৰণৰ কিবা এটা কমকৈ হলেও পইচা দিব লাগে। এই পইচাটো দিবলগীয়া হোৱাৰ কাৰণে খেতিয়ক ৰাইজৰ এটা দায়িত্ব থাকি যায় ফলত তেওঁলোকে জলশক্তিৰ পূৰ্ণ ব্যৱহাৰত বিশেষ ভাবে মনোযোগ দিয়ে। কিন্তু আমাৰ ৰাজ্যত খেতিয়ক সকলক পানী ফ্ৰি দিয়া হয়। আজি পাঞ্জাব আৰু হাৰিয়ানাত গ্ৰিণ ৰিভলিউশ্যন হৈছে। তেওঁলোকে জলশক্তিৰ পূৰ্ণ ব্যৱহাৰ কৰিছে কিন্তু আমাৰ ৰাজ্যত সঠিক ভাবে কৰিব পৰা নাই বা কৰা নাই। গতিকে আমাম ইয়াতো যাতে পানীৰ সত্‌ব্যৱহাৰ ঠিকমতে হয় তাৰ কাৰণে চিন্তা কৰিব লাগে। এই ক্ষেত্ৰত বিভাগে বিশেষ দৃষ্টি ভংগী লব বুলি আশা কৰিছো। পাঞ্জাব আদিৰ গ্ৰীণ ৰিভলিউশ্যন হৈছে, অসমতো ফ্লেটজ বিপ্লবৰ কথা কোৱা হৈছে। গতিকে জলসিঞ্চনৰ ক্ষেত্ৰত চৰকাৰে অগ্ৰাধিকাৰ দিব লাগে যিহেতু অসম দেশখন কৃষিৰ ওপৰতেই ভিত্তি কৰিছে। গতিকে কৃষিত আত্মনিৰ্ভৰশীল হব লাগিলে আমি জলসিঞ্চনৰ ওপৰত গুৰুত্ব দিব লাগিব। যিবিলাক ঠাইত ৰাইজে অধিক খেতি কৰে, সেইবিলাক ঠাইত জলসিঞ্চনৰ জৰিয়তে খেতি পথাৰত পানী যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। কেতিয়াবা কেতিয়াবা ৰাজনৈতিক হেঁচাত কোনোবা কোনোবা ঠাইত খেতি নহলেও সেইবিলাক ঠাইত জলসিঞ্চনৰ আঁচনি কৰাৰ কাৰণে গুৰুত্ব দিয়া হয়, আচলতে সেইটো কৰিব নালাগে। কাৰণ স্বাধীনতাৰ পিছত আমি দেখিবলৈ পাইছো যে,

*Speech not corrected

যে যিবিলাক প্ৰকল্প লোৱা হৈছে সেইবিলাকৰ পৰা ৰাইজ উপকৃত হব পৰা নাই। কাৰিকৰী দিশবিলাক চাই-চিতি আৰু অন্যান্য সকলো দিশ চালি জাৰি চাই এই জলসিঞ্চনৰ আচঁনি বিলাকৰ কাম কৰিব লাগে। কিন্তু তেনেকুৱা ধৰণে আচঁনিৰ কাম হোৱা নাই। বাতৰি কাকতত জলসিঞ্চনৰ বিভিন্ন প্ৰকল্পৰ কথা প্ৰকাশ পাইছে। প্ৰকল্প এটা লোৱাৰ আগতে ৰাইজে পানী পাবনে নাপায় তাৰ এটা চাৰভে কৰি লব লাগে, লগতে উৎপাদন কিমান হব সেইটো চাব লাগে। জলসিঞ্চন বিভাগে সেইটো হিচাব ৰাখিছে নে নাই? মুঠতে ক'ত কিমান পানী যোগান ধৰা হৈছে আৰু ক'ত কিমান উৎপাদন হৈছে, উৎপাদন বৃদ্ধি হৈছে নে নাই তাৰ এটা গ্ৰচ এনালাইচিচ কৰিব লাগে। প্লেনৰ এই টকা বিলাক যাতে সত্ ব্যৱহাৰ কৰিব পৰা যায় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। গতিকে এই খিনি কৈয়েই যি খিনি মঞ্জুৰী বিচাৰিছে তাৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই আৰু বিৰোধী পক্ষৰ কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলো।

শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱা:— মাননীয় অধ্যক্ষ মহোদয়, আজি বিধান সভাত মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই জলসিঞ্চন বিভাগৰ কাৰণে যি পৰিমাণৰ ধনৰ মঞ্জুৰী বিচাৰিছে সেই পৰিমাণৰ ধনৰ কাৰণে মই মোৰ সমৰ্থন আগবঢ়াইছো। জলসিঞ্চন বিভাগটো অসম ৰাজ্যৰ এটা গুৰুত্বপূৰ্ণ বিভাগ। আমাৰ এই ৰাজ্যখনৰ শতকৰা ৮০ ভাগ লোকেই কৃষক আৰু কৃষিৰ ওপৰত ভিত্তি কৰিয়েই আমাৰ অৰ্থনীতি নিৰ্ভৰ কৰিছে। গতিকে আমাৰ এই ৰাজ্যখনত জলসিঞ্চনৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। জলসিঞ্চন বিভাগে কি কৰিছে, কি কৰা নাই সেইটো মই কবলৈ যোৱা নাই। মাত্ৰ নতুন বিত্তিয় বছৰৰ কাৰণে মই কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো। কুৰিদফীয়া উপদেষ্টা পৰিষদৰ যিখন সভা আছিল সেই সভাত জলসিঞ্চন বিভাগৰ বিষয়ে আলোচনা কৰা হৈছিল। অসমৰ যিবিলাক অঞ্চলত ১২ মাহে পানী নাথাকে আৰু যিবিলাক অঞ্চলত নৈ, জান, জুৰি ইত্যাদি নাই সেই বিলাক অঞ্চলত জলসিঞ্চন বিভাগৰ আঁচনি হাতত লব লাগে। যিবিলাক অঞ্চলত নৈ, জান, জুৰি আদি নাই আৰু যিবিলাক অঞ্চলত ১২ মাহেও পানী নাথাকে সেই বিলাক অঞ্চলত জলসিঞ্চন বিভাগৰ আঁচনি লোৱা নাই। আমি কুৰিদফীয়া উপদেষ্টা পৰিষদৰ

*Speech not corrected.

সভাত কৈছিলো যিবিলাক অঞ্চলত বোৱতি নদী নাই বা ১২ মাহে পানী নাথাকে সেই বিলাক ঠাইত জলসিঞ্চন আঁচনি প্ৰয়োগ কৰি পানী যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। গতিকে যদি আমি এই ১২ মাহে পানী নথকা অঞ্চলৰ কৃষক সকলক নীতি সাল-সলনি কৰি পানী যোগান ধৰিব নোৱাৰো তেতিয়া হলে আমাৰ বিভাগে এই কৃষক সকলক কেতিয়াও সহায় কৰিব নোৱাৰিব। সেই কাৰণে চৰকাৰে এই যি বিলাক আওপুৰণি ৰীতিনীতি সেই ৰীতিনীতি বিলাক সালসলনি কৰি জলসিঞ্চনৰ আৱশ্যকতা প্ৰকৃততে ক'ত আছে, গোটেই বছৰ পানী থাকক বা নাথাকক সেইবিলাক ঠাইতহে এই জলসিঞ্চনৰ আঁচনি বিলাক লব লাগে। মোৰ দ্বিতীয় কথা হৈছে, আমাৰ জিলাখনত এটা মেকানিকেল ডিভিজন আছে আৰু সেই বিভাগসমূহৰ কাৰ্য্যালয়ত জনসিঞ্চনৰ মেচিন আছে। বানপানীৰ সময়ত আমি দেখিবলৈ পাইছিলো যে আমাৰ খেতিয়কসকলে এই মেচিন পোৱাৰ কাৰণে হাবাথুৰি খাবলগীয়া হৈছিল। সেই মেচিন বা পাম্পবিলাক আমাৰ ৰাইজক বিনামূলীয়াকৈ যোগান ধৰাৰ কাৰণে আগৰ বিধান সভাতো এই সম্পৰ্কে মই এটা প্ৰশ্ন কৰিছো। আমাৰ এই বিভাগত প্ৰায় ৬০ টা মান পাম্প থাকে আৰু তাৰে প্ৰায় ৩০ টা মান বেয়া হৈ থাকে। জিলাসমূহত যিখিনি পানীৰ পাম্প দিয়া থাকে সেইখিনি যাতে সকলো সময়তে ব্যৱহাৰৰ উপযোগী হৈ থাকে তাৰ কাৰণে বিভাগীয় ব্যৱস্থা লব লাগে। মুখ্য কাৰ্য্যালয়ৰ পৰা জিলাসমূহত যাতে বেচিকৈ পাম্প যোগান ধৰা হয় সেইটো চাব লাগে। কিয়নো যিকোনো প্ৰাকৃতিক দুৰ্য্যোগ হলেই যাতে আমাৰ খেতিয়কসকলে আবেদন-নিবেদন কৰি অতি সহজেই এই পাম্পবিলাক পাব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। লগতে যিকোনো সময়তেই যাতে পানী যোগান ধৰিব পাৰে সেই বিষয়েও বিভাগ প্ৰস্তুত হৈ থাকিব লাগে। এইখিনিতে মই মোৰ সমষ্টিৰ এটা কথা কব বিচাৰিছো। ১৯৮৭-৮৮ চনত মোৰ সমষ্টিত ১১ টা দীপ টিউবউৱেল বহুওৱাৰ কাৰণে ব্যৱস্থা কৰা হৈছিল। কিন্তু বিভাগৰ জৰিয়তে যিকেইটা কৰিবলৈ লোৱা হৈছিল সেই কেইটাৰ কাম আগবাঢ়ি গৈছে আৰু যি কেইটা ঠিকাদাৰক দিয়া হৈছিল সেই কেইটাৰ কাম আগবঢ়া নাই। যিহেতু বিভাগীয়ভাৱে কাম কৰোতে কামত আগবঢ়া দেখিবলৈ পোৱা গৈছে, গতিকে গোটেইখিনি কাম বিভাগীয়ভাৱে কৰাৰ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি

*Speech not corrected.

যিসকল ব্যক্তিগত লোকক এই দীপ টিউবওৱেলৰ কাম কৰিবলৈ দিয়া দিয়া হৈছে তাৰ জৰিয়তে বাহিৰৰ লোক আমদানি কৰা হৈছে । কিন্তু আমি জানো, অসমৰ মানুহে সেই কাম কৰিব পাৰে । গতিকে অসমৰ বাহিৰৰ মানুহ আমদানি নকৰি অসমৰ স্থানীয় যুৱকৰ হতুৱাই যাতে এই কামবিলাক কৰা হয় তাৰ বাবে মই বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিছো । কিয়নো ইয়াৰ দ্বাৰা আমাৰ দুটা অপকাৰ হৈছে—এটা হৈছে, কামখিনি যথেষ্ট পিচুৱাই গৈছে আৰু আনটো হৈছে অসমৰ পুঁজিৰ ধন অসমৰ বাহিৰলৈ ওলাই যোৱাৰ এটা ব্যৱস্থা বিভাগে কৰিবলৈ লৈছে । গতিকে মই বিভাগৰ প্ৰতি এই কথাখিনিৰ দৃষ্টি আকৰ্ষণ কৰিলো । আন এটা কথা কব বিচাৰিছো যে আমাৰ মাইনৰ ইৰিগেচন ডেভলপমেন্ট কৰ্পোৰেচনে কি কাম কৰিছে আমি নাজানো । মই নিজেই বিধায়ক হোৱাৰ পৰা আজি তিনি বছৰ ছয় মাহে দেখিবলৈ পাইছো যে সাধাৰণ কৃষকসকলে আবেদন পত্ৰ কৰাৰ পাচত যিমান সহজে পাম্প আদি পাব লগিছিল সিমান সহজে পোৱা নাই । গতিকে এই কথাখিনিৰ দৃষ্টিগোচৰ কৰাৰ লগতে মাইনৰ ইৰিগেচন ডেভলপমেন্ট কৰ্পোৰেচনে যিখিনি পানীৰ পাম্প বেয়া হৈ আছে সেইখিনি ব্যৱহাৰৰ উপযোগী কৰি তুলিবৰ কাৰণে নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি দৃষ্টি আকৰ্ষণ কৰিলো ।

চেয়াৰমেন মহোদয়, মই এই খিনিতে এটা কথা কব খুজিছো যে যেহেতু জলসিঞ্চন বিভাগে অসমৰ সকলো অঞ্চলতে পানী যোগান ধৰিব পৰা নাই সেই কাৰণে ক্ষুদ্ৰ জলসিঞ্চনৰ যোগেদি যি সকললোকে ব্যক্তিগত ভাবে পানী যোগানৰ ব্যৱস্থা কৰিবলৈ আবেদন কৰিছে তেওঁলোকক সেই ব্যৱস্থাৰ যোগেদি পানী যোগানৰ ব্যৱস্থা কৰিবলৈ অগ্ৰাধিকাৰ দিব লাগে । মই আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো যে অসমত বানপানী হৈ যোৱাৰ পিচত যথেষ্ট পৰিমাণৰ টকা দিয়া হৈছে, কিন্তু বানপানীৰ পিচত যিবোৰ ঠাইত জলসিঞ্চনকে ধৰি অন্যান্য কাম কাজবোৰ ক্ষতিগ্ৰস্ত হৈছিল সেইবোৰ সময়মতে মেৰামতি কৰাৰ ব্যৱস্থা কৰা হোৱা নাই । মই মোৰ নিজা সমষ্টি কামপুৰৰ কথা বিশেষকৈ কব বিচাৰিছো যে যোৱা বানপানী কেইটাত মোৰ অঞ্চলত যিবোৰ ক্ষতি হৈছিল সেইবোৰ এতিয়ালৈকে মেৰামতি কৰা হোৱা নাই । যদি

*Speech not corrected.

এইবোৰ মেৰামতি কৰা নহয় তেনেহলে আমি জল সিঞ্চন বা অন্যান্য ক্ষেত্ৰত টকা পইচাবোৰ খৰচ কৰাৰ কোনো অৰ্থ নাথাকিব আৰু তাৰ ফলত আমাৰ পানী যোগান আঁচনি কেতিয়াও কাৰ্য্যকৰী নহব। সেই কাৰণে এই বিষয়ত মই চৰকাৰৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিছো যাতে সেইবোৰ অতি সোনকালে মেৰামতি কৰি আমাৰ আঁচনি বোৰ কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা হাতত লয়।

শেষত মই এই বিভাগটোৰ বিষয়ে আৰু এটা কথা কব বিচাৰিছো যে এই বিভাগটোত বিভিন্ন ঠাইত বিভিন্ন সময়ত নানা ধৰণৰ দুৰ্নীতিৰ অভিযোগ উঠিছে। এই বিষয়বোৰৰ প্ৰতি মই আগৰ জন মন্ত্ৰীকো কৈছিলো আৰু এতিয়াৰ মন্ত্ৰী মহোদয়ৰো দৃষ্টি আকৰ্ষণ কৰি আহিছো। এই বিভাগটোৰ সম্পৰ্কে এটা গুৰুতৰ অভিযোগ নথকা নহয়। অলপতে 'নতুন দৈনিক' বাতৰি কাকতত এটা কথা প্ৰকাশ পাইছিল যে কলিয়াবৰ পানী যোগান আঁচনিৰ মাষ্টাৰ ৰোলৰ ২৬ লাখ ৪০ হাজাৰ টকা মাত্ৰ ৩-৪ মাহৰ ভিতৰতে খৰচ কৰা হৈছে আৰু এই টকা খৰচ কৰোতে বিভিন্ন দুৰ্নীতি হোৱা বুলি অভিযোগ কৰা হৈছেল। কিন্তু মই এটা কথাৰ কাৰণে সুখী হৈছো যে এই বাতৰি ওলোৱাৰ লগে লগেই বিভাগীয় ভাৱে এই ঘটনা তদন্ত কৰা হয় আৰু দোষী বিষয়াৰ বিৰুদ্ধে উপযুক্ত শাস্তি বিধান কৰা হয়। সেইদৰে এই বিভাগত ঘটি থকা আৰু বহুত দুৰ্নীতি আছে যি বিলাক পোহৰলৈ অহাৰ লগে লগে এনে ব্যৱস্থা ললেহে আমি আমাৰ লক্ষ্যত উপনীত হব পাৰিম আৰু আমাৰ বিষয়া কৰ্ম্মচাৰী সকলো এই ক্ষেত্ৰত তৎপৰ হৈ বিভাগটোক নিকা কৰাৰ কাৰণে ব্যৱস্থা হাতত লব পাৰিব। মই আৰু বক্তৃতা দীঘলীয়া নকৰো। এই বিভাগৰ বাবে প্ৰয়োজনীয় ধন বিচাৰি মন্ত্ৰী মহোদয়ে যিখন দাবী মঞ্জুৰী সদনত উত্থাপন কৰিছে সেই দাবী মঞ্জুৰী মই সমৰ্থন কৰিছো আৰু এই ক্ষেত্ৰত যিখিনি পৰামৰ্শ আগবঢ়োৱা হল সেইখিনি অহা বছৰত কাৰ্য্যকৰী কৰিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

আব্দুল মোক্তাদিৰ চৌধুৰী: চেয়াৰমেন মহোদয়, কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মই দুষাৰমান কব বিচাৰিছো। জলসিঞ্চন বিভাগটো এটা অতি গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাগটোৰ কাম কাজ কৃষিৰ উন্নয়নৰ কাৰণেই কৰা হয়। আমাৰ কুৰি দফীয়া কাৰ্য্যসূচীৰ প্ৰথম দফাটোৱেই হল জলসিঞ্চন। কিন্তু আমি আজি দেখিবলৈ পাইছো যে জলসিঞ্চন বিভাগৰ লগত কৃষি বিভাগৰ

কোনো সম্পৰ্ক নাই। এই বিভাগটোৰ জৰিয়তে আমি কিছুমান আঁচনি হাতত লৈছো কিন্তু সেইবোৰ কেৱল লব লাগে কাৰণেহে লোৱা হৈছে। এই বিভাগটোত যিটো হাৰত টকা খৰচ কৰা হৈছে তাৰ কোনো হিচাব নাইবা কোনো-চাৱা চিতা নে'হোৱাৰ কাৰণে আঁচনিবোৰ ফলপ্ৰসু হৈ উঠা নাই। আমি আশা কৰিছিলো যে এই বিভাগটোৰ জৰিয়তে খেতিয়ক সকল লাভৱান হব। কিন্তু এই বিভাগৰ কাম কাজ দেখি আমি হতাশ হৈছো। ইয়াৰ পৰা আমি খেতিয়কসকল কি ধৰণে লাভবান হৈছে সেইটো চাব লগা বিষয়। মই এইখিনিতে বৰাক ভেলিৰ এটা আঁচনিৰ কথা কব খুজিছো— এই আঁচনিটো যি জন এচিষ্টেণ্ট একজিকিউটিভ ইঞ্জিনিয়াৰ আছে তেওঁ থাকে হাইলাকাণ্ডিত কিন্তু একজিকিউটিভ ইঞ্জিনিয়াৰজন থাকে যোৰহাটত। তেওঁ যোৰহাটৰ পৰাই তেওঁৰ কাৰ্য্যকাল চলাই আছে। এইটোৱেই হৈছে আমাৰ পানী যোগান ব্যৱস্থাৰ নমুনা। তেওঁক আজি ৫-৬ বছৰে সেই ঠাইৰ মানুহে দেখা নাই। ইয়াৰ বাহিৰেও ১৯৭৪ চনত যেতিয়া ই, এণ্ড, ডি, আৰু ইৰিগেচনৰ পৃথকীকৰণ কৰা হৈছিল তেতিয়া যিসকল বিষয়াক ওপৰ মহলত ভাল নাপায় তেওঁলোকক জলসিঞ্চন বিভাগলৈ বদলি কৰা হৈছিল। ইয়ালৈ বদলি কৰা বিষয়া সকলৰ প্ৰথমতে কাম কাজত কোনো মন নাছিল--কিয়নো তেওঁলোকে ভাবিছিল যে এই বিভাগটোত কোনো টকা পইচা নাই। কিন্তু যেতিয়া দেখিলে যে এই বিভাগটোত টকা-পইচা আছে তেতিয়াহে তেওঁলোকে কামত কিছু মনোযোগ দিয়া হল। কিন্তু এই বিভাগটোৱে এতিয়া যি ভাবে কাম কৰিব ধৰিছে তাৰ পৰা আমাৰ অনুমান হয় এই বিভাগটোৰ ওপৰত কোনো খেতিয়কে নিৰ্ভৰ কৰিব নোৱাৰা হৈছে। আমি যদি পঞ্জাব, হাৰিয়ানা আদি ৰাজ্যবোৰৰ বৰ্ত্তমান প্ৰগতিৰ বিষয়ে চাও তেনেহলে দেখিবলৈ পাও যে তেওঁলোকে চেণ্ট্ৰেল পুলৰ শতকৰা ৬০ ভাগ কৃষিজাত বস্তু ৰপ্তানী কৰিবলৈ সক্ষম হৈছে। সেই ফালৰ পৰা আমাৰ ৰাজ্যই অন্য ৰাজ্যলৈ ৰপ্তানি কৰা দূৰৰ কথা নিজৰ ৰাজ্যৰ চাহিদাখিনিকে যোগান ধৰিব পৰা নাই। আমাৰ ৰাজ্যত ১৯৮৮ চনৰ মাৰ্চ মাহলৈকে ৫৮৬ টা ক্ষুদ্ৰ জলসিঞ্চন আঁচনি চালু কৰা হৈছে। কিন্তু এই আঁচনিবোৰৰ দ্বাৰা আমাৰ কৃষক সকল কিমান দূৰ উপকৃত হৈছে সেইটোৰ এটা হিচাব লোৱা প্ৰয়োজন। আজি ৪-৫ বছৰৰ পৰা আমি এটা কথা

কথা শুনি আছো যে এই ব্যৱস্থাৰ দ্বাৰা ৪ লাখ হেক্টৰ মাটিত পানী যোগান ধৰা হৈছে। কিন্তু প্ৰকৃতপক্ষে কাৰ্য্য ক্ষেত্ৰত কিমান মাটিত পানী পাইছে সেইটোও চাবলগীয়া বিষয়। সেই কাৰণে আজি এই বিভাগটোক যি ধৰণে অবহেলা বা অপব্যৱহাৰ কৰা হৈছে সেইবোৰ তেনে ধৰণে নাৰাখি ইয়াক এটা গুৰুত্বপূৰ্ণ বিভাগ হিচাবে গঢ় দিব লাগে আৰু ইয়াৰ জৰিয়তে খেতিয়ক সকলে যাতে অধিক শস্য উৎপাদন কৰাত কৃতকাৰ্য্য হয় তাৰ প্ৰতি মনোনিবেশ কৰিব লাগে। ইয়াৰ বাহিৰেও চৰকাৰে কৃষক সকলক জলসিঞ্চনৰ ক্ষেত্ৰত আকৰ্ষিত কৰিব লাগে যাতে তেওঁলোকে জলসিঞ্চনৰ প্ৰতি আকৰ্ষিত হৈ ইয়াৰ পৰা পাব পৰা সুফলবোৰ গ্ৰহণ কৰাত আগবাঢ়ি আহে।

– ———কোৰাম নাই - - — |

চেয়াৰমেন মহোদয়, যমুনা পানী যোগান আঁচনিৰ যিবোৰ কাম হৈছে তাৰ পৰা কিছু পৰিমাণে খেতিয়ক সকল লাভবান হোৱা বুলি আমি অনুমান কৰিব পাৰো। কিন্তু এই আঁচনিটোৰ তুলনাত অন্যান্য আঁচনি বোৰ কাৰ্য্যকৰী হৈ উঠা নাই। এই আঁচনিটোৰ দৰে যদি অন্যান্য আঁচনি বোৰেও শতকৰা ৫০ ভাগ হলেও কাৰ্য্যকৰী হলেহেঁতেন তেনেহলে অসমৰ কৃষক ৰাইজ কিছু পৰিমাণে উপকৃত হলহেঁতেন।

চেয়াৰমেন মহোদয়, মই চম্পাৱতী জলসিঞ্চনৰ কথাকে কৈ আছো। এই আঁচনি বিলাক লোৱা হৈ আছে। এই আঁচনি বিলাক ৪/৫ বছৰৰ কাৰণে টাইম বাউণ্ড প্ৰগ্ৰেম হিচাবে ধৰা হয় কিন্তু আঁচনিটো ৮/৯ বছৰ পৰ্য্যন্ত চলিয়ে থাকে যাৰ কাৰণে বছৰে বছৰে ৰিভাইছ প্ৰাকৃকলন হৈ থাকে। ৰিভাইচ হৈ হৈ অ'ৰিজিনেল এষ্টিমেটৰ ৫/১০ গুণৰ বেছি হয়। গতিকে এই কথাবিলাক চৰকাৰে দৰকাৰ সাপেক্ষে পৰীক্ষা কৰি চাব লাগে। চম্পাৱতী জলসিঞ্চন আঁচনিয়ে কোন কাহনিকাই প্লেনিং কমিচনৰ ক্লিয়াৰেঞ্চ পাইছিল তেতিয়া তাৰ এষ্টিমেট ভেলু আছিল ৩২ কোটি ১৫ হাজাৰ টকা কিন্তু এই আঁচনি পুনৰ ১৯৮৬ চনৰ ২৬ মে তাৰিখে ৰিভাইচ কৰা হ'ল আৰু ৰিভাইচ কৰোতে তাৰ ভেলু হ'ল ৪৭ কোটি ৪৯ লাখ ১৩ হাজাৰ টকা। এইটো হ'ল ১৯৮৬ চনৰ মেৰ কথা। তাৰ পিছত ৮৭ আৰু ৮৮ চন আছেই তাত বা ৰিভাইচ হৈ আৰু কিমান গুণ বাঢ়িছে? তাৰ হিচাব নাই। তেনেকৈ ধনশ্ৰী প্ৰজেক্ট আৰম্ভ হোৱা ১৫ বছৰ হ'ল

আৰু কিমানদিন লাগিব তাক কোনেও কব নোৱাৰে। অৰিজিনেল এষ্টিমেট আছিল ১৬ কোটি টকা। এতিয়া ১০০ কোটি পাইছে গৈ আৰু কিমান হব কোৱা টান। সেই কাৰণে এই আঁচনি বিলাক যিহেতু টাইম বাউণ্ড সেয়ে আগতে বিভাগক সুধিব লাগে কিমান বছৰ লাগিব, যদি তিনিবছৰ লাগে বুলি কয় ৩ বছৰ সময় দিব লাগে আৰু তেতিয়া ৪ বছৰৰ ভিতৰত যদি শেষ নহয় তেনেহলে তেওঁৰ ওপৰত ৰেস্পনচিবিলিটি ফিক্স কৰিব লাগে। জলসিঞ্চন দিওতে এইটো বিভাগে চাব লাগে খেতিয়ক বিলাকৰ সুবিধা হব নে নহয়, খেতিয়কে সেই সুবিধা লৈ দাবুল ক্ৰপ, ট্ৰিপল ক্ৰপ ফচল যাতে কৰিব পাৰে তেনে আঁচনি লব লাগে। ৰাজনৈতিক কাৰণত কোনো আঁচনি লব নালাগে বিভাগৰ এটা ধাৰণা থাকিব লাগে যে এই অঞ্চলত জলসিঞ্চনৰ ব্যৱস্থা কৰিলে খেতিয়কৰ উপকাৰ হব। কিন্তু অমুক ডিভিজনত কাম নাই কাৰণে যদি কাম উলিওৱা হয় টকা পইচা অথলে যাব। মন্ত্ৰী মহোদয়ে চেনেলবিলাক চালেই বুজিব। সেই চেনেলেদি পানী যায় নে নাযায়। ফিল্ড চেনেলবিলাকৰ কথাই নাই একেবাৰে ভাঙিচিঙি গৈছে তাৰ কোনো হিচাব নাই। জলসিঞ্চন বিভাগৰ কিছুমান পাম্পচেট আছে কিন্তু তাৰ শতকৰা ৫০ ভাগো কৰ্য্যক্ষম অৱস্থাত নাই। অন্ততঃ প্ৰতিটো জিলাত এটা পাম্পচেট থাকিব লাগে এতিয়া ডিভিজন বিলাকত ১০টা মানকৈ আছে তাৰে ৪/৫ টাই বেয়া হৈ থাকে। সেই বেয়া হৈ থকা বিলাকৰ বেছি ভাগেই ১০০/২০০ টকা খৰচ কৰিলে ভাল হয় কিন্তু মেকানিকেল বেলেগ টাইত আছে কাৰণে কৰাব নোৱাৰে। গতিকে এই বিভাগটো ৰিঅৰ্গেনাইজ কৰিব লাগে, খেতিয়কৰ কামত অহাকৈ পুনৰ গঠন কৰিব লাগে। আগতে কোৱা হৈছিল যে "নো মানি নো পানী"। আমি খেতিয়ক সকলক মোটিভেট কৰিব পাৰিব লাগিব। খেতিয়ক সকলে টকাৰ ভয়ত পানী নলয় কিন্তু সেই পানী ললে যদি বেছি তেওঁলোকে লাভবান হব পাৰে কিয় নলব ? বহুত ঠাইত পইচাই পানী দিয়াতও আগবাঢ়ি অহা নাই মোটিভেচন নাই কাৰণে। গতিকে এই বিলাক বিভাগে চাব বুলি আশা কৰি কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি বক্তৃতাৰ সামৰণি মাৰিলো।

Mr. Chairman : Now Shri Silvius Condpan.

Shri Silvius Condpan : Mr. Chairman, Sir, In support of the cut motion moved by our party, I would like to

make a very brief observations over the activities of the Irrigation Department. Sir, the Department of Irrigation is really a very important Department and for which even at the National level within 20 Point Programme this has been made as number one. But Sir, in our State what we see: the Department of Irrigation has not been able to come up to the expectation of the agriculturist. Every year, we take up new schemes and at the time of taking up schemes we have seen that schemes have been taken up without consdering the real need of the area where it has to be taken. I would like to draw the attention of the Irrigation Minister that if he goes to the places where schemes are implemented atleast during these 3 years he will find that schemes are prepared and implemented for the sake of the schemes and without considering the need of the people. Therefore, I suggest that this Department should take up schemes on the basis of real need. Sir, In Assam good many areas remain submerged with flood water and there are areas having high land and also they suffer from scanty rainfall. The Department should identify the areas at the time of taking up schemes without being influenced with any other causes. They should be impressed with the utmost need of the irrigation problems of the farmers. In the district of Darrang the Udalguri sub-division has sufferred from want of irrigation facilities. The Dhansiri Irrigation project is coming up as it is stated by many Hon'ble members. But it is not known when it will be completed and irrigation facilities extended to the farmers. Now Sir, the cultivators are ready to pay any amount

for supply of water to their field as cess charges. But this facility is also refused to them. Sir, I would request the Hon'ble Irrigation Minister to see that instead of going for major and medium projects the Department should insist upon taking up minor schemes, a quick maturing schemes so that people will get scope to draw water to their field and crop is grown by them.

The Department of Irrigation and the Department of Agriculture should have understanding. At present between these two Departments there is no co-ordination. According to us the Department of Agriculture should consult with the Department of Irrigation about the need of irrigation facility where it is required. Now the Irrigation Department takes up proposal not on the recomendation of the Agriculture Departmen', but from individuals not directly involved in agricultural operation and this is, I think, one of the main reasons sir, even though the Irrigation Department is spending crores of rupees every year for irrigation facility to bring water to the fields, but the schemes have not given the desired result. I do not say that there is no sincerity, no desire, no care on the part of the Department of Irrigation for making the irrigation schemes successful, but yet they are not giving the desired result, and this is one of the reasons, I think, that there is no co-ordination, no understanding between these two Departments of the Government, and again sir, when there is coordination, there is understanding between these two Departments, there will be lack of coordination with the Power Department. So I request the Irrigation Minister to kindly exernise his mind over the functioning of his Department.

While taking up new schemes, they should take into account the requirement of the on-going schemes and also the functioning scnemes so that there is no stoppage of work due to paucity of funds. If any scheme is taken in hand for implementation, the Hon'ble Minister-in-charge of Irrigation will see that the scheme is completed and only after that, any other rew scheme is taken up so that the question of fund will not arise. The Department must not be influenced by any other quarter rather than by the need of the area where irrigation facility is really required. As I have already submitted sir, and as we all know, because of Dhansiri Irrigation Command Area, Government has decided not to go in for any irrigation scheme in the areas under its Command area, no new minor irrigation scheme is taken in hand although the farmers are very much in need of it, and no one knows when the Dhansiri Irrigation Command area will be finished. Because of this Dhansiri Command area, in Darrang distrtct itself certain scheme has been taken up for irrigation in certain area although this area remains under flood water for six months in a year. This is a faulty method of taking up schemes. The Department should select the scheme according to the need of agriculturist. This is very important observation which I want to make sir and I would request the Hon'ble Minister, Irrigation through you that he will kindly see that really where any irrigation facility is needed, Department insists upon the minor scheme, the quick maturing scheme so that the people of the area, the cultivators, get the benefit within short time.

Before I conclude, I would like to place a matter for the information of the Hon'ble Irrigation Minister. That is regarding Rowta Irrigation Extension scheme. overnment has decentralised planning and accordingly we alloted Rs. 2 lakhs for the Extension Scheme to be completed in 1988-89. When things came up for implementation the Department released the amount to be spent to the extent of Rs. 92,000/- only. Through you sir, I like to bring it to the notice of the Hon'ble Irrigation Minister so that for the year 1988-89, the money that was earlier sanctioned by decentralised Planning i.e. Rs. 2 lakhs is made available by the Department and not to insist on reducing the amount to provide for the extension of irrigation scheme for the benefit of the agriculturists of the area which is full of high land and there is no other irrigation facility available.

With this observation sir, I support the Cut Motion and I conclude my speech.

শ্ৰীকিৰণ গগৈ : মাননীয় সভাপতি মহোদয়, মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে যি দাবী মঞ্জুৰী উত্থাপন কৰিছে তাত মই সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষৰ মাননীয় সদস্যই অনা কৰ্ত্তনৰ প্ৰস্তাবটোৰ বিৰোধিতা কৰিছো। যিকোনো এখন প্ৰগতিশীল দেশ বা ৰাজ্য যদি আমি দেখিবলৈ পাও তাত দেখা যায় যে উৎপাদনক্ষমৰ জৰিয়তেহে প্ৰগতিশীল দেশত বা ৰাজ্যত পৰিগণিত হৈছে। উৎপাদন বাদ দি প্ৰগতিশীল দেশত পৰিগণিত হব পৰা নাই আৰু কৃষিয়েই হৈছে ইয়াৰ প্ৰধান মাধ্যম। গতিকে কৃষি বিভাগটো উৎপাদনশীল হবলৈ হলে জলসিঞ্চনৰ আৱশ্যক। আমাৰ ৰাজ্যখন হৈছে কৃষি প্ৰধান ৰাজ্য। ইয়াৰ শতকৰা ৯০ ভাগ মানুহেই কৃষিজীৱি। আমি এতিয়া যিবিলাক জিলা বা দেশ প্ৰগতিশীল হিচাবে দেখিবলৈ পাইছো বা পৰিগণিত হৈছে, সেই জিলা বা দেশখনত জলসিঞ্চন বিভাগটো অতি উন্নয়নশীল অৰ্থাৎ কাৰ্যক্ষম।

*Speech not corrected.

এইখিনিতে মই এফাঁকি ডাকৰ বচন গাই দিব বিচাৰিছো "ধন ধন কৈ ৰুবা শালী, পৰ্ব্বতত ৰুবা শালী তেতিয়াহে লোকক পাৰিবা গাল্পি।" এই কৃষি বিভাগটো প্ৰকৃতিৰ লগত ওতঃপ্ৰোতভাৱে জৰিত। গতিকে সেউজ বিপ্লব আনিবলৈ হলে আমাৰ একমাত্ৰ মাধ্যম হৈছে জলসিঞ্চন। জলসিঞ্চন বাদ দি আমি সেউজ বিপ্লবৰ কথা চিন্তা কৰিব নোৱাৰো। উন্নয়নশীল দেশ হিচাবে পৰিগণিত হবলৈ হলে সেউজ বিপ্লবত গুৰুত্ব দিব লাগিব। লগতে জলসিঞ্চন বিভাগটো ক্ষমতাসম্পন্ন কৰিব লাগিব। এইখিনিতে মই জলসিঞ্চন মন্ত্ৰী মহোদয়ক দুটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। মই দেখিবলৈ পাইছো অসমত বহুতো সৰু-ডাঙৰ জলসিঞ্চন আচনি আছে। সেই আঁচনি বিলাকৰ ভিতৰতো নতুন পুৰণি আছে। সেই বিলাকত দোষ ত্ৰুটি থকা কাৰণে কাৰ্য্যক্ষম হৈ উঠা নাই। তাৰ ভিতৰত যিবিলাক পুৰণি আঁচনি আছে, যিবিলাক কাৰ্য্যক্ষম হৈ উঠা নাই বা ৰাইজ তাৰ দ্বাৰা উপকৃত হব পৰা নাই, সেইবিলাক পৰীক্ষা নিৰিক্ষা কৰি চাব লাগে।

আমি সদনত প্ৰশ্ন কৰিলে আমাৰ বিষয়াসকলে যিবিলাক প্ৰতিবেদন দিয়ে সেইবিলাক ঠিকেই দিয়ে। কিন্তু প্ৰকৃততে আঁচনি বিলাকৰ পৰা আমাৰ ৰাইজে কিমানে উপকাৰ পাইছে সেইটো চাব লাগে। আৰু এটা কথা, মন্ত্ৰী মহোদয়ক অনুসন্ধান কৰি চাবলৈ অনুৰোধ কৰিলো যে যিবিলাক পুৰণা আঁচনি আছে সেইবিলাক কাৰ্য্যক্ষম কৰিব পৰা যায় নেকি।

মই এটা কথা উনুকিয়াব খুজিছো যে এচ টি, এচ, চিৰ প্লেনত কিছুমান আঁচনি ধৰা হয়। কিছুমান আঁচনি এনে কিছুমান ঠাইত লোৱা হয় যে যিবিলাক অঞ্চলত এচ টি বা এচ, চিৰ মানুহ তেনেই কম। আৰু সেইসকল লোক খেতিৰ কাৰণে মুঠেই আগ্ৰহী নহয় গতিকে তেনেবিলাক ঠাইত চাব প্লেনৰ আঁচনি বিলাক দিলে তাৰ পৰা কাৰো একো উপকাৰ নহয়। সেইকাৰণে যিবিলাক চাবডিভিজনেল ওৱেলফেয়াৰ বৰ্ড থাকে তেখেত সকলে আঁচনি বিলাক পাচ কৰি দিয়াৰ আগতে এই বিলাক কথা চাব লাগে। তেওঁলোকে এনে বিলাক আঁচনি পাচ কৰি দিয়াৰ আগতে বিষয়া সকলৰ লগত আলোচনা বিলোচনা কৰি চাব লাগে। তাকে নকৰাৰ কাৰণে আঁচনি বিলাক কৰা হৈছে যদিও সেই বিলাক কাৰ্য্যকৰী হোৱা নাই। যাঁক যিটো বস্তু নালাগে সেইটো বস্তু

*Speech not corrected.

জোৰ কৰি দিলে তাৰ পৰা কি লাভ হ'ব ? আমাৰ কথাতে কয় যে মুধোও গা ধুৱালি নাখাও ভাত খোৱালি. নিগিলো কি কৰ কৰ। মানুহে নালাগে বুলি কৈছে, জোৰ কৰি দি দিছে, এতিয়া ব্যৱহাৰ নকৰে, কোনে কাক কি কৰিব। 'আঁচনি নালাগে বুলি কৈছিলো তথাপিও দিছে, এতিয়া কি কৰ কৰি থাক" মানুহৰ এনেকুৱা ভাব হৈছে। মোৰ সমষ্টিতো এনেকুৱা এটা আঁচনি আছে। মই যো'ৱা বাৰ সদনত এটা গল্প কৈছিলো। গল্পটো হৈছে এনেকুৱা এটা ল'ৰাই কিতাপ নপঢ়ে। গোটেই বছৰ ধৰি কিতাপ নপঢ়িলে। তাৰ পিচ দিনা ইংৰাজীৰ পৰীক্ষা থকাৰ কাৰণে সি গোটেই ৰাতি কিতাপ পঢ়িবলৈ আৰম্ভ কৰিলে। কিন্তু সেই দিনাই তাহাতঁৰ ঘৰত চুৰ কৰিবৰ কাৰণে এটা চুৰে দিনতে ঘৰৰ ভিতৰত সোমাই চুৰ কৰিবৰ কাৰণে লুকাই খাপ লৈ আছে। ল'ৰাই কিতাপ পঢ়ি আছে। চুৰে ভাবিছে যে লৰা শুলেই বয়-বস্তু চুৰ কৰ লৈ যাব। কিন্তু ল'ৰা নুশুৱে। লৰায়ো পঢ়ি আছে চুৰেও লৰা শোৱালৈ বাট চাই আছে। এইদৰে চুৰে খাপ পাতি থাকোতেই ৰাতি পুৱাবৰ হল। তেতিয়া চুৰে অধৈৰ্য্য হৈ লৰাক "গোটেই বছৰ কিতাপ নপঢ়িলি এতিয়া পঢ়িবলৈ আহিছ" বুলি দুই থাপৰ ল'ৰাক লগাই দিলে। লৰাই চুৰে মৰা থাপৰ গাৰজেনে মাৰিছে বুলি ভাবিলে। তিনিচুকীয়াৰ আঁচনিটোৰ কথাও ঠিক তেনেকুৱা হৈছে। মানুহে কয় এইটো আঁচনি নোহোৱা হ'লেও হয় কিন্তু এতিয়া দিলে যেতিয়া কি কৰিম। এতিয়া এনেকুৱা অৱস্থা পাইছেগৈ যে মানুহে ভাবিছে এইটো আঁচনি ১০ বছৰ পৰি থাকিল। তাৰ পৰা কাৰো একো লাভ নহল। গতিকে এতিয়া তাৰ বস্তু বিলাক চুৰ কৰি নিবলৈ ধৰিছে। এই সম্পৰ্কীয় এটা কেচ চলি আছে। য'ত আঁচনি বিলাক দিয়া হয় তাত কিছুমান টেকনিকেল কথা থাকে, সেইবিলাক চিন্তা কৰি চাব লাগে। যাতে সেই আঁচনি বিলাক অকাৰ্য্যকৰী হৈ পৰি নাথাকে। তেনেকুৱা আধাখনিয়া হৈ অকাৰ্য্যক্ষম হৈ পৰি থকা এটা আঁচনি মোৰ সমষ্টিতো আছে ডিব্ৰুগড়ত এনেকুৱা এটা আঁচনি আধাখনিয়া হৈ অকাৰ্য্যকৰী হৈ পৰি আছে। সেইটো হৈছে দিহিং উত্তোলক আঁচনি। এই আঁচনিৰ কাৰণে যাব যাব মাটিৰ ওপৰেদি নলা যায় তেওঁলোকে ১০০ ফুটকৈ মাটি এৰি দিব লাগে। যিসকলৰ সৰহ মাটি আছে সেই সকলে ১০০ ফুট মাটি এৰি দিব পাৰিব কিন্তু যিসকলৰ দুই বিঘা বা তিনি বিঘা মাটি আছে

*Speech not corrected

সেইসকলে ১০০ ফুটকৈ মাটি এৰি দিব লাগিলে সেই সকলৰ মাটি নাইকিয়া হব। ১০০ ফুটকৈ এই আঁচনিৰ কাৰণে মাটি এৰি দিয়াৰ কাৰণে বহুত মানুহৰ মাটি নাইকিয়া হৈছে। গতিকে বহুত মানুহে মাটি এৰি নিদিয়াৰ কাৰণে এই আঁচনি কাৰ্য্যক্ষম কৰিব পৰা নাই। এইটো কথা চাব লাগে যে ১০০ ফুটকৈ মাটি এৰি নিদি কমকৈ এৰিলেও হয়। কমকৈ মাটি এৰি দিবৰ কাৰণে মানুহে আপত্তি নকৰিব। গতিকে ড্ৰেইন বিলাক কমকৈ কৰিলেও হয়নেকি সেইটো কথা চাব লাগে। নেচনেল হাইওৱেৰে গলে দেখিব যে এইটো আঁচনি আধৰুৱা হৈ পৰি আছে। এইটো আঁচনিৰ মাটিৰ কাৰণেই কাম শেষ কৰিব পৰা নাই। সেই কাৰণেই মই ভাবো যে আঁচনি বিলাক লোৱাৰ আগতে এই বিলাকৰ সম্পৰ্কত খেতিয়ক সকলৰ লগতো আলোচনা কৰি চোৱা ভাল।

মই আৰু এটা পৰামৰ্শ দিব বিচাৰিছো যে অসমত প্ৰত্যেক বছৰেই বানপানী হয়। এইদৰে বানপানী হয়, বানপানী হয় বুলি প্ৰত্যেক বিলাক বিভাগে সান্ত্বনা লৈ থাকিলে আমাৰ কোনো কামেই নহব। বানপানী হোৱা ঠাইত প্ৰয়োজন হলে ৪/৬ মাহৰ কাৰণে অস্থায়ীভাবে জলসিঞ্চনৰ ব্যৱস্থা কৰি আগতীয়া আহু খেতি কৰাৰ ব্যৱস্থা কৰিব লাগে।

কৃষি বিভাগ আৰু জলসিঞ্চন বিভাগৰ মাজত কি সম্পৰ্ক আছে এই বিষয়ে আমাৰ কেইবাগৰাকী মাননীয় সদস্যই কৈ গৈছে। এই দুটা বিভাগৰ মাজৰ সম্পৰ্ক বন্ধুত্বপূৰ্ণ হব লাগে। এই দুয়োটা বিভাগৰ মাজত ভাল যোগাযোগ থাকিব লাগে। এতিয়া এটা কথা ভাল হৈছে যে দুয়োটা বিভাগ একেজন মন্ত্ৰীৰ তলত আছে। একেজন মন্ত্ৰীৰ তলত থকাৰ কাৰণে বহুতো সুবিধা হৈছে। সেই কাৰণেই কব বিচাৰিছো যে মিনিকিড ডেমনচট্ৰেচনৰ কাৰণে যি বিলাক বীজ বা সাৰ দিয়ে সেইবিলাক উপযুক্ত পানী থকা ঠাইত দিব লাগে যাতে তাৰ পৰা লাভবান হব পাৰি। কিন্তু তাৰ ঠাইত দেখা গৈছে যে যিবিলাক অঞ্চলত জলসিঞ্চনৰ ব্যৱস্থা নাই সেইবিলাক ঠাইতহে মিনিকিদ ডেমনচট্ৰেচন দি আছে।

( কোৰাম বেল বাজে )

সেই কাৰণেই মই কেইটামান পৰামৰ্শ দিব বিচাৰিছো।

( বেল বাজে )

---

*Speech not corrected

মোৰ সমষ্টিৰ দুটা প্ৰজেক্ট। চেচা আৰু কুকুহা। এই দুটা অকাৰ্য্যকৰী হৈ আছে। এই দুটা প্ৰজেক্টৰ যাতে অগ্ৰগতি হয়, তাকে অনুৰোধ কৰি মই দাবী মঞ্জুৰীটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীআব্দুল জলিল ৰাগিৰি : মাননীয় সভাপতি মহোদয়, আমাৰ জলসিঞ্চন মন্ত্ৰী মহোদয়ে নিজৰ বিভাগৰ বাবে যি দাবী মঞ্জুৰী সদনৰ সমৰ্থনৰ বাবে সদনৰ সন্মুখত উত্থাপন কৰিছে, সেই দাবীৰ ওপৰত আমাৰ দলৰ ফালৰ পৰা যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰা হৈছে, মই সেই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰিছো আৰু কেইটামান কথা কবলৈ বিচাৰিছো। আশাকৰো মন্ত্ৰী মহোদয়ে ইয়াৰ প্ৰতি দৃষ্টি দিব আৰু অভিযোগবিলাক যাতে দূৰ কৰা হয় তাৰ বাবে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰে।

সভাপতি মহোদয়, মোৰ সমষ্টিত ডাঙৰ প্ৰকল্প হৈছে আৰু সেইটো হৈছে যমুনা কামাণ্ড জলসিঞ্চন প্ৰকল্প। আনটো হৈছে -কলিয়াবৰ জলসিঞ্চন প্ৰকল্প। কলিয়াবৰ জলসিঞ্চন প্ৰকল্পৰ জৰিয়তে আমাৰ ব্ৰহ্মপুত্ৰ নৈৰ পৰা পানী লিফট্ কৰি উপনৈ সমূহেদি বোৱাই লৈ গৈ তাৰ দাঁতিকাষৰীয়া এলেকাত খেতিয়ক ৰাইজক পানী দিয়াৰ ব্যৱস্থা কৰিবৰ কাৰণে প্ৰায় ৩০ কোটি টকাৰে এই প্ৰকল্প কৰা হৈছে। এই সম্পৰ্কত ইতিপূৰ্বে মাননীয় সদস্য এজনে কৈছে আৰু কেইবাজনো সদস্যই এই প্ৰকল্পৰ দুৰ্নীতি আৰু বিষয়াসকলে যি কান্দ কৰি আছে সেই সম্পৰ্কত আলোচনা কৰিছে আৰু বাতৰি কাকতো প্ৰকাশ পাইছে। মই জনাত মন্ত্ৰী মহোদয়ৰো দৃষ্টিগোচৰ হৈছে। শুনিবলৈ পাইছো যে, বিষয়াসকলৰ বিৰুদ্ধে কিবা অলপ ব্যৱস্থাও লৈছে। কিন্তু কথাটো হল—সদনত এই কথাটো ৰেকৰ্ড হব লাগে যে, অসমৰ দুখীয়া ৰাইজৰ টকা-পইচা, ধন যিখিনি তেওঁলোকৰ কল্যাণৰ কাৰণে মঞ্জুৰী কৰি এই সদনত দিয়া হয়, সেই ধনখিনিৰ কি দুৰ্গতি হয় আৰু আমাৰ বিভাগৰ কৰ্ম্মচাৰীসকলে আৰু কৰ্ত্তাসকলে ৰাইজৰ কল্যাণৰ কাৰণে দিয়া ধন যেনেধৰণে ব্যয় হব লাগিছিল, তেনেধৰণে ব্যয় নকৰি কেনেকৈ নিজে টকা আত্মসাং কৰে, এই কথাটো সদনত ৰেকৰ্ড কৰাবৰ বাবেই বিষয়টো উৎথাপন কৰিব বিচাৰিছো। সভাপতি মহোদয়, এই খিনিতে এটা কথা উল্লেখ কৰিব বিচাৰিছো যে, এই প্ৰকল্পটোত প্ৰায় এতিয়ালৈকে ৩০ কোটি টকা খৰচ কৰা হৈছে, কিন্তু জানিব পৰা মতে এই আঁচনিৰ অধীনত ৩০ কোটি টকাৰো অধিক টকা খৰচ কৰা হৈছে। পৰ্য্যবেক্ষণ কৰি চালে দেখা যায় যে, এই আঁচনিৰ দ্বাৰা ৰাইজ উপকৃত হোৱা নাই। কেনেকৈ হব? এই প্ৰকল্পৰ বাবে দিয়া টকা খিনি যেতিয়া বিষয়া সকলে আত্মসাত্ কৰি

পেলাইছে তেনেহলে লিফট্ ইৰিগেচন কৰি ব্ৰহ্মপুত্ৰৰ পৰা পানী আনি দুখিয়া খেতিয়ক ৰাইজক যোগান ধৰাৰ ব্যৱস্থাৰে যি আঁচনি লোৱা হৈছিল সেইটো কেনেকৈ সফল হব? এইখিনিতে যিবিলাক অভিযোগ আজি কলিয়াবৰ কলং জলসিঞ্চন আঁচনিৰ ক্ষেত্ৰত উত্থাপিত হৈছে তাৰ ২/১ টা কথা উল্লেখ কৰিব বিচাৰিছো যে, বিশেষ কামৰ বাবে ১৯৮৮ চনৰ প্ৰথম ভাগতে অৰ্থাৎ এপ্ৰিল, মে, জুন মাহত এই বিভাগক ২৬ লাখ ৪০ হাজাৰ টকা দিয়া হৈছিল। কিন্তু বিভাগীয় কেইজনমান বিষয়াই লেন দেন কৰি মাষ্টাৰ ৰুলৰ মাধ্যমেৰে টকা খৰচ কৰি পেলালে। বিশেষ কিছুমান কাম কৰাৰ নামত এই গোটেই টকাখিনি নিজেই আত্মসাত্ কৰিলে। সভাপতি মহোদয়, এই ক্ষেত্ৰত আৰু বহুতো কথা, গুৰুতৰ অভিযোগৰ কথা বাতৰি কাকতত প্ৰকাশ পাইছে। মন্ত্ৰীমহোদয়েও নিশ্চয় কাকতত দেখিছে আৰু পঢ়িছে। এই ক্ষেত্ৰত মুখ্য জলসিঞ্চন বিষয়াজনৰ ক্ষেত্ৰত বিশেষ অভিযোগ উত্থাপন কৰা হৈছে। অভিযোগ কৰা হৈছে যে, সেই মানুহজনে চাল চাতুৰ কৰি এই প্ৰকল্পটোৰ টকা আত্মসাত্ কৰিছে। গতিকে এই অভিযন্তা জনৰ বিৰুদ্ধে তদন্ত হব লাগে। বাতৰি কাকতত যিবিলাক কথা প্ৰকাশ পাইছে সেইবিলাক পুংখানুপুংখ ৰূপে তদন্ত কৰি দুখীয়া ৰাইজৰ কল্যাণৰ বাবে লোৱা ব্যৱস্থাৰ বিপৰীতে যি কাম কৰিলে সেই বিষয়াজনৰ প্ৰতি ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মোৰ নিজৰ সমষ্টিতে জলসিঞ্চনৰ যিটো ব্যৱস্থা আছে যমুনা জলসিঞ্চন, সেইটো এটা ডাঙৰ প্ৰকল্প। মোৰ সমষ্টিটো এই প্ৰকল্পৰ অধিনত। এতিয়া এই প্ৰকল্পটো লৈ দুটামান সমস্যা হৈছে। এই সম্পৰ্কত ব্যক্তিগত ভাবে মন্ত্ৰী মহোদয়ক জনোৱা হৈছিল। বাৰিষা কালত বানপানী হৈ যমুনা প্ৰকল্প বুৰাই পেলায়, ফলত তাৰ কেনেল বিলাক ধ্বংস হৈ যায়। কাৰণ বানপানীৰ পানী জমি থকাৰ বাবে মানুহৰ ঘৰবাৰী নষ্ট হয় আৰু ৰাইজে নিৰাপত্তাৰ কাৰণে কেনেল কাটি দিয়ে। ফলত বছৰি প্ৰায় ৬ লাখ কৰি টকা এই কেনেলবিলাক মেৰামতি কৰাৰ বাবে খৰচ কৰিব লগা হয়। মই প্ৰশ্নোত্তৰ কালতো এই প্ৰশ্ন কৰি আহিছো। এতিয়াও মোৰ পৰামৰ্শ যে, এই যমুনা নৈৰ দক্ষিণ পাৰে এটা বান্ধ যদি দিয়া হয় তেতিয়া হলে হয়তো ৬০ হাজাৰ বিঘা মাটি ধ্বংসৰ মুখৰ পৰা ৰক্ষা পৰিব। কিয়নো বানপানী আহি এই মাটিবিলাক বালি পেলাই নষ্ট কৰি দিয়ে আৰু খেতি কৰাৰ বাবে অনুপযোগী হৈ পৰে।

গতিকে যমুনা নৈত বান্ধ দিলে জলসিঞ্চন প্ৰকল্পটো ক্ষতি হোৱাৰ পৰা ৰক্ষা পৰিব আৰু দুখীয়া খেতিয়ক ৰাইজৰ মাটি খেতিৰ বাবে অনুপযুক্ত কৰি তুলিব নোৱাৰিব।

সভাপতি মহোদয়, দ্বিতীয় কথা হৈছে যে, যমুনা কামান্দ জলসিঞ্চনৰ অন্তৰ্গত যিখিনি অঞ্চল পৰিছে সেই অঞ্চলত দেখা যায় যে যেতিয়া পানী আছে তেতিয়া ৰাইজে খেতি কৰিবলৈ অলপ-চলপ পানী পায় আৰু যদি পানী নাই তেতিয়া হলে ৰাইজে পানী নাপায়। গতিকে জলসিঞ্চনৰ যি মূল উদ্দেশ্য সেইটো সফল হোৱা নাই। খেতি কৰিবলৈ উপযুক্ত সময়ত পানী পোৱা নাযায়। এই বিভাগে ৰবিশস্য কৰাৰ বাবে পানী যোগান ধৰিব নোৱাৰে। পানী যোগান দিব নোৱাৰাটো টেকনিকেল দিফেক্ট হব পাৰে। সেইটো তেওঁলোকে জানে। মই যিমানখিনি অধ্যয়ন কৰি জানিব পাৰিছো যে, গড়কাপ্তানী, ইৰিগেচন আৰু পঞ্চায়ত এই বিভাগ কেইটাৰ মাজত অৰিয়াঅৰি চলি আছে। ইৰিগেচনে যেতিয়া পানী যোগান ধৰিব তেতিয়া গড়কাপ্তানীয়ে কব যে আমি ৰাস্তা বান্ধিব ধৰিছো এতিয়া পানী নিদিব। পঞ্চায়তে যেতিয়া ৰাস্তা কৰিবলৈ লব তেতিয়া কব পানী নিদিব। গতিকে এটা কেলেংকাৰী চলি আছে। মই ভাবো অসমত জলসিঞ্চনৰ ব্যৱস্থা ভাল হলে অসম উন্নতিৰ পথত আগুৱাই যাব পাৰিব। ইয়াৰ বাবে দুৰ্নীতি পৰায়ণ বিষয়া বিলাকৰ প্ৰতি ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰু এই তিনিটা বিভাগৰ মাজত যাতে কামৰ বাবে খেলিমেলি নহয় তাৰ বাবে মন্ত্ৰী মহোদয়ে দৃষ্টি দিব লাগে। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিলো।

*শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী :- মাননীয় সভাপতি মহোদয়, আজি অসমৰ জলসিঞ্চন মন্ত্ৰী ডাঙৰীয়াই যি দাবী মঞ্জুৰী ৬৩ কোটি ৩ লাখ ৪১ হাজাৰ টকা বিচাৰিছে মই তাক সমৰ্থন কৰি কেইবাৰমান কথা কবলৈ বিচাৰিছো। আচলতে জলসিঞ্চন বিভাগটো খেতিয়ক ৰাইজৰ লগত ওতঃপ্ৰোত ভাৱে জৰিত। কিয়নো সকলো ৰাইজ এই বিভাগৰ দ্বাৰাই উপকৃত হয়। আজি আমাৰ সদনত সকলো মাননীয় সদস্যই উপলব্ধি কৰিছে যে প্ৰকৃততে আজি এই বিভাগে কৃষক ৰাইজক উপকৃত কৰিব পাৰিছেনে নাই এইটো বিচাৰ্য্য বিষয় হৈ পৰিছে। আমি ৪০ টা বছৰে দেখিবলৈ পাইছো যে,

*Speech not corrected

জলসিঞ্চন বিভাগে যোৱা পৰিকল্পনা বিলাকত যি পৰিমাণে অগ্ৰগতি লাভ কৰিব লাগিছিল সেই পৰিমাণে কৰিব নোৱাৰাৰ কাৰণেই আজি বিষয়টো সমালোচনাৰ বিষয় হৈ পৰিছে। কিমান একৰ মাটিত জলসিঞ্চন কৰিছে সেইটো বিশ্লেষণ কৰি চালে দেখিবলৈ পাওঁ যে যিবিলাক আঁচনি বহু বছৰ ধৰি কৰা হৈছে প্ৰায়বিলাকেই পানী যোগান ধৰি সম্পূৰ্ণ লক্ষ্যত উপনীত হব পৰা নাই। এতিয়া আকৌ নতুনকৈ মহকুমা পৰিকল্পনা নামাকৰণে মহকুমা পৰিকল্পনাত চাবলগীয়া হোৱাটো বিচাৰ্য্য বিষয়। উদালগুৰী আৰু মঙ্গলদৈ মহকুমা, চাবডিভিজনেল মহকুমাত যিবিলাক টকা খৰচ কৰা হয় সেই কাম এই পৰিকল্পনাত লব পৰা নাই। আমি তাত ৫টা পৰিকল্পনাৰ ঠাইত ২টা লোৱাত সমালোচনাৰ বিষয় হৈ পৰিছে। কাৰণ টকা কম হোৱা হেতুকে কোনো এটা আঁচনি সম্পূৰ্ণ নহব। অৰিয়াঅৰি হে সৃষ্টি হব। কোনোবা এটা সমষ্টিত পামচেট হৈছে, কোনোবা এটাত টিউবৱেল বহুৱাইছে। গতিকে দেখা যায় কোনো এটা আঁচনিয়েই পূৰ্ণ পৰ্য্যায়ৰ নহয়। গতিকে বিষয়টো পৰ্য্যালোচনা কৰি চাবলগীয়া হৈছে। তাৰোপৰি মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে, আগতেও আমাৰ যিবিলাক পৰিকল্পনা কৰা হৈছিল সেইবিলাক পূৰ্ণপৰ্য্যায়ৰ হয়নে নহয় সন্দেহ হৈছে। ধনশিৰি ইৰিগেচন প্ৰজেক্টত প্ৰথমে ৩০ কোটি টকাতে আৰম্ভ কৰি ৪০ কোটি ৫০ কোটি ৭০ কোটি টকা খৰচ কৰি আজি ১২ বছৰ ধৰি কাম হ'ল, কিন্তু, পূৰ্ণ পৰ্য্যায়ৰ কাম নহল। এনে অপব্যয় কি কাৰণে হৈছে? ধনশিৰি প্ৰকল্পটো সমাপ্ত কৰিবলৈ কিমান বছৰৰ পৰিকল্পনা কৰিছে? এই বিভাগে ৩০/৪০ কোটি টকাৰ ভিতৰতে এই প্ৰকল্পৰ কাম শেষ হব বুলি নিৰ্দ্ধাৰণ কৰিছিল। কিন্তু, আজি কিয় অতিৰিক্ত টকা দিবলগীয়া হ'ল? ইয়াৰ কাৰণ হ'ল যে আমাৰ যিবিলাক অভিযন্তা আছিল সেই সময়ত সেই বিষয়া সকলে পূৰ্ণ পৰ্য্যায়ৰ পৰিকল্পনা কৰা নাছিল। আনহাতে আমাৰ কালপানী প্ৰকল্পৰ ক্ষেত্ৰতো বিধান সভাত বহুবাৰ প্ৰশ্ন কৰা হৈছে। উত্তৰ পাইছো ই কাৰ্য্যক্ষম অৱস্থাত নাই। পৰ্য্যালোচনা কৰি চালে দেখা যায় যে বিষয়া সকলে আঁচনি প্ৰস্তুত কৰিব নেজানে। ধৰি লওক, হেডওৱৰ্কত ৯ লাখ টকা, কেনেলত ২ লাখ টকা এইদৰে বিভিন্ন শিতানত হিচাব কৰি আঁচনিৰ

*Speech not corrected.

ধন শেষ কৰাৰ কাৰণে যদি ১০ কোটি টকাও প্ৰয়োজন হয়, সেই প্ৰকৃত হিচাব তেওঁলোকে উলিয়াব পৰা নাই। কাৰণ সম্পূৰ্ণ আঁচনি তৈয়াৰ কৰিব নোৱাৰিলে চেংচন নহ'ব। গতিকে বিষয়াসকলে অসম্পূৰ্ণ আঁচনি তৈয়াৰ কৰি কাম আৰম্ভ কৰাৰ বাবে আজিলৈকে এই বিভাগৰ প্ৰকল্পত উপনীত হব পৰা নাই।

মাননীয় সভাপতি মহোদয়, সুস্থ পৰিকল্পনাৰ অভাৱত আজি আমাৰ বহুতো আঁচনি এনেকৈয়ে নষ্ট হৈ গৈছে। মোৰ সমষ্টিত থকা কালপানী আঁচনিখনত ৯ লাখ টকা লাগেনে বা ৩০ লাখ টকা লাগে এইটো। বিভাগীয় বিষয়াই ফঁহিয়াই দেখুৱাব লাগে—নদী ডাইভাৰচনত কিমান টকা লাগিব, ড্ৰেইনেজত কিমান লাগিব এইবোৰৰ সঠিকভাৱে আঁচনি প্ৰস্তুত কৰিব লাগে। গাইদ বান্ধৰ কাৰণে কিমান টকা লাগিব, ৫ লাখ নে ৮ লাখ এইটো উপযুক্তভাৱে আঁচনি বিভাগীয় বিষয়াই একেবাৰেই কৰি লব লাগে। ৰেলৱে বিভাগে কোনোবা দলং নিৰ্মাণ কৰিবলগীয়া হলে মূল দলঙৰ কাৰণে কিমান টকা, গাইড বান্ধৰ কাৰণে কিমান টকা, এপ্ৰোচ ৰোডৰ কাৰণে কিমান টকা লাগিব সেইটো আঁচনি প্ৰস্তুত কৰোতেই সঠিকভাৱে নিৰ্ণয় কৰি লয় আৰু টকা সেইমতে ধাৰ্য্য কৰি লয়। কিন্তু আমাৰ জলসিঞ্চন বিভাগৰ আঁচনিবোৰ সঠিকভাৱে প্ৰস্তুত নকৰাৰ ফলত প্ৰায়বোৰ আঁচনিয়েই বিফল হোৱা দেখা গৈছে আৰু প্ৰায়বোৰ আঁচনিত অবাবত বহু টকা খৰচ কৰা হৈছে। নগাকোষ বান্ধটো বিভাগে তথা বিভাগীয় বিষয়া বা অভিযন্তাসকলে সকলো দিশ চাই-মেলি ভালদৰে আঁচনি প্ৰস্তুত নকৰাৰ ফলত এতিয়া নদী থাকিল এফালে আৰু বান্ধ থাকিল এফালে—ইয়াৰ দ্বাৰা কৃষক ৰাইজ উপকৃত নহয়। এইটো ডি, আৰ, ডি এ আঁচনিত কৰা হৈছিল। বিষয়া বা অভিযন্তাসকলে আঁসোৱাহপূৰ্ণ আঁচনি প্ৰস্তুত কৰি প্ৰশাসনীয় অনুমোদন লাভ কৰি নিজৰ কাম নোহোৱাৰ কাৰণেই হওক বা নিজে টকা ঘটাৰ উদ্দেশ্যৰেই হওক আঁচনিৰ কাম হাতত লয় আৰু বছৰে বছৰে আঁচনিবোৰ ৰিপেয়াৰিং কৰি বহু টকা নষ্ট কৰে আৰু ৰাইজেও প্ৰাপ্য ফল লাভ কৰিব নোৱাৰে। সভাপতি মহোদয়, আমাৰ জলসিঞ্চন বিভাগে যিবোৰ আঁচনি লয় সেইবোৰ ফলপ্ৰসূ হোৱাকৈ লব লাগে—এই বিষয়ে বিভাগীয় মন্ত্ৰীয়ে দৃষ্টি ৰাখিব লাগে, যাতে

*Speech not corrected

উচিত কামত উচিত ভাবে ধন প্ৰয়োগ কৰা হয়। সভাপতি মহোদয়, আমাৰ ৰাজ্যত যিবোৰ উত্তোলন জলসিঞ্চন আছে সেইবোৰৰ পৰাও কৃষক ৰাইজ বিশেষভাবে উপকৃত হোৱা নাই। এইবোৰ খৰালি দিনত বন্ধ হৈয়ে থাকে, বাৰিষা দুমাহ বা তিনিমাহ বা অতি বেছি চাৰি মাহ ইয়াৰ পৰা ৰাইজে পানী পাব লাগে। কিন্তু প্ৰায়বোৰ এনেধৰণৰ আঁচনিয়েই দুমাহ বা এমাহ পানী দিয়াৰ পিচতেই বিকল হৈ পৰে। আনহাতে বহু সময়ত এইবোৰ আঁচনিত কাম কৰা বিষয়া বা কৰ্ম্মচাৰীক আঁচনিৰ ঠাইত পাবলৈ নাই, প্ৰায়েই নাথাকে। কোনোবা এজনক পালেও তেওঁ কব যে মোৰ এতিয়া ডিউটি নাই, ডিউটিত থকাজন এতিয়া নাই, আনকি পাম্প খোলা চকীদাৰ জনো বহুত সময়ত বিচাৰি পাবলৈ নাই। বিভাগে এইবোৰৰ প্ৰতি চকু দিব লাগে। গোটেই বছৰটো বহি থাকি ২-৪ মাহ কাম কৰিবলগা এই কৰ্ম্মচাৰী সকলো যদি সময় মতে, প্ৰয়োজনমতে, কৰ্ম্মস্থলত উপস্থিত নেথাকে, তেন্তে কেনেকৈ হব? মোৰ সমষ্টিত দলংঘাট যিটো প্ৰজেক্ট আছে যোৱা বড়ো আন্দোলনৰ সময়ত তাৰ চাৰিওটা মটৰ চুৰি হৈছে। চকীদাৰ বা উক্ত আঁচনিৰ দায়িত্বত থকা বিষয়াই কি কৰিছিল? কলৈ গৈছিল—একো ব্যৱস্থা নাই। চৰকাৰে সঠিক আঁচনি লৈ এই ক্ষেত্ৰত কাম কৰিব পৰা নাই। ফলত যিবোৰ লিফট ইৰিগেচন আছে সেইবোৰৰ পৰা আমাৰ কৃষক ৰাইজ উপকৃত হোৱা নাই। বাৰিষা বৰষুণৰ পানীও কৃষকে পায়, অথচ সময় সাপেক্ষে আঁচনিৰ পৰা পাবলগীয়া পানী কনো নেপায়। বহু ক্ষেত্ৰত দেখা যায় এনে আঁচনিৰ কেনেলবোৰ বৰ ডাঙৰকৈ খন্দা হয় যাৰ ফলত আগত থকা এচাম কৃষকে পানী পায় আৰু এচামে নেপায়—ফলত কাজিয়াৰ সৃষ্টি হয় পানী ভাগ-বটোৱা লৈ। কেনেলবোৰ সঠিক জোখত অলপ সৰু কৰি সকলোৱে যাতে পানী পাব পাৰে। তেনেকৈ তৈয়াৰ কৰিব লাগে। (সময় সংকেত)। মাননীয় চেয়াৰমেন মহোদয়, মোৰ সমষ্টিৰ বহুকেইটা প্ৰজেক্ট যেনে, কালমনি, কুলশী, খৰদলং আদিৰ পৰা ৰাইজ উপকৃত হোৱা নাই। যিবোৰ প্ৰজেক্ট বহু কোটি, লাখ টকা খৰচ কৰি কৰা হয় তাৰ পৰা যাতে ৰাইজ উপকৃত হয় তাৰ কাৰণে বিভাগে চকু দিব লাগে। নহলে এই বিভাগটোৰ দুৰ্ণাম কেতিয়াও নুগুচে। (সময় সংকেত)। মই এইখিনিকে কৈ মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ে যি দাবী মঞ্জুৰী বিচাৰিছে তাক সমৰ্থন কৰি বিৰোধী পক্ষই

*Speech not corrected.

অনা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

চেয়াৰমেন : এতিয়া মাননীয় সদস্য দীপক দাস। আপুনি চমুকৈ কব।

*কুমাৰ দীপক দাস : মাননীয় সভাপতি মহোদয়, জলসিঞ্চন বিভাগৰ দাবী মঞ্জুৰীৰ ওপৰত ইতিমধ্যে যথেষ্টখিনি আলোচনা-বিলোচনা ইত্যাদি হৈছে। বিত্তীয় সাহায্যৰ নামত ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত ধাৰৰ যিটো বোজা বাঢ়িছে তাৰ ভিতৰত অসমো ব্যতিক্ৰম নহয়। আমি যেতিয়ালৈকে নিজৰ ভৰিৰ ওপৰত থিয় হৈ স্বাবলম্বী হৈ কাম কৰিব নোৱাৰো তেতিয়ালৈকে দেশখন ধাৰৰ বোজাত ডুব গৈ থাকিব। ৰাজ্যখনত শতকৰা ৮০ ভাগ মানুহেই কৃষিজীৱি আৰু আয়ৰ শতকৰা ৩৭.৪ ভাগ কৃষি বিভাগৰ পৰাই আহে। এই ক্ষেত্ৰত অসমত জলসিঞ্চন বিভাগে যেনেকুৱা এটা ভূমিকা পালন কৰিব লাগিছিল থিক তেনেকৈ পালন কৰিব পৰা নাই আৰু কৃষিউন্নয়ণৰ কাৰণে ইয়াক ব্যৱহাৰ কৰিব পৰা নাই। ভাৰতবৰ্ষত জলসিঞ্চনৰ ব্যৱহাৰৰ হাৰ শতকৰা ৬৪.৫, কিন্তু অসমত ইয়াৰ ব্যৱহাৰ শতকৰা ৬০ ভাগ। এইটো গণনা কৰিহে কোৱা হৈছে। প্ৰকৃতাৰ্থত জলসিঞ্চনৰ কাৰণে যিখিনি শক্তি পাব লাগিছিল সেইখিনি শক্তি পাব লাগিছিল সেইখিনি শক্তি পোৱা নাই। এইকাৰণেহে পোৱা নাই যে, অসমত এতিয়ালৈকে যিমানবিলাক আঁচনি কাৰ্য্যকৰী কৰিবলৈ লোৱা হৈছে সেই আঁচনিবিলাকৰ কোনোটোৱেই এতিয়ালৈকে সম্পূৰ্ণ হোৱা নাই বুলি বিভাগৰ ফালৰ পৰাও কোৱা হৈছে আৰু কৃষক সকলেও এই বিষয়ে কয়।

(সদনত থলুৱ অভাৱ)

এই বিষয়ে জলসিঞ্চন বিভাগে মনোনিবেশ কৰিব লাগে। মাননীয় সভাপতি মহোদয়, কৃষি উৎপাদনৰ ক্ষেত্ৰত বিদ্যুত শক্তিক যি ধৰণে প্ৰয়োগ কৰিব লাগিব তাৰ এটা পৰিবেশ অসমত গঢ়ি উঠা নাই। অসমত বিদ্যুত বেছি উৎপাদন হয়। কিন্তু ইয়াৰ 'ডিমাণ্ড' কম। খেতিপথাৰত কৃষক সকলক সুবিধা দিব পৰাকৈ বিদ্যুত শক্তি দিব পৰাৰ পৰিবেশ অসমত এতিয়াও হোৱা নাই আৰু প্ৰচেষ্টাও হোৱা নাই। জলসিঞ্চন, কৃষি আৰু বিদ্যুত শক্তি এই তিনিওটাৰে সামঞ্জস্য আনি জনসাধাৰণৰ স্বাৰ্থৰ বাবে ব্যৱহাৰ কৰাৰ যি ব্যৱস্থা লব লাগিছিল এই ব্যৱস্থা এতিয়াও হোৱা নাই।

*Speech not corrected.

মই এই তিনিওটা বিভাগৰ ভাৰপ্ৰাপ্ত মাননীয় মন্ত্ৰী মহোদয় সকলক এই অনুৰোধ কৰিব খুজিছো যে, এই তিনিওটা বিভাগ একত্ৰিত হৈ পৰিকল্পনা ৰচনা কৰিব লাগে যাতে ৰাজ্যখনক কৃষিৰ উৎপাদনৰ ক্ষেত্ৰত আগুৱাই নিব পাৰি আৰু তাৰ দ্বাৰা কিছুপৰিমাণে হলেও আমাৰ ৰাজ্যখনে সন্মুখীন হোৱা ভয়াবহ অৰ্থিক সংকতৰ অৱসান ঘটোৱাত ই সহায়ক হব।

মাননীয় সভাপতি মহোদয়, মই আমাৰ বৰপেটা জিলাৰ কথা ইয়াৰ আগতেও ভালেমান দিন এই সদনতে উল্লেখ কৰিছো—বিশেষকৈ জলসিঞ্চনৰ ক্ষেত্ৰত। পাগলদিয়া নদীকে ধৰি তাত প্ৰায় ১৪টা জলসিঞ্চন আঁচনিৰ ভিতৰত দুটা আঁচনিৰ বাহিৰে বাকী ১২ টা আঁচনিয়েই অচল অৱস্থাত আছে। এইবছৰো তিনিটা আঁচনিৰ কাম আৰম্ভ কৰিবৰ কাৰণে আৱশ্যকীয় পুঁজিৰ কাৰণে চৰকাৰৰ ওচৰলৈ প্ৰস্তাৱ আহিছে। বিধান সভাৰ মজিয়াত এই বিষয়ে ভাৰপ্ৰাপ্ত মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰাত এই বিষয়ে ব্যৱস্থা লোৱা হব বুলি কৈছিল। কিন্তু প্ৰকৃতাৰ্থত এই বিষয়ে কোনো কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। প্ৰত্যেক সমষ্টিৰে কৃষক সকলে আমাক কৈছে যে, জলসিঞ্চন আঁচনিবিলাকে ভালদৰে কাম কৰিব পৰা নাই। বিভাগটোক কাৰ্য্যক্ৰম কৰি তুলিবৰ কাৰণে যিমান খিনি পৰিকল্পনা লব লাগিছিল সেই খিনি লোৱা নাই। সেই কাৰণেই আমি ভৱাৰ অৱকাশ আছে যে, আজি যিমানখিনি টকা বিচাৰি ইয়াত দাবী মঞ্জুৰী বিছৰা হৈছে এই টকা খিনি জনসাধাৰণৰ কামত জনসাধাৰণৰ স্বাৰ্থত লাগিব বুলি আশা কৰিব নোৱাৰি। সেই বুলি আজি যিমানখিনি টকা বিচাৰিছে সেইখিনি দিয়াত আমাৰ মাননীয় সদস্য সকলে আপত্তি নকৰে। কিন্তু ইয়াৰ সুফল যাতে আমাৰ কৃষক সকলে পায় তাৰ কাৰণে চকু দিয়াটো সকলোৰে কৰ্ত্তব্য। এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। মাননীয় সভাপতি মহোদয়, ১৯৬২ চনতে হাতত লোৱা কালপানী জলসিঞ্চন আঁচনিটো আজিও কাৰ্য্যকৰী কৰিব পৰা নাই। আজি ২৭ বছৰৰ পিছতো এই আঁচনিটো কাৰ্য্যকৰী কৰিব পৰা নাই।

মাননীয় সভাপতি মহোদয়, প্ৰত্যেক বছৰে প্ৰত্যেক জিলাতে কিছুমান জলসিঞ্চনৰ আঁচনি গ্ৰহণ কৰা হয়। এই আঁচনিবিলাক নিৰ্দ্দিষ্ট সময়ত নিৰ্দ্দিষ্ট পৰিমাণৰ টকাত সম্পূৰ্ণ কৰিব নোৱাৰাৰ কাৰণে এইবিলাক ক্ৰমান্বয়ে

*Speech not corrected.

বৃদ্ধি পাই বহু কোটি টকাত পৰেগৈ। সেইকাৰণেই কৈছো যিবিলাক আঁচনি লোৱা হয় সেইবিলাক নিৰ্দিষ্ট সময়ত শেষ কৰিবৰ কাৰণে সময় সীমা বান্ধি দিব লাগে যাতে এই আঁচনিবিলাক সেই সময়ৰ ভিতৰত সমাপ্ত কৰি জন-সাধাৰণৰ স্বাৰ্থত লগাব পৰা যায়। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

* শ্ৰীমছিৰুদ্দিন ছেইখ: মাননীয় সভাপতি মহোদয়, কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই কেইআষাৰমান কথা কব খুজিছো।

মাননীয় সভাপতি মহোদয়, জলসিঞ্চন বিভাগটো অসমত খুউব দেৰি কৈহে আৰম্ভ কৰা হৈছে। আগতে এই বিভাগটো কৃষি বিভাগৰ লগতহে আছিল। এটা কথা আমাৰ মাননীয় সদস্য শ্ৰীৰামেন্দ্ৰ দে ডাঙৰীয়াইও কৈছে যে, এসময়ত যেতিয়া শ্ৰীগোলাম ওছমানি ডাঙৰীয়া জলসিঞ্চন মন্ত্ৰী আছিল তেতিয়া কৈছিল যে, ২৭ লাখ হেক্টৰ মাটিত জলসিঞ্চন কৰা হব। কিন্তু এতিয়ালৈকে ৪ লাখ হেক্টৰো মাটি জলসিঞ্চন কৰিব পৰা নাই। তেখেতৰ পিছত আছিল, শ্ৰীজেহেৰুল ইছলাম। তেখেতৰ দিনত সেই একে ৪ লাখ হেক্টৰতে সীমাবদ্ধ থাকিল। তাৰ পিছত আছিল শ্ৰীপৰীন ডেকা। তেওঁৰ দিনতো সেই একেই থাকিল। এতিয়া আছিছে আমাৰ মাননীয় মন্ত্ৰী বৰা ডাঙৰীয়া। তেখেতো তাতেই সীমাবদ্ধ থাকিব। যদি ১৯৭৮ চনৰ পৰা ইমান খিনি মাটিহে জলসিঞ্চনৰ ভিতৰলৈ আহিছে তেতিয়াহলে, তাৰ পৰা এইটো বুজা যায় যে, ১৯৭৮ চনৰ পৰা আজিলৈকে কোনো প্ৰজেক্টেই ইমপ্লিমেণ্ট' হোৱা নাই। 'একজিকিউট' হোৱা নাই। আমি এটা কথা সদায়েই দেখি আহিছো যে, এই বিভাগত প্ৰজেক্টবিলাকৰ ক্ষেত্ৰত প্ৰত্যেক বছৰেই মেৰামতিৰ স্কোপ থাকি যায়। এই কাৰণেই থাকি যায় যে, ইয়াত যথেষ্ঠ লাভ হয় বা থাকে বুলি কোৱা শুনা যায়। এইটোৱেই যদি মান-সিকতা হয় তেতিয়াহলে কি হব সেইটো চিন্তা কৰি চাব লাগিব।

মাননীয় সভাপতি মহোদয়, যিবিলাক 'ডিপ্ টিউব ওৱেল' আৰু চেলো টিউব ওৱেল আছে সেইবিলাক বহুতো জাগাৰ কাৰণে 'চুইটেবল' নহয়। গতিকে এই আঁচনিবিলাক লোৱাৰ ক্ষেত্ৰত কাৰো চুঁচাত পৰি আঁচনিবিলাক লব নালাগে, এইবিলাক লওঁতে কাৰিকৰী বিষয়া সকলৰ

*Speech not Corrected.

দ্বাৰাহে লোৱাৰ ব্যৱস্থা হব লাগে। তাকে নকৰাৰ কাৰণে যমুনা ইৰিগেশ্বনকে আদি কৰি বিভিন্ন আঁচনিবিলাক কৃতকাৰ্য্য হব পৰা নাই। গতিকে হেঁচাত নপৰি 'ফিজিবিলিটি'ৰ ওপৰত ভিত্তি কৰিহে আঁচনিবিলাক লোৱাৰ ব্যৱস্থা হব লাগে। ধুবুৰী জিলাৰ আঁচনিবিলাকো থিক তেনেকুৱাই হৈছে। যেতিয়া বাইজে পানী বিচাৰে তেতিয়া পানী নাই। দুবছৰৰ পিছত পানী শুকাই যায়। অৰ্থাৎ পানী যোগানৰ নামত লাখ লাখ টকা খৰচ কৰা হৈছে। বাবিষাৰ সময়ত আমাৰ কৃষক সকলক পানী নালাগে। পানী এনেয়ে পোৱা যায়। পানীৰ প্ৰতাপত মানুহ থাকিবহে নোৱাৰা হয়। তেতিয়া এনেয়ে পাম্পবিলাক থই এবাৰ চলাই মানুহবোৰ বহি থাকে। গতিকে 'ফিজিবিলিটি' নোহোৱাকৈ কোটি কোটি টকা খৰছ কৰি থাকিলে তাৰ দ্বাৰা কোনো লাভ নহব।

(বেল বজায়)

মাননীয় সভাপতি মহোদয়, মই শেষ কৰিছোৱেই। গোটেই অসমতে ক'ত ক'ত জলসিঞ্চন আঁচনিৰ ফিজিবিলিটি আছে তাৰ এটা চাৰ্ভে কৰি লৈ সেই মতে কাম কৰিলে কৃষি উৎপাদনত জলসিঞ্চন বিভাগ কৃতকাৰ্য্য হবা এইবিলাক পৰামৰ্শ আগবঢ়ায়েই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ।

**Mr. Chairman** : Now, I Request the Hon'ble Minister, Irrigation, to give his reply.

* **শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী)** : মাননীয় সভাপতি মহোদয়, আজি সদনৰ কাৰ্য্যসূচীত জলসিঞ্চন বিভাগৰ ওপৰত দাবী মঞ্জুৰী উত্থাপন কৰা হৈছিল তাৰ ওপৰত যথেষ্টখিনি আলোচনা বিলোচনা হ'ল আৰু আমাৰ মাননীয় সদস্য শ্ৰীকুল বাহাদুৰ ছেত্ৰী, শহীদুল ইচলাম, শান্তি ৰঞ্জন দাস গুপ্ত, প্ৰমুখ্য কৰি শ্ৰীযনেন্দ্ৰ বসুমতাৰী, ৰামেন্দ্ৰ দে, কুমাৰ দীপক দাস, কিৰণ গগৈ, দেবেশ্বৰ বৰা আৰু গিৰীন বৰুৱাকে আদি কৰি সকলোৰে পৰামৰ্শ আমি ইতিমধ্যে শুনিলো। আমাৰ আজিৰ আলোচনাত এই জলসিঞ্চন বিভাগৰ ওপৰত বিভিন্ন ধৰণৰ বিষয়ত আলোকপাত কৰাৰ কাৰণে আলোচনাত অংশগ্ৰহণকাৰী সকলক মই ধন্যবাদ জ্ঞাপন কৰিছো। তেখেত সকলৰ পৰামৰ্শৰ বিভিন্ন দিশে আহিবলগীয়া বছৰটোত সুচাৰুপে যাতে পৰিচালিত

*Speech not corrected.

হব পাৰে তাৰ বাবে লক্ষ্য ৰাখিম। কৃষি আৰু জলসিঞ্চন এই দুয়োটা বিষয়ৰ লগত জৰিত হৈ আছে। কৃষিৰ উন্নতি সাধিবৰ কাৰণে আধুনিক প্ৰযুক্তি বিদ্যা উদ্ভাৱন কৰি জলসিঞ্চনৰ এক বিশেষ ব্যৱস্থা কৰি উত্পাদন বৃদ্ধি কৰিব পৰা যাব। কৃষি উৎপাদন যেতিয়ালৈকে বৃদ্ধি নহয় তেতিয়ালৈকে কোনো অঞ্চলৰে উন্নতি নহয়। কৃষি উৎপাদনত উন্নতি সাধিবৰ কাৰণে চৰকাৰৰ এক বিশেষ পালনীয় কৰ্ত্তব্য আছে। সেই ক্ষেত্ৰত আমি বিশেষ ভাৱে সচেতন হব লাগিব। দেশৰ বিভিন্ন ঠাই, বিভিন্ন জাতি উপজাতিৰ বা সম্প্ৰদায়ৰ মাজত থকা বৈষম্য লাঘব কৰিব নোৱাৰিলে আমি এটা জাতি মাত্ৰ এই হিচাপে তিষ্ঠি থাকিব নোৱাৰিম। কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্কৰ বিষয়টোত আমি এই দৃষ্টিকোণৰ পৰা অনুধাবন কৰিব লাগে। ৰাজ্য সমূহৰ সম্পদ ক্ষমতা নিৰ্বিচাৰে সমানুপাতিক ভাৱে সামগ্ৰীৰ উন্নয়ণ কৰাটোৱেই ভাৰতবৰ্ষৰ পৰিকল্পনাৰ মুখ্য বিষয় আৰু আদৰ্শ হব লাগিব। সেয়ে ৭ম পৰিকল্পনাৰ প্ৰস্তাৱনাত কোৱা হৈছিল যে উন্নয়ণৰ ক্ষেত্ৰত উদ্ভৱ হোৱা আঞ্চলিক বৈষম্যৰ সমস্যাটো বিভিন্ন স্তৰত সমাধা কৰিব লাগিব। আপেক্ষিক ভাৱে অনুন্নত অঞ্চলত কৃষি উন্নয়ণ কৰিলেই সমস্যাটোৰ আংশিক সমাধান ওলাই পৰিব। কাৰণ এনে এক সিদ্ধান্ত লওঁতে অতি ওচৰৰ পৰা সমস্যা সমূহৰ পুনৰ নিৰীক্ষণ কৰিব লাগে। তেতিয়াহে বিত্তীয় ব্যৱস্থাৰ গ্ৰহণ, উদ্যোগ প্ৰতিষ্ঠাৰ নীতি নিৰ্দ্ধাৰণ, জলসিঞ্চন আৰু ভিত্তি গাঠনিৰ বাবে বিত্ত বিনিয়োগ আৰু বহুতো বিষয়ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰা হব। এই আঞ্চলিক উন্নয়ণৰ দিশটো সপ্তম পৰিকল্পনাৰ অবিচ্ছেদ্য অঙ্গ হিচাপে গ্ৰহণ কৰাটো অতি আৱশ্যকীয় হৈ পৰিছে। এই বিষয়ে ৭ম পৰিকল্পনাত কোৱা হৈছে। অসমত কৃষিৰ উন্নতি কৰিবৰ কাৰণে খেতি পথাৰৰ মাটি আছে ২৭ লাখ হেক্টৰ। ২৭ লাখ হেক্টৰ মাটিত গড় হিচাপে সৰ্ব্বাধিক উৎপাদন পোৱা হয় ১৯৮৬-৮৭ চনত ২৭ লাখ মেট্ৰিক টন ধান উৎপাদন হৈছে। যদি উৎপাদন দুগুণ বৃদ্ধি কৰিব খোজা হয় তেন্তে জলসিঞ্চনৰ ব্যৱস্থা উন্নত কৰিব লাগিব। কিন্তু দুখৰ বিষয় মই মাননীয় সদস্য সকলক জনাব খোজো যে প্ৰথম পঞ্চ বাৰ্ষিক পৰিকল্পনাত অসমৰ কাৰণে কোনো ধন ধৰা হোৱা নাছিল। দ্বিতীয় পঞ্চ বাৰ্কি পাৰ-

---

*Speech not corrected.

কল্পনাতো কোনো ধন ধৰা হোৱা নাছিল। কিন্তু তৃতীয় পঞ্চ বাৰ্ষিক পৰিকল্পনাত কিছু ধন ধৰা হৈছিল। মুঠ কথাত কবলৈ হলে অসমত জলসিঞ্চনৰ চেপ্তাবটো ৬ষ্ঠ পৰিকল্পনাৰ পৰাহে আৰম্ভ হৈছে। ৭ম পৰিকল্পনাত ১৯৭৭ চনৰ পৰা জলসিঞ্চনৰ কাৰ্যাসূচী অসমত ব্যাপক ভাৱে কৰা পৰিলক্ষিত হৈছে। আগৰ সময়চোৱাত কৃষিৰ ক্ষেত্ৰত যি গুৰুত্ব দিব লাগিছিল সেয়া দিয়া হোৱা নাছিল, হয়তো অসমত বৰষুণ বেছি হোৱাৰ কাৰণেই এই বিষয়ত বেছি গুৰুত্ব দিয়া হোৱা নাছিল। এতিয়া জনসংখ্যাও বৃদ্ধি পাইছে। সেয়ে উৎপাদন বৃদ্ধি কৰিব লগা হৈছে, নহলে দেশৰ উন্নতি সাধন কাৰো পৰা নাযাব। মাটিৰ পৰিমাণ বৃদ্ধি হৈ নাযায়। আজি এটুকুৰা মাটিতে অধিক উৎপাদন কৰিবৰ কাৰণে আমি কামাও কৰিয়া বঢ়াব লাগিব। সেয়ে আমি অনুভৱ কৰিছো যে বিশেষকৈ জলসিঞ্চনৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়াৰ চেষ্টা কৰিব লাগে। আৰু ব্যাপক হাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগে। যি সময়ত আমাৰ জলসিঞ্চনৰ বেছি প্ৰয়োজন হয় সেই সময়ত মানে খৰালী সময়ত আমাৰ প্ৰজেক্টবিলাক শুকাই যায় কাৰণ এই প্ৰজেক্টবিলাকৰ উৎস নদীৰ ওপৰত নিৰ্ভৰশীল। সেয়ে কিছুমান সময়ত জলসিঞ্চন কৰিব নোৱাৰে। আমি যদি ভূ-গৰ্ভত থকা পানীৰ ওপৰত নিৰ্ভৰ কৰি জলসিঞ্চন ব্যৱস্থা স্থাপন নকৰো তেনেহলে খৰালী ৰবি শস্যৰ ক্ষেত্ৰত পানী যোগান ধৰা অসম্ভৱ হৈ পৰিব। সেই কাৰণেই এই ক্ষেত্ৰত বহু কেইটা দিশ সামৰি লবলৈ চেষ্টা কৰিব লাগিব। বৃহৎ, মজলীয়া আৰু ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পত এই সকলোবোৰ সামৰি এই দিশত আগবাঢ়ি গলে আমি নিশ্চয় এনেকা ভিত্তিত জলসিঞ্চন ব্যৱস্থা সফল কৰিব পাৰিম। উদাহৰণ স্বৰূপে যমুনা প্ৰজেক্টৰ কথা কোৱা হৈছে, এই প্ৰজেক্টৰ পৰা প্ৰায় ৪ হাজাৰ বিঘা মাটিত জলসিঞ্চন কৰা হৈছে। এই প্ৰজেক্টেই অসমত আজিলৈকে সৰ্ব্বাধিকভাৱে কৃষিত সহায় কৰিব পাৰিছে। তাৰ পৰাই প্ৰতিপন্ন হৈছে যে আৰু অধিকভাৱে জলসিঞ্চন কৰিব পাৰিলে কৃষিৰ উৎপাদন বৃদ্ধি নোহোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। সেই কাৰণেই সকলো সময়তে জলসিঞ্চন ব্যৱস্থা শক্তিশালী কৰি ৰাখিব পাৰিলে কৃষিৰ উৎপাদন নিশ্চয় বৃদ্ধি পাব। কিন্তু ইয়াৰ বিপৰীত দিশটোও চাব লাগিব। কিছুমান অঞ্চলত দেখা যায় যে

*Speech not corrected

জলসিঞ্চনৰ ব্যৱস্থা থকা স্বত্বেও তাত খেতি কৰা নহয়। এই ফালৰ পৰা জলসিঞ্চন ব্যৱস্থাৰ সম্প্ৰসাৰণ নকৰা বুলি বিৰূপ মন্তব্য প্ৰকাশ কৰা হয়। কিন্তু পানী দিয়াৰ পিচতো খেতি নকৰিলে যি পৰিস্থিতিৰ উদ্ভৱ হয় সেইটো কেনেকৈ সমাধান কৰিব পৰা যাব সেই দিশটো আজি অনুধাৱন কৰিব লাগিব। এনেকুৱা বহু প্ৰজেক্ট আছে যিবিলাকত পানী যোগান দিয়াৰ পিচতো কমাণ্ড এৰিয়াত খেতি কৰা দেখা নাযায়।

শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত : আমাৰ অঞ্চলত কিন্তু তেনেকুৱা হোৱা নাই।

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : মাননীয় সভাপতি মহোদয়, মই কিছুমান বিষয়ত পদ্ধতিগত ভাৱে কৰজগীয়া আছে। গতিকে মোক কবলৈ দিয়ক। ১৯৭২ চনতে সৰভোগত এটা প্ৰজেক্ট স্থাপন কৰা হৈছিল আৰু এতিয়া মই নিজেও সেইটো চাবলৈ গৈছিলো। তাত গৈ গম পালো যে সেই ১৯৭২ চনৰে পৰাই তাত পানী যোগান দিয়া স্বত্বেও তাত কোনো ধৰণে দ্বিতীয়টো খেতি কৰাৰ চেষ্টা কৰা হোৱা নাই।

অধ্যক্ষ মহোদয়, কিন্তু এই বছৰ কৰিব খুজিছো আৰু যোৱা ডিচেম্বৰ মাহতে আমি জলসিঞ্চন আৰু কৃষি বিভাগৰ মাজত যুটীয়া ভাৱে সমিতি পাতি কাম কৰিবলৈ আয়োজন কৰা কাৰণে সুবিধা হৈছে আৰু এই দৰে দুয়োটা বিভাগৰ মাজত সমন্বয় ৰক্ষা কৰিবলৈ বিচৰা হৈছে। আমি এইটো স্পষ্ট দেখিবলৈ পাইছো যে জলসিঞ্চনৰ লগত কৃষি বিভাগৰ ভূমিকা অধিক কৰি তুলিলে অধিক খেতি হোৱাত সহায় হব আৰু জলসিঞ্চনৰ সুবিধা কৃষক সকলে গ্ৰহণ কৰিব পাৰিব। সেই কাৰণে মোটিভেশনৰ ক্ষেত্ৰত এই যুটীয়া সমিতিয়ে সহায় কৰিব পাৰিব ভাবিয়েই এনে দৰে যৌথ সমিতি গঠন কৰা হৈছে। আমাৰ পঞ্চম পৰিকল্পনাৰ প্ৰথম চাৰি বছৰত ব্যয় মঞ্জুৰী আছিল ১৩১·৯৪ কোটি টকা। তাৰ ভিতৰত বৃহৎ প্ৰকল্পৰ কাৰণে ৯৮·৬৯ কোটি টকা। ১৯৮৮-৮৯ চনত ব্যয় মঞ্জুৰী ৪৩·২০ তকৈ কম পোৱাৰ ফলত আশানুৰূপ ভাবে স্বাভাৱিক জটিলতাৰ সৃষ্টি হয়। ইয়াৰ পৰা ক্ষুদ্ৰ জলসিঞ্চনৰ দ্বাৰা ১৮৩·৯০ হেক্টৰ আৰু বৃহৎ আৰু মজলীয়া প্ৰকল্পৰ দ্বাৰা ৭১ হাজাৰ ২৭৫ হেক্টৰৰো অধিক জলসিঞ্চন সম্পদ কৰিব পৰা যাব বুলি ভবা হৈছিল। ১৯৮৫ চনৰ ৰেকৰ্ড মতে শতকৰা ১৩ ভাগ জলসিঞ্চনৰ বিপৰীতে ১৯৮৯-৯০ চনত আৰু বেছি আশা কৰা হৈছে। যোৱা বছৰ এই ৰেকৰ্ড আছিল শতকৰা ১৮ ভাগ।

Out of the total agricultural land 13% has been completed. The progress has gone up to 18% last year and by the end of the 7th plan we expect the progress will go up to 22% of the total agricultural land.

এই পৰিসংখ্যা অনুপাতে আমি আগবাঢ়ি আছো। তথাপি আমাৰ জলসিঞ্চন বিভাগৰ দ্বাৰা নিজা ববীয়াকৈ এটা পৰিসংখ্যা লোৱাৰ ব্যৱস্থা কৰিব খুজিছো। তেতিয়া হলে প্ৰকৃত অগ্ৰগতি সম্পৰ্কে বিভাগটোৰ সকলো সচেতন হৈ থাকিব পৰা হব আৰু সেই অনুসৰি কাম কাজ কৰাত সুবিধা হব। এই বছৰৰ পৰাই এই ব্যৱস্থা কৰিম বুলি ভাবিছো। ৭ম পৰিকল্পনাত প্ৰথম চাৰিটা বছৰৰ পৰিকল্পনা ব্যয় মঞ্জুৰী আছিল ক্ষুদ্ৰ জলসিঞ্চন খণ্ডৰ বাবে ১৩১.৭৪ কোটি টকা আৰু বৃহৎ মজলীয়া বাবে ৯৮ ৬৯ কোটি টকা ১৯৮৮-৮৯ চনৰ বিত্তীয় বছৰত ব্যয় মঞ্জুৰী প্ৰায় ৪৩ শতাংশ কমি যোৱাৰ ফলত আশানুৰূপ উন্নয়ণৰ গতিত স্বাভাৱিকতে জটিলতাই দেখা দিছে। ইয়াৰ ফলত সপ্তম পৰিকল্পনাৰ কাল-ছোৱাত ক্ষুদ্ৰ জলসিঞ্চন খণ্ডৰ ১৬৩.৯০৩ হাজাৰ হেক্টৰ আৰু বৃহৎ মজলীয়া খণ্ডৰ ৭১.২৬৫ হাজাৰ হেক্টৰৰ বাবেহে অতিৰিক্ত জলসিঞ্চন সমৰ্থ আহৰণ কৰিব পৰা হব বুলি আশা কৰিব পাৰি অৰ্থৎ ১৯৮৯-৯০ চনৰ বিত্তীয় বছৰৰ শেষত সফলতাৰ হাৰ হবগৈ প্ৰায় ২২ শতাংশ। আনহাতে ৰাজ্যখনৰ কেতবোৰ অংশত অশান্তিকৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত জলসিঞ্চনৰ আঁচনি সমূহৰ ৰূপায়ণ যোৱা বছৰত বাৰুকৈয়ে বিঘ্নিত হৈছে। ১৯৮৮ চনৰ পহিলা এপ্ৰিল পৰ্য্যন্ত ৰাজ্যখনত ১২৬০ টা ক্ষুদ্ৰ জলসিঞ্চন আঁচনি নিৰ্মাণৰত অৱস্থাত আছিল। ১৯৮৮-৮৯ চনৰ ভিতৰত ৩১৫ টাৰ কাম সম্পূৰ্ণ হব বুলি আশা কৰা গৈছিল যদিও বিত্ত মঞ্জুৰী সংকোচন কৰাৰ ফলত এই লক্ষ্য পূৰণ কৰাৰ সম্ভৱ নহব। ১৯৮৯-৯০ চনৰ বিত্তীয় বছৰৰ পৰিকল্পনাৰ ব্যয় মঞ্জুৰী ৪০১৮ লাখ টকা। ইয়াৰে ৩৬৫২ লাখ সাধাৰণ এলেকাৰ বাবে আৰু ৩৬৬ লাখ সংযোজিত পৰিকল্পনাক ধৰি পাৰ্ব্বত্য এলেকাৰ বাবে। এই টকা কমেও ৩৬০ টা আঁচনিৰ নিৰ্মাণ সম্পূৰ্ণ কৰি তোলাৰ অৰ্থে আৰু যিমান সম্ভৱ পৰা যায় নিৰ্মাণ চলি থকা বাকী ক্ষুদ্ৰ আঁচনিৰ জৰিয়তে আংশিক সফলতা লাভ কৰিব পৰাকৈ প্ৰয়োজনীয় কামৰ বাবে খৰচ কৰা হব। ইয়াৰ ফলত প্ৰায় ৩৩.৪৭৪ হাজাৰ হেক্টৰ মাটিৰ অতিৰিক্ত জলসিঞ্চন সামৰ্থ্য সৃষ্টি

কাৰিব পৰা যাব বুলি ধাৰ্য্য কৰা হৈছে। বৃহত মজলীয়া খণ্ডত ১৯৮৯-৯০ চনৰ বিত্তীয় বছৰত নিৰ্মাণ পৰ্য্যায়ত থকা আঁচনিৰ সংখ্যা ১৩ টা। বছৰটোৰ ভিতৰত ইয়াৰে ৪ টা নিৰ্মাণ সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে। এই শিতানত প্ৰায় ১৯৩০০ হাজাৰি হেক্টৰ মাটিৰ বাবে জলসিঞ্চন সামৰ্থ্য সৃষ্টি কৰিব পৰাকৈ মুঠ ২৩৭৯ লাখ টকাৰ ব্যয় কৰা হব। ইয়াৰে সাধাৰণ এলেকাত ২৫৭৯.৯৯ লাখ টকা আৰু পাৰ্ব্বত্য এলেকাৰ বাবে ধাৰ্য্য কৰা হৈছে ১০০ লাখ টকা। ক্ষুদ্ৰ আৰু বৃহৎ মজলীয়া উভয় খণ্ডৰে অসম্পূৰ্ণ প্ৰকল্প সমূহৰ কাম সম্পূৰ্ণ হৈ উঠিলে প্ৰায় ৭১০ হাজাৰ হেক্টৰ মাটিত জলসিঞ্চন কৰিব পৰা যাব। অৱশ্যে ব্যক্তিগত সফলতাখিনি ধৰিলে সামগ্ৰীক ভাবে সফলতাৰ হাৰ আৰু বাঢ়িব। ইয়াৰ বাহিৰেও সপ্তম পৰিকল্পনাত আৰু দুটা ডাঙৰ ডাঙৰ প্ৰকল্পৰ কথা ইতিমধ্যে উল্লেখ কৰিছে। তাৰ ভিতৰত ধনশিৰি আৰু চম্পাৱতী প্ৰকল্পই মুখ্য। এইটো সম্পূৰ্ণ হলে এক লাখ হেক্টৰ মাটিত জলসিঞ্চন কৰিব পৰা হব বুলি আশা কৰা হৈছে। এতিয়ালৈকে ৰাজ্যখনত বৃহৎ জলসিঞ্চনৰ আঁচনিৰ কাম সম্পূৰ্ণ হোৱা নাই যদিও দুটা বৃহত আকাৰৰ জলসিঞ্চন প্ৰকল্পৰ কামত আগবঢ়া হৈছে। ইয়াৰে প্ৰথমটো ধনশিৰি বৃহত জলসিঞ্চন আঁচনিৰ দ্বাৰা ৭০,৪৪৫ হেক্টৰত আৰু দ্বিতীয়টো চম্পাৱতী বৃহত জলসিঞ্চন আঁচনিৰ দ্বাৰা ২৪৯৭৮ হেক্টৰত পানীৰ যোগান ধৰিব পৰাৰ ক্ষমতা ৰক্ষা কৰা হৈছে। ১৯৮৪ চনৰ শেষলৈকে ১১ টা মজলীয়া জলসিঞ্চন আঁচনিৰ যোগে ৰাজ্যৰ খেতিমুক সৰ্কৰক পানীৰ যোগান ধৰি থকা হৈছে। ধনশিৰি সম্পৰ্কত কব বিচাৰিছো যে ওদালগুৰি মহকুমাৰ অন্তৰ্গত এই প্ৰকল্পটো অশান্তিকৰ পৰিবেশ চলি থকা কাৰণে শেষ কৰিব পৰা নাই। আমি আশা কৰিছিলো এইবাৰৰ ডিচেম্বৰ মাহৰ ভিতৰতে পানী যোগানৰ কাম কৰিব পৰাকৈ সম্পূৰ্ণ কৰিব পৰা হব বুলি, কিন্তু ধনশিৰি প্ৰকল্পৰ কাম বাধাগ্ৰস্ত হোৱাৰ বাবে অভিযন্তা সকলৰ লগত আলোচনা কৰিছো আৰু অশান্তিকৰ পৰিস্থিতিৰ কাৰণে কোনো কৰ্মচাৰী অথবা অভিযন্তা তালৈ কাম কৰিবলৈ নাযায় কাৰণেই বৰ্ত্তমান স্থবিৰ অৱস্থা হৈছে। কিন্তু আমি আশা ৰাখিছো সোনকালেই পৰিস্থিতি ভাললৈ আহিব আৰু আমি এই প্ৰকল্পটোৰ সুফল ৰাইজৰ মাজত দিব পাৰিম। এই ধনশিৰি আৰু চম্পাৱতী প্ৰকল্প সম্পূৰ্ণ হলে এক ব্যাপক

হাৰত জলসিঞ্চনৰ ক্ষেত্ৰত সফলতা লাভ কৰাৰ আশা কৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীৰত্নম্ৰতাৰী ডাঙৰীয়াই যিটো টি-এচ-পিৰ ক্ষেত্ৰত কৈছে সেইটো ক্ষুদ্ৰ জলসিঞ্চনৰ ক্ষেত্ৰত প্ৰযোজ্য, কিন্তু বৃহত্ত জলসিঞ্চনৰ ক্ষেত্ৰত যিহেতু পৰিমাণ টি-এচ-পি বুলি নিৰ্দ্ধাৰিত কৰি দিয়া নাই, সেই কাৰণে জেনেৰেল প্লানৰ পৰাই দিয়া হৈছে এই বৃহত জলসিঞ্চনৰ ক্ষেত্ৰত। আৰু তাৰ পৰাই টি-এচ-পি এৰিয়াতো দিয়া হৈছে। কথাটো তেখেতলৈ স্পষ্টীকৰণ হিচাবে উল্লেখ কৰিলো। ইয়াৰোপৰি মাননীয় সদস্য ভালেকেইজনে ভালেমান পৰামৰ্শ আগবঢ়াইছে। জলসিঞ্চন বিভাগত দুৰ্নীতিৰ কথাও উল্লেখ কৰিছে। ইযাৰ ভিতৰত যোৱা বছৰত নগাঁৱৰ এটা ডিভিজনৰ ওপৰত এটা অভিযোগ পাইছিলো। সেইটো গুৰুত্বপূৰ্ণ ভাবে তদন্ত কৰি কি ধৰণে ব্যৱস্থা লব পাৰি সেইটো কোৱালিটি কণ্ট্ৰলৰ লগত পঠিয়াই সেই অনুসৰি অনুসন্ধান কৰি শাস্তিমূলক ব্যৱস্থা লোৱাৰ কাৰণে ব্যৱস্থা বিভাগীয় ভাৱে কৰিব পৰা হব। সেই হিচাবে সেই কথাও সদনৰ জ্ঞাতাৰ্থে ইয়াৰ লগতে উল্লেখ কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অন্য বিষয় সমূহ যেনে মাননীয় সদস্য সকলে উত্থাপন কৰা আসোঁৱাহবিলাক পৰিলক্ষিত হৈছে। জলসিঞ্চন প্ৰকল্প যিবিলাক আছে সেইবিলাক যাতে সুচাৰুৰূপে হয় তাৰ কাৰণে বহুত প্লেন আছে। সেই আঁচনিৰ কাম মাননীয় সদস্যসকলৰ সুবিধাৰ বাবে আঁচনিৰ এটা প্ৰকল্পৰ কাম কৰা হয়। আনটো বছৰত পিচৰটো কাম কৰিব পৰা হব। আমাৰ অৱস্থা হৈছে এটা প্ৰকল্পত ধন দিলে আনটো প্ৰকল্পৰ বাবে ধনৰ নাটনি হয়। সেই হিচাবে এটা বছৰত প্লেনৰ আঁচনিমতে বিধায়ক সকলে এইটো পুনৰ পৰীক্ষা কৰিবলৈ সুযোগ পাব। সেই অনুপাতে আঁচনিৰ কাম মঞ্জুৰীৰে সম্পূৰ্ণ নকৰাটো আচলতে কোনো ফলদায়ক নহয়। প্ৰকল্পৰ কাম বিলাক নিয়াৰিকৈ কৰিবৰ কাৰণে জলসিঞ্চন আৰু কৃষি বিভাগৰ দ্বাৰা জইণ্ট প্লেন কাউন্সিল অনুষ্ঠিত কৰিছে আৰু বিধান সভাৰ ভিতৰতে এইটো কৰা হব। সেই প্লেনৰ বিষয়ে আমাৰ মাননীয় সদস্য সকলে যিখিনি কথা উত্থাপন কৰিব সেই অনুপাতে চালি জাৰি চাই মহকুমা পৰ্য্যায়ত আঁচনি লব পাৰিব। একেজন বিধায়কে একেটা প্ৰকল্প সম্পূৰ্ণ কৰাৰ কাৰণে যাতে গুৰুত্ব দিয়ে সেইটো কৰিলে বোধহয় ভাল হব বুলি ভাবি মই অনুৰোধ ৰাখিলো। এজন

বিধায়কসকলে ঘনঘনকৈ এজন বিধায়কক সময় ত্যাগ কৰিব লাগিব। এইবিলাক কামৰ কাৰণে অনেক দিয়াত যাতে কোনো অসন্তুষ্ট নহয় তেনে ধৰণৰ কাম বিলাক কৰিব লাগিব। ইয়াৰোপৰি জলসিঞ্চন বিভাগৰ বাবে কেইটামান কথা আঙুলিয়াই দিব বিচাৰিছো। আমাৰ মাননীয় সদস্য শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত ডাঙৰীয়াই উল্লেখ কৰা কথাকেইটা অনুসন্ধান কৰি চাম। আচলতে ৰবি শস্যৰ ক্ষেত্ৰত আমাৰ জলসিঞ্চন আঁচনিৰ কথা চিন্তা কৰা হৈছে। সেই ক্ষেত্ৰত জলসিঞ্চন আঁচনিৰ ওপৰত অধিক গুৰুত্ব দিয়া হব। শ্ৰীকুল বাহাদুৰ ছেত্ৰীয়ে ৰবি শস্যৰ বাবে জলসিঞ্চনৰ ক্ষেত্ৰত যি আঁচনিৰ কথা উনুকিয়াইছে আমি ইতিমধ্যে ৰবি শস্যৰ ক্ষেত্ৰত ক্ষুদ্ৰ জলসিঞ্চনৰ দ্বাৰা কিমানখিনি লাভবান হব পৰা যায় সেইটোকে চিন্তা কৰা হৈছে। কিয়নো ক্ষুদ্ৰ জলসিঞ্চন আঁচনিত খৰচ কম অথচ লাভৰ পৰিমাণ বেছি। সেইকাৰণে বৃহত জলসিঞ্চনৰ দ্বাৰা বেছি মানুহক উপকৃত কৰিব পৰা নহয়। মজলীয়া, ক্ষুদ্ৰ আৰু বৃহত জলসিঞ্চন সকলো প্ৰকাৰৰ জলসিঞ্চন একে সময়তে কৰিব নোৱাৰে। ইয়াৰ বাবে আমি স্থায়ী ব্যৱস্থা কৰিব লাগিব। জলসিঞ্চনৰ ক্ষেত্ৰত স্থায়ী ব্যৱস্থা কৰিব নোৱাৰিলে এই ব্যৱস্থাৰ জৰিয়তে আমাৰ কৃষি উত্পাদন বৃদ্ধি কৰিব পাৰিম বুলি আমাৰ দৃঢ় বিশ্বাস। আমাৰ ৰাজ্যত যিভাৱে খাদ্য শস্য বৃদ্ধিৰ কথা চোৱা হৈছে, এই ক্ষেত্ৰত আমাৰ ২৭ লাখৰ ওপৰত হোৱাৰ ৰেকৰ্ড আছে। বাকীখিনিও কৰিবলৈ আমাৰ জলসিঞ্চনৰ দৰকাৰ হব, বাকীখিনি যাতে ঠিকমতে কৰিব পাৰে তাৰ কাৰণে মাননীয় সদস্য সকলৰ সহায় সহযোগ কামনা কৰিছো আৰু বিধানসভাত বিভিন্ন ধৰণৰ পৰামৰ্শ দাঙি ধৰাৰ কাৰণে মই মাননীয় সদস্য সকলক ধন্যবাদ জনাইছো। এই দাবী মঞ্জুৰীৰ ক্ষেত্ৰত তেওঁলোক সকলে উত্থাপন কৰা বিভিন্ন কৰ্তন প্ৰস্তাৱ উঠাই ললে আমাৰ এই কামত সহায়ক হব বুলি এইখিনিকে উল্লেখ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

(Hon'ble Speaker occupied the Chair at 1.25 PM).

Mr. Speaker : Now Shri Kul Bahadur Chetri. Will you withdraw the cut motion ?

শ্ৰীকুল বাহাদুৰ ছেত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে বহুতখিনি আশ্বাস দিয়াৰ পিচত কামবিলাক হৈ উঠিব বুলি আমি আশা ৰাখিছো।

**Mr. Speaker :** Is it the pleasure of the House to grant leave to withdraw cut motion ?

( Yes..............Yes )

With the leave of the House the cut motion is withdrawn.

Now Shri Sahidul Islam. Will you withdraw the cut Motion ?

**শ্ৰীছহিদুল ইছলাম :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়, মন্ত্ৰী মহোদয়ে জনাইছে যে বিভাগৰ যিবিলাক দোষ ত্ৰুটিৰ অভিযোগ পাইছে সেইবিলাক তদন্ত কৰি একচন লোৱা হব। কিন্তু কিমান দিনৰ ভিতৰত একচন লব সেই কথা জনালে ভাল হয়।

**শ্ৰীদেৱ কুমাৰ বৰা :** মাননীয় অধ্যক্ষ মহোদয়, কিছুমান অভিযোগ আমি পাইছো, সেইবিলাক তদন্ত কৰি আমি প্ৰাথমিক একচন লৈছো। ইয়াৰোপৰি মই এটা কথা কব খুজিছো যে যিকোনো ব্যক্তি যদি দুৰ্নীতিত লিপ্ত হোৱা প্ৰমাণিত হয় তেন্তে তেখেতসকলক কোনো ধৰণৰ প্ৰশ্ৰয় নিদি একচন লৈয়েৰ থাকিব।

**Mr. Speaker :** Is it the pleasure of the House to grant leave to withdraw the cut motion.

( Yes....Yes )

With the leave of the House the cut motion is withdrawn.

Now Shri Santi Ranjan Das Gupta. Will you withdraw the cut motion ?

**Shri Santi Ranjan Das Gupta :** Sir, I have already requested Hon'ble Minister to personally enquire into the workings of the Jamuna Irrigation Project. If the Minister agrees to that — — —

**শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো যমুনামুখৰ কথা কৈছে এই বিষয়ে ইতিমধ্যে অসম বিধান সভাতো প্ৰশ্ন উত্থাপন কৰা হৈছে। আমি এই বিষয়ে বিভাগক প্ৰশ্ন কৰিছো।

Mr. Speaker : Is it the pleasure of the House to grant leave to withdraw the cut motion ?

(Yes .... .... Yes)

With the leave of the House the cut motion is withdrawn.

Now Shri Jonendra Basumatary. Will you withdraw the cut motion ?

শ্ৰীজনেন্দ্ৰ বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্থাপন কৰা বিষয়টো কেনে ধৰণে ব্যৱস্থা লৈছে বা লোৱা হব এই বিষয়ে জনাব নেকি ?

শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত : মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমৰ্থিত যিটো প্ৰজেক্ট হব লাগিছিল সেইটো হব বুলি মন্ত্ৰী মহোদয়ে জনাব নেকি ?

Mr. Speaker : Is it the pleasure of the House to grant leave to withdraw the cut motion.

(Yes ... ...Yes)

With the leave of the House the cut motion is withdrawn.

Now Shri Ramendra Dey. Will you withdraw the cut motion ?

শ্ৰীৰামেন্দ্ৰ দে : মাননীয় অধ্যক্ষ মহোদয়, বৰাক উপত্যকাৰ বিষয়েও বহুত দিনৰ পৰা কৈ অহা হৈছিল। এই বিষয়টোৰ প্ৰতি নজৰ দিব নেকি ?

শ্ৰীদেব কুমাৰ বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তেখেতসকলৰ যিখিনি সমস্যাৰ কথা উল্লেখ কৰিছে তাৰে দুটা স্পেচিফিক কৰিবলৈ চৰকাৰৰ লৈতে যোগাযোগ কৰিবলৈ মই অনুৰোধ কৰিছো।

Shri Ramendra Dey : I withdraw my cut motion.

Mr. Speaker : Is it the pleasure of the House to grant leave to withdraw the cut motion ?

(Yes .... .... Yes)

The leave is granted, the cut motion stands withdrawn.

Now Shri Binai Khugur Basuma:ary. Will you withdraw the cut motion ?

Shri Binai Khungur Basumatary : Sir, I want an assurance as to when the Dhansiri Irrigation project will supply water.

শ্ৰীদেব কুমাৰ বৰা মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, পানী যোগানৰ ব্যৱস্থা নিয়মিত ভাবে কৰিবৰ কাৰণে বিভাগৰ অভিযন্তা সকলক পৰীক্ষা কৰিবলৈ দিয়া হৈছিল। ভৱিষ্যতে পানী যোগান ধৰিব পৰা যাব বুলি আশা ৰাখিছো। এই ক্ষেত্ৰত সকলোৰে যাতে সহায় আৰু সহযোগিতা থাকে তাকে মই আশা ৰাখিছো।

Shri Binai Khungur Basumatary : With that assurance I withdraw my cut motion.

Mr. Speaker : Is it the pleasure of the House to grant leave to withdraw the cut motion ?

(Yes .... .... Yes)

The leave is granted, the cut motion stands withrown.

Now Shri Aminul Islam, Will you withdraw the cut motion ?

শ্ৰীআমিনুল ইছলাম : মাননীয় অধ্যক্ষ মহোদয়, হাতশিঙিমাৰীত কাৰ্য্যক্ষম কৰি তোলাৰ বিশেষ ব্যৱস্থা লব নেকি ?

শ্ৰীদেব কুমাৰ বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অনুসন্ধান কৰি পানী যোগানৰ ব্যৱস্থা কৰিবলৈ ব্যৱস্থা লোৱা হ'ব।

Shri Aminul Islam : With that assurance Sir, I withdraw my cut motion.

Mr Speaker : Is it the pleasure of the House to grant leave to withdrow the motion ?

(Yes........Yes)

With the leave of the House, the cut motion stands withdrawn.

Now I put the main Motion before the House. The Motion is that a sum of Rs. 63,03,41,000 be granted to the Minister In-charge to complete the sum of Rs. 84,04,54,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1990 for the administration of 'Irrigation'.

(The Motion is passed ; the grant No. 49 is passed by voice vote)

মাননীয় অধ্যক্ষ : এতিয়া সদন অহা ৪ মে' বৃহস্পতিবাৰৰ ৰাতিপুৱা ৯ বজালৈ স্থগিত ৰখা হ'ল ।

## ADJOURNMENT

The House then rose at 1-31 P. M. and stood adjourned till 9 A. M. tomorrow the 4th May, 1989.

Dispur, S. N. Deka,

The 3rd May, 1989. Secretary,

Assam Legislative Assembly.

---

# ANNEXURE–I

## Information of Assembly Starred Question No. 442 on 3.5.89.

(a) Under land development the following Projects were taken up during the year, 1987-88 & 1988-89 in Karimganj District. The amount spent against each project year-wise and Block-wise are as fallows—

| Name of Dev. Block | Name of Project | Amount spent 1987-88 | Name of Project | Amt. Spent 1988-89 |
|---|---|---|---|---|
| 1. Ramkrishna Nagar | Gamaria & Santichura | Rs 48,800/- | Dargarbond & Borada | Rs. 43,565/- |
| 2. Patharkandi | Barungabill | Rs. 48,800/- | Falgoon Chabna | Rs. 43,565/- |
| 3. Badarpur | Kurikhat & Chairuadhal | Rs. 48,800/- | Borabari Cattonfila Ledunkhal & Mazumdarikhal | Rs. 42,515/- |
| 4. North Karimganj | Sadarashi Keshavkapar | Rs 48,800/- | Marara Sheru bhog & Dhanikhal | Rs. 43,5?9/- |
| 5. South Karimganj | Palahajuli Haur Nilam Bazar | Rs. 48,800/- | Singaria, Kharikhal, Ranigram, Barabari & Aralipool. | Rs. 42,988/- |
| | | Total Rs. 2,44,000/- | | Total Rs. 2,16,162/- |

(b) Under Minor Irrigation no project on STW/LIP were taken under PASMAFAP during 1987-88 in the District.

The following projects on Minor Irrigation (STW/LIP) are also taken up during 1988-89.

| District | No of Blocks | ST Nos. | LIP Nos. | Allocation of fund |
|---|---|---|---|---|
| Karimganj | 5 | 135 | 20 | 8·25 lakhs |

(c) Under Minikits Programme 1446 of Minikits of fertilizer (33.5 kg each) costing Rs. 1·32 lakhs were supplied to cultivators during 1987-88.

During 1988-89 no minikit was supplied.

## ANNEXURE—II

নাৰিকলৰ পুলি ক্ৰয় কৰা প্ৰতিষ্ঠান আৰু ব্যক্তিসকলৰ নামৰ তালিকা ঃ

১। শ্ৰীটৰঙ্গা তামুলী, নামঘৰ ৰ'ড, হয়বৰগাওঁ,
২। ডি, আৰ, ডিষ্ট্ৰিবিউটৰ, হোজাই,
৩। শ্ৰীজহৰগিৰ হুচেইন, ফৌজদাৰী পট্টি,
৪। " মৃণাল কুমাৰ শইকীয়া, পাৰ গাওঁ,
৫। মোঃ আজাদ আহমেদ লোৰী, নগাওঁ,
৬। শ্ৰীবিপুল চন্দ্ৰ বৰা, উজান গাওঁ,
৭। মোঃ আব্দুল মতিন, জুৰিহা,
৮। শ্ৰীধনকান্ত দাস, দক্ষিণপাট গাওঁ,
৯। " বকুল চন্দ্ৰ বৰা, উজান গাওঁ,
১০। বৰা নাৰ্চাৰী, ফৌজদাৰী পট্টি,
১১। কে, টি, কে, এণ্টাৰপ্ৰাইজ, গুৱাহাটী,
১২। শ্ৰীদীপ কুমাৰ শইকীয়া, নগাওঁ,
১৩। " প্ৰভাত চন্দ্ৰ বৰা, উৰিয়া গাওঁ,
১৪। ডি, পি, এণ্টাৰপ্ৰাইজ, এ, ডি, পি, ৰ'ড, নগাওঁ,
১৫। শ্ৰীবিজয় ঠাকুৰ, জালুকবাৰী, গুৱাহাটী,
১৬। " শিৱ নাথ দাস, হাতীচোং,
১৭। " অজিত চন্দ্ৰ বৰা, পানীগাওঁ, নগাওঁ,
১৮। " অজিত সিংহ, চাপৰমুখ,
১৯। কামনা এণ্টাৰপ্ৰাইজ।

## ANNEXURE—III

**List of Roads under Abhayapuri North Constituency under Bongaigaon Road Division**

| Name of Road | Approval Amount |
|---|---|
| 1. Sidalsuti Gerukabari Road | Rs. 5,389 00 |
| 2. Borghola Sidalsuti Road | Rs. 38,429·00 |
| 3. North Salmara Borghola Road | Rs. 4,086·00 |
| 4. Manikpur Srijangram Road | Rs 16,619 00 |
| 5. Roha-Chakla-Kokilia Road | Rs. 9.906 00 |
| 6. Old N. T. Road (Manikpur Division | " 3,160·00 |
| 7. Extension of Gossaigaon to Kashdoha via Bhandara Road | " 496·00 |
| 8. Dharmapur Borghola Road | " 18,937·00 |
| 9. Manikpur Bashbari Road | " 65,686·00 |
| 10. Manasghat Chakisali Road | " 47,996·00 |
| 11. Manikpur Chakisali Road | " 1,50,734·00 |
| Total— | Rs 3,60,838·00 |

## ANNEXURE–IV

১৯৭৮ চনৰ বিভাগীয় বৰ্গীকৃত সূচীত থকা সংৰক্ষিত অনুসূচীত জাতি, ভৈয়াম জনজাতি, পাৰ্বত্য জনজাতিৰ বিষয়াসকলৰ জ্যেষ্ঠতাৰ স্থান তলত দিয়া ধৰণে আছে ।

অসম অভিযন্তা সেৱা অধিনিয়মৰ প্ৰথম শ্ৰেণীৰ বিষয়া—

| ক্রঃ নং | বিষয়াৰ নাম আৰু পৰী | জাতি | বৰ্গীকৃত সূচীত থকা বিষয়াৰ স্থান | মন্তব্য |
|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ |
| অতিৰিক্ত মুখ্য অভিযন্তা | | | | |
| ১। | শ্ৰীমোহিনীমোহন শইকীয়া | ভৈয়াম জনজাতি | ১৫ নং (৫ পৃষ্ঠাত) | মুখ্য হৈছে |

২। ,, প্ৰফুল্ল কুমাৰ মেধি অনুসূচীত জাতি ১৮ নং (৫ পৃষ্ঠাত) অৱসৰ পাইছে

অধীক্ষক অভিযন্তা

১। শ্ৰীভুতনাথ ডেকা ভৈয়াম জনজাতি ৪৩ নং (৭ " ) ইতিমধ্যে অৱসৰ পাইছে

২। ,, কীৰ্ত্তিনাথ শইকীয়া ঐ ৪৫ নং (৭ " )

কাৰ্য্যবাহী অভিযন্তা

১। শ্ৰীহেম চন্দ্ৰ খেমপ্ৰাই পাৰ্বত্য জনজাতি ৯৭ নং (১২ " ) ইঞ্জিনীয়াৰিং

২ " গুণেশ্বৰ দলে ভৈয়াম জনজাতি ১৫৪ নং (১৭ পৃ) চাৰ্ভিচৰ

৩ " উমানন্দ ব্ৰহ্ম ঐ ৪ নং (৫৮ পৃ) তিনিওজনে

৪। " হৰেন্দ্ৰ ব্ৰহ্ম ঐ ৫ নং ( ঐ ) অৱসৰ পাইছে

৫। " খগেন্দ্ৰ নাথ সোণোৱাল ঐ ৬ নং ( ঐ ) এওঁলোক Subordinate Engineering Service ৰ পৰা

সহকাৰী কাৰ্য্যবাহী অভিযন্তা

| | | |
|---|---|---|
| ১। শ্ৰীবাণী কান্ত দাস | অনুসূচীত জাতি | ৫০২ নং (৪৬ পৃঃ) |
| ২। শ্ৰীৰাখাল চন্দ্ৰ হাজৰিকা | ঐ | ৫৪৭ নং (৪৯ ,, ) |
| ৩। শ্ৰীহৰিকান্ত দাস | ঐ | ৫৪৯ নং (৫০ ,, ) |
| ৪। " চিদানন্দ হাজৰিকা | ঐ | ৫৫৩ নং (৫০ ,, ) |
| ৫। " কল্যাণ চন্দ্ৰ হাজৰিকা | ঐ | ৫৮৯ নং (৫৩ " ) |
| ৬। " অজিত কুমাৰ কাকতি | ঐ | ৫৯৭ নং (৫৪ " ) |
| ৭। ,, মোহন চন্দ্ৰ বৰা | ভৈয়াম জনজাতি | ৬০৬ নং (৫৪ " ) |
| ৮। ,, সুৰেন্দ্ৰ নাথ দাস | অনুসূচীত জাতি | ৬২২ নং (৫৬ ,, ) |

## ANNEXURE—V

**Statment of supply of Agriculture inputs to the Farmers of Ruposi and Mandia Dev. Blocks of Barpeta District in 1987-88 and 898-89 by the Department, of Agriculture throug its various agencies :**

REFERENCE,
(NOT FOR ISSUE)



READING ONLY INSIDE LIBRARY

| | Ruposi Block | Mandia Block |
|---|---|---|
| **Subsidy sale of seeds :** | | |
| **1987-88.** | | |
| 1. Wheat | 92.00 qtls. | 105.00 qtle |
| 2. Paddy | 294.80 ,, | 224.71 ,, |
| 3. Fertilizer | 116.900 MT | 83.400 MT |
| **Free :** | | |
| 1. Wheat | 592.00 qtls. | 682.00 qtls. |
| 2. Paddy | 270.20 ,, | — |
| 3. Mustard | 7.00 ,, | 27.08 ,, |
| 4. Pea | 168.00 ,, | 151.44 ,, |
| 5. Lentil | 42.50 ,, | 102.50 ,, |
| 6. Seedling | 40.304 Bundles | 53.00 Bundles |
| 7. Furadon | 18.66 qtls. | 10.00 qutls. |
| **1988-89** | | |
| **Subsidy sale :** | | |
| 1. Wheat | 465,00 qtls. | 515.00 qtls. |
| 2. Paddy | 185.64 ,, | 125.00 ,, |
| 3. Fertilizer | | |
| Urea | 10.800 kgs | 13.900 kgs. |
| DAP | 13,950 ,, | 12.000 ,, |
| MOP | 3,900 ,, | 7.750 ,, |
| SSP | — | 4.200 |
| **Free** | | |
| Paddy Culture-1 | — | 40.00 qtls. |
| Wheat | 998.81 qtls. | 1357.72 |
| Pea | 180.10 ,, | 32.80 ,, |
| Lentil | 33.60 ,, | C0 ,, |
| Mustard | 228,62 | — |